# ফেব্ৰুৱাৰী অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ১৩/০২/২০২১ শনিবাৰ

---

**আজি ইংৰাজী ১৩-০২-২০২১ তাৰিখে ৰাতিপুৱা ৯ঃ৩০ বজাত পূৰ্ব্ব নিৰ্দ্ধাৰিত সময়সূচী মতে অসম বিধান সভাৰ অন্তৰৰ্ত্তীকালীন অধিবেশন অনুষ্ঠিত হয় ঃ**

**মাননীয় অধ্যক্ষ ঃ** আমাৰ সকলোৰে কাৰণে এইটো এটা ঐতিহাসিক ক্ষণ। আমি আজি সদনৰ শেষৰ দিনটোত এই নতুন হলটোলৈ আহি হলটোৰ বিষয়ে সকলোৱে অৱগত হ'বলৈ সুবিধা পালো। ভগৱানক প্ৰাৰ্থনা কৰিছো আপোনালোক সকলো আকৌ ঘূৰি আহক আৰু এই হলটোত পাঁচবছৰলৈকে আপোনলোকে সদনৰ কাৰ্য্যক্ৰমণিকা চলাওঁক। এতিয়া আমাৰ কাৰ্য্যসূচী নং ১ আছে। মই সকলোকে ধন্যবাদ জনাইছো। আজি আমাৰ কিছু অসুবিধা হ'ব। সকলোখিনি আপোনালোকে নিজৰ বুলি ধৰি ল'ব আৰু কিবা কথা থাকিলে আমাৰ অফিচাৰসকলক সুধি ল'ব। মই প্ৰথমতে কাৰ্য্যসূচী নং ১ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ যোৱাকালি আমাৰ ধন্যবাদসূচক প্ৰস্তাৱৰ যি বিতৰ্ক আছিল তাৰ ওপৰত উত্তৰ দান কৰিবলৈ মই অনুৰোধ কৰিলো।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় আৰু সন্মানীয় সদস্য সকল, পোন প্ৰথমে মই মাননীয় অধ্যক্ষ ডাঙৰীয়াৰ নতুন এচেম্বলী ভৱনত আজি পোন প্ৰথম বাৰৰ বাবে আমাৰ অসম বিধান সভাৰ কাৰ্য্যক্ৰমণিকা চলাই নিয়াৰ বাবে যি সিদ্ধান্ত গ্ৰহণ কৰিলে তাৰবাবে মই বিশেষ ভাৱে মাননীয় অধ্যক্ষ মহোদয়ক অভিনন্দন জনাইছো। আজিৰ দিনতো সদায় সকলোৰে মনত থাকিব। শাসক-বিৰোধী আমি সকলোৱে মিলা-প্ৰীতিৰে কিমান দিন কটালো। ২০১৬ ৰ পৰা বিভিন্ন ধৰণে কথা-বাৰ্তা পাতি আজিৰ পৰ্য্যায়ত উপনীত হলো আৰু এই পৰ্য্যায়টো এনে এটা মূহুৰ্ত্ত প্ৰদান কৰিলে নতুন এচেম্বলী ভৱনে, সেইকাৰণে মই ভাৱো যে সকলোৰে মনত ৰৈ যাব। সকলো বিধায়ককে মই আন্তৰিকতাৰে শ্ৰদ্ধা জ্ঞাপন কৰিছো আৰু মাননীয় ৰাজ্যপাল ডাঙৰীয়াই এই পবিত্ৰ সদনত ভাষণ প্ৰদান কৰি ৰাজ্যৰ গৌৰৱময় অতীত সুৰক্ষিত কৰি শক্তিশালী ভৱিষ্যত গঢ়াৰ বাবে যি বি জে পি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখনে গ্ৰহণ কৰা যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰিলে তেখেতৰ বক্তব্যত নিঃসন্দেহে প্ৰেৰণাদায়ক আৰু অৰ্ন্তস্পৰ্শী। মই প্ৰথমে মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ তেখেতৰ ভাষণৰ বাবে ধন্যবাদ জনাইছো। আমি ২০১৬ চনত যেতিয়া দায়িত্ব লৈছিলো সেই মূহুৰ্ত্তৰ কথা হয়তো আমাৰ প্ৰতিগৰাকী বিধায়কৰে মনত আছে। আমি কেইটিমান কথা দায়িত্ব লওঁতে অসমৰ জনগণক বিশেষভাৱে প্ৰতিশ্ৰুতি প্ৰদান কৰিছিলো। অসমৰ বৰাক-বহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ সকলো জাতি-জনগোষ্ঠাৰ মাজত এটা শক্তিশালী সমন্বয়ৰ বাতাবৰণ সৃষ্টি কৰাতো আমাৰ প্ৰধান লক্ষ্য আছিল। ১৯৫২ চনৰ পৰাই ধাৰাবাহিক ভাৱে নিৰ্ব্বাচন অনুষ্ঠিত হৈ আহিছে, চৰকাৰো গঠন হৈছে। কিন্তু দীৰ্ঘদিনীয়া কাৰ্য্যকালত যিকোনো কাৰণতে নহওঁক কিয় দুইটা উপত্যকাতে সমন্বয়ৰ ধাৰাটো গঢ় দিয়াৰ ক্ষেত্ৰত আমি কিছু অৱহেলা কৰিছিলো। তাৰবাবে ঐক্যবদ্ধ ভাৱে এখন ৰাজ্যৰ জনতাই কাম কৰাৰ এটা বাতবৰণ সৃষ্টি হোৱা নাছিল। ফলত আমি আমাৰ মাজত প্ৰচুৰ পৰিমাণে শক্তিশালী মানৱ সম্পদ থকা স্বত্বেও এইখন ৰাজ্য ভাৰতবৰ্ষৰ বুকুত অন্যতম শক্তিশালী ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত বহু পিছপৰি থাকিল। ইয়াৰ উপৰিও শাসন ব্যৱস্থাই

যেনেধৰণে ৰাইজৰ আশ্বাস আৰু বিশ্বাস পাব লাগিছিল ভাৰসাম্যৰ জৰিয়তে সেইটোও আমি সম্ভৱপৰ কৰি তুলিব নোৱাৰিলো। যোৱা দিনবিলাকত ৰাইজ যথেষ্ট হতাশগ্ৰস্ত হৈছিল আৰু ৰাইজৰ শাসন ব্যৱস্থাটোৰ ওপৰত আস্থা প্ৰায় নাইকিয়া হৈছিল। দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰে এনেধৰণে গা কৰি উঠিছিল ফলত দুখীয়া পৰিয়ালৰ মেধাসম্পন্ন যুৱক-যুৱতী সকলো যোগ্যতাৰ ভিত্তিত নিযুক্তিৰ পৰা বঞ্চিত হৈছিল। এই কথাবিলাক সত্যৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াত মই কোনো এজনে আন এজনৰ বিৰূদ্ধে অভিযোগ তোলাৰ কথা নহয়। এই কথাটো আমি সকলো জনপ্ৰতিনিধি সকলে গভীৰ ভাৱে উপলব্ধি কৰা উচিত কাৰণ আমাৰ সকলোৰে সম দায়িত্ব আছে। ইয়াত শাসক-বিৰোধীৰ বেলেগ বেলেগ দায়িত্ব নাথাকে। এই মহাগৃহত প্ৰৱেশ কৰাৰ লগে লগে, গণতন্ত্ৰৰ পবিত্ৰ মন্দিৰত প্ৰৱেশ কৰাৰ লগে লগে আমি ৰাজ্যখনৰ প্ৰতিটো প্ৰান্তৰ প্ৰতি গৰাকী নাগৰিকৰ বাবে আমি আন্তৰিকতাৰে, শ্ৰদ্ধা-ভক্তিৰে ভাবিব লাগিব। তেখেত সকলক অন্ন, বস্ত্ৰ, বাসস্থান দিয়াৰ উপৰিও সামাজিক সুৰক্ষা, অৰ্থনৈতিক উন্নয়ণৰ বাবে আমি বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব আৰু প্ৰতিটো জনগোষ্ঠীয়ে নিজৰ পৰম্পৰাগত স্বাভিমান লৈ কৃষ্টি-সংস্কৃতি, ভাষা-সাহিত্যৰ যোগেদি যাতে সকলো সময়তে মৰ্য্যদা সহকাৰে জীৱনটো আগবঢ়াই নিব পাৰে ইয়াৰ বাবে আমি পদক্ষেপ গ্ৰহণ কৰিব লাগিব। গতিকে সেই বাবে এই কথাবিলাক আমি অনুধাৱন কৰাৰ বাবে দায়িত্ব লৈ আমি তিনিমাহৰ পাছতে 'সহোদৰ' নামেৰে এটি অনুষ্ঠান আয়োজন কৰিছো। এই অনুষ্ঠানটো বৰাক-বহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ সকলো সত্তৰ টা বিভিন্ন জাতি-জনগোষ্ঠীৰ সংগঠনে অংশগ্ৰহণ কৰিছিল। আমাৰ মন্ত্ৰী সভাৰ সকলো সতীৰ্থ মন্ত্ৰী, সাংসদ, বিধায়ক আমি সকলো মিলি তেখেত সকলৰ সৈতে মত বিনিময় কৰিছিলো,তেওঁলোকৰ মনৰ কথা জানিবলৈ চেষ্টা কৰিছিলো আৰু তেখেত সকলে সেইসময়ত বহুত কথায়ে কৈছিল। অসমত এনেকুৱা জনগোষ্ঠী আছে যি জনগোষ্ঠীয়ে আজিলৈকে পঞ্চায়ত পৰ্য্যায়ত প্ৰতিনিধিত্ব পোৱা নাই। সেইসকল লোকক কেনেদৰে সফল কৰিব স্বাধীন ভাৰতত, কেনেদৰে মৰ্য্যদা সহকাৰে অন্যান্য সকলৰ ভিত্তিত খোজ মিলাই আগবাঢ়িব পৰা কৰিব, এই কথাবিলাক আমি অনুধাৱন কৰিছো। সেইবাবেই আমি ঠিৰাং কৰিছো যে প্ৰত্যেকটো জনগোষ্ঠীক আমি মৰ্য্যদা সহকাৰে আগুৱাই নিয়াৰ প্ৰয়াস কৰিম। যিদৰে যোৱা দিন বিলাকত যিমান বিলাক আপোনলোকে কাৰ্য্যসূচী দেখি আছে যে প্ৰতিটো কাৰ্য্যসূচীৰ লক্ষ্য এটায়ে যাতে কোনো জনগোষ্ঠীয়ে ইয়াত মনত দুখ লৈ নাযায়, সকলোৰে যাতে আগুৱাই অহাৰ সুযোগ লাভ কৰে আৰু অন্যান্য জনগোষ্ঠীৰ দৰে তেখেত সকলেও তেখেত সকলৰ যি প্ৰবাদ পুৰুষ, তেখেত সকলৰ যিখিনি লোকবিশ্বাস, কৃষ্টি-সংস্কৃতি, পৰম্পৰা-বিশ্বাস সেইবিলাকক আমি ৰাজ্যিক পৰ্য্যায়ত অনুষ্ঠান পাতি মৰ্য্যদা দিয়াৰ কাম আৰম্ভ কৰিলো। ফলত এইটো কথা আপোনালোকেও লক্ষ্য কৰিছে যে দুটা উপত্যকাৰ মাজত মানসিক ভাৱে বহু দূৰ আছিল সেই দূৰত্ব এতিয়া নাইকিয়া হৈছে। বহুত মুহূৰ্ত্ত পাৰ হৈ গ'ল, সাংঘাটিক জটিল মুহূৰ্ত্ত আপোনালোকে দেখিছে, বহুতে বহু ধৰণে, বিভিন্ন ধৰণে মানুহবিলাকক প্ৰভেদ কৰাৰ ষড়যন্ত্ৰত মানুহবিলাক লিপ্ত হৈছিল । তৎ স্বত্তেও কিন্তু দুইটা উপত্যকাৰ জনগণে ইমান সহিষ্ণুতা আৰু সংযম দেখুৱালে তাৰফলত আজি দুইটা উপত্যকাৰ জনগণে দোপতদোপে কৰ্ম সংস্কৃতিৰ যোগেদি অসমখনক ভাৰতবৰ্ষৰ অন্যতম ৰাজ্য হিচাবে গঢ় দিয়াৰ বাবে আগুৱাই লৈ গৈছে। মই মুখ্যমন্ত্ৰী হিচাবে কোনোএখন জিলাই মোৰ ভ্ৰমণ কাৰ্য্যসূচীৰ পৰা বিৰত ৰখা নাই। ইয়াৰ কাৰণ আছে যে মুখ্যমন্ত্ৰী গৰাকী যোৱাৰ লগে লগে চৰকাৰখন তালৈকে যায় আৰু তাত বসবাস কৰা জনগণে এটা সন্মান বোধ উপলব্ধি কৰে। The feel honoured. My primary job is to pay respect to the people of the state

. সেয়ে মই শদিয়ালৈও বহুবাৰ গৈছো। বাকী প্ৰশাসনিক জিলা বিলাক চৰাইদেউৰে হওঁক বা আন জিলাই হওঁক এই ভ্ৰমণ কালত মই যিবিলাক অভিজ্ঞতা গোটাইছো মোৰ সতীৰ্থ বিধায়ক, মন্ত্ৰী, সাংসদ সকলক সদায় কওঁ যে মানুহৰ কথা শুনিব লাগিব, কাম কৰিব লাগিব আৰু কোনো কাৰণতে মানুহে যাতে এইটো অনুভৱ নকৰে যে চৰকাৰে আমাক অৱহেলা কৰে। মানুহে কোৱা সংখ্যালঘু ইত্যাদি কথাবিলাকত আমি কোনোদিনেই অগ্ৰাধিকাৰ দিয়া নাই। সকলোৰে প্ৰতি সম দৃষ্টি ৰাখি মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই দেশখনক একাকাৰ কৰাৰ ক্ষেত্ৰত 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস' এই যি সাৰ্ব্বজনীন গনতান্ত্ৰিক মানৱীয় নীতি আমাৰ হাতত অৰ্পণ কৰিছে সেই নীতিক সৰোগত কৰি আজি আপোনালোকে চাওঁক কোনটো আঁচনি কোন ঠাইলৈকে যোৱা নাই। সকলোৰে এই আঁচনিৰ ফলাফল আজি সঠিকভাৱে পাবলৈ সক্ষম হৈছে। এই আঁচনিসমূহ ৰূপায়ণৰ যিটো ব্যৱস্থা সেই ব্যৱস্থাৰে প্ৰধানমন্ত্ৰী ডাঙৰীয়াই সুন্দৰ পথৰ সন্ধান দিলে। ডিজিটেল পদ্ধতি প্ৰৱৰ্তনৰ লগে লগে হিতাধিকাৰী সকলে তেখেত সকলৰ নামত আবন্টিত এশ শতাংশ ধন পাবলৈ সক্ষম হ'ল। ইয়াত কোনো মধ্যভোগীৰ স্থান নাই। গতিকে এই গোটেই পদ্ধতিটো স্বচ্ছ আৰু নিকা মানসিকাতৰে জন্ম দিয়াৰ বাবে আজি ভাৰতবৰ্ষৰ জনগণে সন্মান সহকাৰে জীৱনটো আগুৱাই নিবলৈ সক্ষম হৈছে। হয়, আমাৰ সন্মূখত বহুতো প্ৰত্যাহ্বান আছে আৰু প্ৰত্যাহ্বান থাকিবই। এই প্ৰত্যাহ্বানক যোগ্য প্ৰত্যুত্তৰ দিয়াটোৱেই মানৱ সমাজৰ আটাইতকৈ ডাঙৰ দক্ষতা আৰু যোগ্যতা। গতিকে এই লক্ষ্যৰে আজি আমি অসম খনক আগুৱাই নিয়াৰ প্ৰয়াস কৰিছো। যোৱাকালি দুই এজনে এচ আই পৰীক্ষাৰ প্ৰশ্ন কাকত ফাদিল হোৱাৰ কথাটো কৈছে। মই দিল্লীত গম পোৱাৰ লগে লগে পোন্ধৰ মিনিটৰ ভিতৰতে পৰীক্ষা বন্ধ কৰি দিছো আৰু ইয়াৰ তদন্ত কৰিবলৈ কৈছো। মই অত্যন্ত নিষ্ঠাৰে সকলো সময়তে তদাৰক কৰি চি আই ডি ক কলো যে তদন্ত কৰিব লাগে। তদন্ত কৰি ৯০ দিনৰ আগতে ৩৪ জন মানুহক কৰায়ত্ব কৰি ইতিহাস ৰচনা কৰাৰ কথাটো আপোনলোকেও নিৰপেক্ষ ভাৱে ভাবিব। ৮৭দিনৰ ভিতৰত ১৬৭ পৃষ্ঠাৰ অভিযোগ নামা কোৰ্টত দাখিল কৰিবলৈ সক্ষম হ'ল। আমাৰ ইয়াত কোনো ধৰণৰ অসৎ অভিপ্ৰায় থাকিবই নোৱাৰে। মোৰ ওচৰলৈ যিয়ে নাহক কিয় মই এটা বাৰ্তা পঠিয়াই দিওঁ। বাৰ্তা অন্য নহয় যে অসমৰ জনগণক সন্মান প্ৰদৰ্শন কৰিবলৈ হ'লে সু-শাসন ব্যৱস্থা প্ৰৱৰ্তন কৰিবই লাগিব যাতে আমাৰ শাসন ব্যৱস্থাৰ পৰা প্ৰত্যেক গৰাকী নাগৰিক উপকৃত হয়। প্ৰত্যেক গৰাকী নাগৰিকেই এই ব্যৱস্থাত তেখেত সকলৰ স্বাভিমান সুৰক্ষিত হোৱাৰ কথাটো উপলব্ধি কৰিব পাৰে। আজি মই এই শাসন ব্যৱস্থাটো শক্তিশালী কৰাৰ মানসিকতাৰে ডি জি পি চিফ চেক্ৰেটাৰীক মই কওঁ যে আপোনালোকে কেৱল এচ পি পৰ্য্যায়তে আলোচনা কৰি নাথাকিব। দিছপুৰৰ পৰা ফোন কৰি আপোনালোকে কেৱল এচ পি বা ডি চি ৰ পৰা জিলা খনৰ বাৰ্তা সংগ্ৰহ কৰাৰ চেষ্টা নকৰিব। আপোনালোকে বি ডি ও অফিচত কাম কৰা পিয়ন, চকিদাৰ জনৰ লগত কথা পাতিব আৰু তেখেত সকলৰ পৰিয়ালৰ খা-খবৰ ল'ব। ডি জি পি ক কৈছো আপোনালোকে আউট পোষ্টৰ কনিষ্টবলৰ সৈতে কথা পাতিব তেতিয়া আমাৰ পুলিচ-প্ৰশাসন ব্যৱস্থা, সাধাৰণ প্ৰশাসন ব্যৱস্থা কেনেধৰণে চলিছে, ই জনমুখী হৈছে নে নাই, জনহিতকৰ কাৰণে সেই প্ৰশাসনিক যন্ত্ৰই দায়িত্ব সহকাৰে কাম কৰিছেনে নাই এই কথাবিলাক আমি তেতিয়া আৱিস্কাৰ কৰিবলৈ সক্ষম হ'ম। মই নিজেও বিভিন্ন ঠাইত ক'ভিড ১৯ ৰ লগত জড়িত যুঁজ, দৃঢ়তাৰে আমাৰ অসমৰ জনগণক লৈ যি আছিলো এই সংক্ৰমণৰ পৰা অসমৰ জনগণক ৰক্ষা কৰা আমাৰ প্ৰধান দায়িত্ব আৰু কৰ্তব্য আছিল। আপোনালোক দেখিছে চৌদিশে বিশ্বজুৰি এটা ভয়াবহ পৰিস্থিতি। আমেৰিকা, ইউৰোপ আদি ৰাষ্ট্ৰ সমূহে এই সংক্ৰমণৰ ওচৰত অসহায়

উপলব্ধি কৰিছে। তেনেধৰণৰ উন্নত ৰাষ্ট্ৰ সমূহে যিসময়ত অসহায় উপলব্ধি কৰিছিল সেই সময়ত আমাৰ দেশৰ পৰম শ্ৰদ্ধাৰ নৰেন্দ্ৰ মোদী ডাঙৰীয়াই বলিষ্ঠ পদক্ষেপৰ বাবে লক ডাউন ১, লকডাউন ২, লকডাউন ৩ ৰ যোগেদি আমি ভাৰতবৰ্ষৰ জনগণক এই সংক্ৰমণৰ পৰা ৰক্ষা কৰাৰ যাত্ৰাত আত্মনিয়োগ কৰিলো। তেখেতক আহ্বানৰ প্ৰতি সন্মান জনাই অসমৰ বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ তিনি কোটি, ৫০ লাখ লোকক শৃংখলাবদ্ধভাৱে ক'ভিড প্ৰট'কল মানি চলি ইয়াৰ বিৰূদ্ধে যুঁজ দিবলৈ আৰম্ভ কৰিলো আৰু এই যুঁজত এটা কথা ক'বই লাগিব যে আমাৰ স্বাস্থ্য বিভাগে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিলে। আমাৰ স্বাস্থ্য মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া, ৰাজ্যিক মন্ত্ৰী পিযুজ হাজৰিকা ডাঙৰীয়াৰ লগতে সকলো বিষয়া-কৰ্মচাৰীয়ে, ডাক্তৰ, নাৰ্চ, আশাকৰ্মী, টেকনিচিয়ান, চাফাই কৰ্মী, এম্বুলেঞ্চৰ চালক, স্বাস্থ্য বিভাগৰ লগত জড়িত সকলোৱে ৰাইজক নিষ্ঠাৰে যিখিনি সহায় আগবঢ়ালে, কনফিডেঞ্চ দিলে এই কথা অসমৰ জনগণে নিজ চকুৰে দেখিছে। স্বাস্থ্য বিভাগ সেইসময়ত আমাৰ আন্তঃগাঁথনি অৱস্থা টনকিয়াল কৰাৰ বাবে দৃঢ়তাৰে যি পদক্ষেপ ললে তাৰবাবে আমি ক'ভিড ১৯ ৰ বিৰূদ্ধে যুঁজ দি থাকোতে আমাৰ আমাৰ সমগ্ৰ অসমতে স্বাস্থ্য বিভাগৰ আন্তঃগাঁথনি আজি যিকোনো ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ বাবে নিজক যোগ্যতাৰে প্ৰস্তুত কৰা হ'ল। ইয়াৰ বাবে মই ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ লগতে স্বাস্থ্য বিভাগৰ লগত জড়িত থকা সকলোক ধন্যবাদ জ্ঞাপন কৰিছো। তেওঁলোকে অত্যন্ত নিষ্ঠাৰে কাম কৰিছে আৰু front line worker হিচাবে আমাৰ গৃহ বিভাগৰ পুলিচ, হোম গাৰ্ড ভি ডি পি আৰু লগতে পৰিবহন বিভাগে শেষ মুহুৰ্ত্তত এঠাইৰ পৰা আন ঠাইলৈ মানুহ অনা নিয়া কৰা, ঔষধ সামগ্ৰী অনা নিয়া কৰা, ইয়াৰ পৰা খাদ্য-সামগ্ৰী চুবুৰীয়া ৰাজ্য সমূহলৈ প্ৰেৰণ কৰাৰ বাবে প্ৰায় ৬০ হাজাৰ বাছ-ট্ৰাক চলাচল কৰাৰ বাবে আৰু তাত থকা পৰম শ্ৰদ্ধাৰ ড্ৰাইভাৰ, তেওঁলোকৰ সহযোগী সকলে যি সেৱা আগবঢ়ালে তাৰ বাবে মই তেওঁলোকক ধন্যবাদ জনাইছো লগতে পৰিবহণ মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াৰ লগতে সকলো বিষয়া কৰ্মচাৰী যিসকলে কাম কৰিছে সেই সকলক মই ধন্যবাদ জ্ঞাপন কৰিছো লগতে সেই সময়ত কৃষি বিভাগৰ শাক-পাচলিৰ পৰা আৰম্ভ কৰি বিভিন্ন খাদ্য বস্তুৰ যোগানৰ বাবে চাপ্লাই বিভাগ, পি. এইচ. ই বিভাগ, লক ডাউনত যাতে কোনো কাৰণতে বিজুলী নাযায় তাৰবাবে আজি সতৰ্কতা অৱলম্বন কৰি নিষ্ঠা সহকাৰে সেৱা আগবঢ়াবৰ বাবে যেনেধৰণে তেওঁলোকক নিৰ্দ্দেশনা দিছো তেওঁলোকে সেই কাম নিষ্ঠা সহকাৰে কৰিছে। ঠিক সেইদৰে স্বাস্থ্য বিভাগৰ কাষত থাকি গৃহ বিভাগ, পৰিবহণ বিভাগ, এগ্ৰিকালচাৰ ফুড আৰু চিভিল চাপ্লাই, পি. এইচ. ই লগতে সন্মানীয় মন্ত্ৰী, বিধায়ক, সাংসদ সকল সকলোৱে সেইসময়ত জনসাধাৰণৰ কাষত থাকি যিধৰণে সহায় আগবঢ়ালে শাক-পাচলি অনা নিয়া কৰা, খাদ্য যোগান ধৰা ইত্যাদি যেনেধৰণে সহায় আগবঢ়ালে তাৰ বাবে আজি ক'ভিড-১৯ ৰ বিৰূদ্ধে যিখন যুঁজ, আমি দিবলৈ সক্ষম হৈছো। ইয়াত মৃত্যুৰ হাৰ 0.46 not even 5.0 আৰু আৰোগ্য হোৱা 98.7%. This is exemplary in the whole country. ক'ৰণা ভাইৰাছৰ সেই পৰিস্থিতিৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত যিটো দৃষ্টান্তমূলক পৰিচালনাৰ যিটো উদাহৰণ অসমে দাঙি ধৰিলে তাৰ বাবে মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই আৰু বিশ্বৰ বিভিন্ন স্বাস্থ্য সংস্থা সমূহেও আমাৰ অসম চৰকাৰৰ ভূয়সী প্ৰশংসা কৰিছে। মইতো নিজে গৈছো, কিন্তু মই নিজৰ কথাটো নকওঁ। মই প্ৰতিখন জিলালৈ দুবাৰ, তিনিবাৰো গৈছো কিন্তু কথা হৈছে যে আপোনালোক সকলোৱে মিলি, আজি আপোনালোকে এই ক্ষেত্ৰত, সেই সময়ত শুই বহি থকা নাই। শাসক বিৰোধী সকলো বিধায়কক, মই চিঠি লিখিছো, মনত আছে আপোনালোকৰ নহয়? আপোনালোকে সেইকাম নিষ্ঠাৰে কৰাৰ

বাবে আজি অসমখনক আমি এই আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ সক্ষম হ'লো। গতিকে মই আশা ৰাখিছো যে এনেধৰণে ঐক্যবদ্ধ মানসিকতাৰে কাম কৰিলে অসাধ্য সাধন কৰিব পাৰি। সেই কাৰণে অসমত মই সমন্বয় বিচাৰো। সমন্বয় জ্যোতিৰে সমাজখন শক্তিশালী কৰাৰ আন্তৰিকতাৰে বিচাৰো আৰু এই কাম অসমৰ জনগণে কৰি দেখুৱাইছে। মই সেইবাবে এই পবিত্ৰ সদনৰ পৰা অসমৰ জনগণক শ্ৰদ্ধাৰে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। বহুত কাম হৈছে চৰকাৰৰ। আপোনালোকেও জানে যে, Covid 19 ৰ বিৰুদ্ধে যুঁজ দিওতে মাৰ্চৰ পৰা ডিচেম্বৰলৈকে আমাৰ বহু বিভাগত কাম-কাজবিলাক Covid প্ৰটক'ল মানি চলিবৰ কাৰণে বন্ধ হৈ গ'ল। প্ৰকৃতাৰ্থত যদি এইখন চৰকাৰে কাম কৰাৰ সুযোগ পাইছে, বোধহয় চাৰে তিনি বছৰমান পায়, সঁচা কথা। গতিকে আপোনালোকে দেখিছে গোটেই কথাবিলাক। মই বেছি চৰকাৰৰ গুণানুকীৰ্তন কৰিবৰ কাৰণে উঠা নাই। কিন্তু সত্যটো মই ক'ব বিচাৰিছো যে, আমি ভাল কাম কৰিছো। সেই কাৰণে ভাল কাম কৰাৰ বাবে আজি অসমৰ ৰাইজে আমাক আঁকোৱালি লৈছে। আমি সকলো জাতি-জনগোষ্ঠীক মৰ্য্যদা দিছো। চাহ শ্ৰমিকেই হওঁক বা যি সকল আটাইতকৈ অৱহেলিত আছিল। মই আপোনালোকৰ চৰকাৰৰ দিনত চাহ শ্ৰমিকে কিখিনি পাইছে, নাপাইছে সকলোৰে মাজত সেই তথ্য মজুত আছে। কিন্তু আমি চাহ শ্ৰমিকক যি দীৰ্ঘদিন ধৰি এই জনগোষ্ঠীটোৱে মুৰৰ ঘাম মাটিত পেলাই অসমৰ চাহ উৎপাদন কৰি বিশ্বৰ বজাৰত অসমক মৰ্য্যদা সহকাৰে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল, সেই সকল জনগোষ্ঠীৰ, শিক্ষা, স্বাস্থ্য, সামাজিক সুৰক্ষাৰ ক্ষেত্ৰত কিন্তু পূৰ্বৰ চৰকাৰ বিলাকে বহুতখিনি পদক্ষেপ লবলৈ পাৰিলে হয়। কিন্তু নল'লে। কিন্তু আমাৰ কাৰ্য্যকালত আমি তেখেতসকলৰ পুত্ৰ-কন্যা, উচ্চশিক্ষা প্ৰদান কৰাৰ পৰা আৰম্ভ কৰি বিনামূলীয়া পাঠ্যপুথি, বিনামূলীয়া নামভৰ্তি আৰু গৰ্ভৱতী মহিলা আইসকলক পুষ্টিকৰ খাদ্য যাতে তেখেতসকলে গ্ৰহণ কৰিব পাৰে তাৰ বাবে তেখেতসকলক ১২ হাজাৰ টকাকৈ যিখিনি আমি আৰ্থিক সহযোগিতা আগবঢ়াইছো আৰু চৰ্দাৰ সকলকো মোবাইল, টেলিফোন দি যোগাযোগ ব্যৱস্থা আধুনিক প্ৰযুক্তিৰে সৈতে তেখেতসকলক এটা নিবিৰ সম্পৰ্ক গঢ় দিয়াৰ যিখিনি প্ৰয়াস কৰিছো, লাইন চকীদাৰ সকলক কওঁক আৰু চাহ শ্ৰমিকৰ যুৱক-যুৱতী যিসকল, যিসকলে সৰু সৰু ব্যৱসায় বাণিজ্যৰ যোগেদি জীৱন নিৰ্বাহ কৰাৰ প্ৰয়াস কৰে, তেখেতসকলকো আমি বিভিন্ন আঁচনিৰ যোগেদি আৰ্থিক সহযোগিতা সৰু সৰু ব্যৱসায় বাণিজ্যৰ যোগেদি জীৱন নিৰ্বাহ কৰাৰ প্ৰয়াস কৰে তেখেতসকলকো আমি বিভিন্ন আঁচনি যোগেদি আৰ্থিক সহযোগিতা আগবঢ়াইছো, জলপানি দিছো। এ চি এচ ট্ৰেইনিং দিছো, ইউ পি এচ চি ট্ৰেইনিঙৰ ব্যৱস্থা কৰিছো যাৰ ফলত আপোনালোকে শুনি ভাল পাব, এইবাৰ এ পি এচ চি তিনি গৰাকী আমাৰ চাহ শ্ৰমিকৰ পুত্ৰ-কন্যাই এ চি এচ পাবলৈ সক্ষম হৈছে। সমান্তৰালভাৱে আজি শুনি ভাল পাব সৌ সিদিনা ডিমা-হাছাও অট'নমাচ কাউঞ্চিলৰ মুৰব্বীয়ে মোক ক'লে যে, এই চৰকাৰৰ কাৰ্য্যকালত বোলে ডিমা-হাছাওৰ দুখীয়া পৰিয়ালৰ ৫০ গৰাকী নিযুক্তি পাবলৈ সক্ষম হৈছে। পাহাৰ -ভৈয়াম, বৰাক ব্ৰহ্মপুত্ৰ সকলোৰে এইখন চৰকাৰৰ দিনত যিখিনি মৰ্য্যদা বুটলিবলৈ সক্ষম হৈছে তাৰ বাবে এই চৰকাৰৰখনক জনসাধাৰণে অগাধ- আশ্বাস আৰু বিশ্বাস ব্যক্ত কৰি আজি আমাক প্ৰতিটো মূহুৰ্ততে তেখেতসকলে যেনেধৰণে সহযোগিতা আগবঢ়াইছে, গতিকে আপোনালোকে বেজাৰ পাব নালাগে, অহাবাৰ আকৌ আমাৰ চৰকাৰে হ'ব। সঁচা কথা কৈছো। গতিকে আপোনালোকেও বিচাৰে চৰকাৰ ভালকৈ চলিব লাগে হয়নে? আজি আপোনালোকৰ সমষ্টি বিলাকত কিমান উন্নয়ন হৈছে। মই খবৰ লৈ থাকো। ৰাস্তা-পদুলি, দলং সকলো ঠাইতে বিজুলীৰ পৰা আৰম্ভ কৰি উজ্বলা সকলো আঁচনি আজি প্ৰতিটো সমষ্টিত পদাৰ্পণ কৰিছে। ফলত

সকলো সমষ্টিৰ বিধায়ক সকলে আজি স-গৌৰৱে ক'ব পাৰে। মই মৰাণ সমষ্টিৰ বিধায়ক আছিলো। তেতিয়া সেই সময়ত বিধায়কৰ পুঁজি মাত্ৰ ২০ লাখ টকা আছিল আৰু সেই সময়ত বিৰোধী বিধায়ক আছিলো। বি জে পি, এ জি পি মিত্ৰজোঁটৰ বিধায়ক আছিলো। ইমান সমষ্টি, কিন্তু সমস্যা বহুত। ৰাইজক দিবলৈ একোৰেই নাথাকে আৰু চৰকাৰৰ পৰা একো নাপাও তেতিয়া। আনকি মই এনেকুৱা এটা অভিজ্ঞতা হৈছিল। মাননীয় ভূমিধৰ বৰ্মণ ডাঙৰীয়া স্বাস্থ্যমন্ত্ৰী আছিল। এবাৰ এখন চিকিৎসালয় উন্মোচন কৰিবৰ কাৰণে মাননীয় স্বাস্থ্যমন্ত্ৰী গৰাকী গ'ল। তেখেতো যথেষ্ট জনাশুনা জ্ঞানীগুণী ব্যক্তি। কিন্তু মই আমন্ত্ৰণ নাপালো। বিধান সভাৰ মজিয়াত কথাটো উলিয়ালো। কিয় বিধায়কজনক আমন্ত্ৰণ কৰা নহ'ল। কি কাৰণে মোক বঞ্চিত কৰা হ'ল। এনেকুৱা বহুধৰণৰ তিক্ত অভিজ্ঞতা হৈছে তথাপিও সেইবোৰ কথা মই আজি এই সদনত ব্যক্ত কৰিব বিচৰা নাই। কিন্তু কথাবিলাক সঁচা। মই ভাৱো যে, কোনো বিধায়কে ক'ব নোৱাৰে যে, মুখ্যমন্ত্ৰীৰ ওচৰত গ'লে মই অৱহেলা কৰো। I give maximum respect to all of you.এইটোৱে হৈছে পৰিৱৰ্তন, মানসিকতাৰ পৰিৱৰ্তন, নৈতিকতাৰ পৰিৱৰ্তন। অকল ৰাস্তা-পদুলিৰ পৰিৱৰ্তন নহয়, মানসিকতাটো যে সকলোকে আস্থা আৰু বিশ্বাসক লৈ আগবঢ়া। ইয়াত মানকাচাৰৰ বিধায়কো আছে। মই নিশাটো তাত কটাইছো। আপুনিতো সেইটো সময়ত ভূয়সী প্ৰশংসা কৰিছিল মোক। কৈছে যে, আপুনি প্ৰথম মুখ্যমন্ত্ৰী নিশাটো ইয়াত থকা। চাৰ্কিট হাউচৰ ব্যৱস্থাও নাছিল। মই দেখিলো যে, মানকাচাৰ ঠিক কৰিব লাগিব। এইখন সীমামূৰীয়া জিলা। সেই কাৰণে ইয়াত হেলিপেদ বনাব লাগিব। হেলিপেদ টো হৈ গ'ল আৰু অলপ বাকী আছে। বাকী চাৰ্কিট হাউচ বনাবৰ কাৰণে লগে লগে মই পইচা চেংশ্যন কৰিছো। তাৰমানে এইয়ে হৈছে inclusive democracy সকলোকে লগত লৈ peoples democracy. গণতন্ত্ৰৰ ভেটি শক্তিশালী কৰা আৰু সমাজখনৰ দৃষ্টিভংগীটো সঠিক দিশত গঢ় দিয়া, outlook টো সঠিক দিশত যদি গঢ় লৈ নুঠে, মানসিকতাত যদি ঋণাত্মক চিন্তাই বিৰাজমান হয়, তেতিয়াহ'লে স্বাভাৱিকতে আপুনি সমাজ শক্তিশালী কৰিব নোৱাৰে, দেশনিৰ্মাণ কৰিব নোৱাৰে। ইয়াৰ কাৰণে এটা পৰিষ্কাৰ মন থাকিব লাগিব আৰু পৰিষ্কাৰ মনৰ যোগেদিয়েই সংস্কাৰ আপুনি সম্ভৱ কৰি তুলিব পাৰিব, মনটো পৰিষ্কাৰ হ'ব লাগিব, let us build the state first. ইয়াত কোন জাতি, কোন ধৰ্ম, কোন ভাষা we are not concern, আমাৰ কথা হৈছে যে, ৰাজ্যখনক শক্তিশালী ৰূপত গঢ় দিব লাগিব। শিক্ষা, সংস্কৃতি, ক্ৰীড়া আন্তঃগাঁথনি, উদ্যোগ ব্যৱসায় বাণিজ্য এই সকলো ক্ষেত্ৰতে ৰাজ্যখনক শক্তিশালী কৰি তোলাৰ যদি আপোনাৰ এটা সঠিক চিন্তা থাকে, তেতিয়াহ'লে আপুনি বহুতখিনি নিষ্ঠাৰে সেৱা আগবঢ়াব পাৰে। গতিকে এইখিনি মই যোৱা দিন বিলাকত যিখিনি অভিজ্ঞতা মই পালো, ইয়াৰ পৰা আজি মই এই কথাখিনি দৃঢ়তাৰে ক'ব বিচাৰো যে, দুৰ্নীতিমুক্ত অসম এইটো কেৱল শ্লো'গান হ'ব নোৱাৰে। ইয়াৰ কাৰণে নিৰন্তৰ প্ৰচেষ্টা দৰকাৰ। বহু প্ৰত্যাহ্বান আহে। যিসকল এ চি এচ অফিচাৰ, আজি বৰ্খাস্ত কৰিছো আমি আনন্দিত নেকি? এই কাৰণে বৰ্খাস্ত কৰিব লগা হৈছে, সেইসকলক যদি আমি cash for job টকা- পইচা দিলেই চাকৰি। এই বাতাৱৰণটো যদি চলি থাকিব লগা হয়, কি অৱস্থা হ'ব ৰাজ্যখনত। দুখীয়া মানুহে চিৰদিনৰ কাৰণে আশা বাদ দিব আৰু উঠি অহা ডেকাশক্তিয়ে কি কৰিব? তেখেত সকলে মূল পথৰ পৰা বিচলিত হৈ, তেখেতসকলে ক'ব যে, এই ব্যৱস্থাই আমাক মৰ্য্যদা দিব নোৱাৰে, এই ব্যৱস্থাই আমাক দুবেলা দুমুঠি সন্মান সহকাৰে প্ৰদান কৰিব নোৱাৰে। গতিকে এই ব্যৱস্থাৰ ওপৰত আমাৰ আস্থা নাই। ভয়ানক হ'ব সমাজ ব্যৱস্থা। গতিকে সেইবাবে দুৰ্নীতিৰ বিৰুদ্ধে লোৱা পদক্ষেপ সমূহৰ যোগেদি আজি মই বিভিন্ন ঠাইলৈ গৈছো। বিশ্ববিদ্যালয়ত গৈছো, কলেজ

গৈছো, ছাত্ৰ-ছাত্ৰী সকলৰ লগত মত বিনিময় কৰোঁ, তেতিয়া তেখেত সকলে কৈছে যে, আপোনালোকৰ এতিয়া আমাক জীয়াই থকাৰ এটা নতুন পথৰ সন্ধান দিছে, আশা দিছে। We are happy এতিয়া আমি কষ্ট কৰি মা-দেউতাই আমাক কৈছে যে, এতিয়া চিন্তা কৰিব নালাগে। কোৰ কোডাল মৰা পৰিয়ালৰ ল'ৰা-ছোৱালীও আজিৰ তাৰিখত নিযুক্তি পাইছে। কোনোবাই সাধাৰণ এখন দোকান দি ঘৰ পৰিচালনা কৰা পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে নিযুক্তি পাইছে। গতিকে এই যে, বিশ্বাসটো ঘূৰাই অনাতো আমাৰ হিমালয় সদৃশ দায়িত্ব আছে। মাজতে এইটো একেবাৰে নাইকিয়া হৈ গৈছে। মোৰো ভাবিব নোৱাৰাকৈ সেই সময়ত মই বিভিন্ন জনপ্ৰতিনিধি হিচাপে কাম কৰিছিলো। কিন্তু কি হ'ব সমাজখন আৰু সেই সময়ত আপোনালোকৰ দায়িত্ব আছিল, কথাটো ইমান গুৰুত্ব নিদিলে। We have never treat this on the top of the priority agenda. এইবিলাক প্ৰাথমিক কাম। এইবিলাক কাম ঠিক কৰি নল'লে কেনেধৰণে দেশ চলাব। আমিতো কেৱল আঁচনি, বিভিন্নধৰণৰ হিতাধিকাৰী দি দেশ চলাব অহা নাই। হিতাধিকাৰী আঁচনি লাগিব। এই কাৰণেই লাগিব তেখেতসকলক উৎসাহিত কৰিব লাগিব, চৰকাৰৰ এইখিনি দায়িত্ব। আজি মহিলা আত্ম সহায়ক গোটক আমি যিখিনি পইচা দিছো, আপোনালোকে শুনি ভাল পাব। মহিলা আত্ম সহায়ক গোট এতিয়া উপাৰ্জনৰ ক্ষেত্ৰত স্বাৱলম্বী হৈছে। মহিলা আই সকলে কি কৈছে, অলপতে মই পৰ্য্যালোচনা কৰিছো। Assam State Rural Livlihood Mission. ৫৮ হাজাৰ মহিলা আত্মসহায়ক গোটে তেখেত সকলৰ উৎপাদিত সামগ্ৰী বজাৰত বিক্ৰী কৰি ৯১৫ কোটি টকা ব্যৱসায় কৰিবলৈ সক্ষম হৈছে একবছৰত। This is the women empowerment. পূৰ্বতে ধাৰণা কি আছিল। পূৰ্বতে এনেকুৱা এটা মেচেজ গৈছিল, মধ্যভোগীক পইচা দিব লাগে, মহিলা আত্মসহায়ক গোটে, ধৰক ১০ হাজাৰ পায়, তাৰে ৫ হাজাৰ মধ্যভোগীক দিব লাগে। সেই কাৰণে মহিলা আত্ম সহায়ক গোটে এটাই মেচেজ পাইছিল। এতিয়া ২৫ হাজাৰকৈ পায় আৰু আমি তেখেত সকলক কওঁ, এইখিনি কাম আপোনালোকে সদ্ ব্যৱহাৰ কৰিব আৰু এইখিনি সদ্ ব্যৱহাৰ কৰিলে আৰু অধিক পইচা দিয়া হ'ব আৰু আপোনালোকৰ স্বাভিমানটো, আত্মসন্মানটো ৰক্ষা কৰাৰ বাবে এইকেইটা পইচা চৰকাৰে আপোনালোকৰ হাতত অৰ্পণ কৰিছে। সদ্ ব্যৱহাৰ কৰক। ইয়াৰ যোগেদি এনেধৰণৰ আদৰ্শ প্ৰতিষ্ঠা কৰক যাতে ভৱিষ্যতৰ প্ৰজন্মই আপোনাৰ পথ কেই অনুকৰণ কৰি জীয়াই থকাৰ প্ৰৱণতা বৃদ্ধি কৰে আৰু আজি অসমত সেই পৰিৱেশ সৃষ্টি হৈছে। গতিকে মূল্যবোধটো ভাবিব নোৱাৰাকৈ এখন সমাজক শান্তি প্ৰদান কৰে, মৰ্য্যদা প্ৰদান কৰে, শ্ৰদ্ধাভক্তি গঢ় দিয়ে। মূল্যবোধ মানে এই কৰ্মত মূল্যবোধ, চিন্তাত মূল্যবোধ। গতিকে যোৱা দিন বিলাকত এইখিনি কাম মই দেখিলো। মোৰ সতীৰ্থ সকলৰ সৈতে যেতিয়া আমি মিলি এইবিলাক কামত অগ্ৰসৰ হ'লো, ইয়াৰ পৰা বহু সফলতাৰ বতৰা আহিছে। There are so many people writting so many successor in this team. আজি অসমত কৃষিখণ্ডত উচ্চ শিক্ষিত ডেকাশক্তি আগুৱাই আহিছে। মোৰ ভাল লাগিছে। বহুত ফাৰ্ম মই ভ্ৰমণ কৰিছো। গাহৰি উৎপাদনেই হওঁক, শাক-পাচলিয়েই হওঁক, ফলমূলেই হওঁক, ঔষধেই হওঁক, চাহেই হওঁক আৰু বিভিন্ন বাঁহ-বেতৰ বিভিন্ন ধৰণৰ সামগ্ৰীবোৰ উৎপাদন কৰি তাত value edition কৰিছে। মূল্য সংযোজন কৰি আজি বজাৰত তেখেতসকলে উৎপাদনৰ সামগ্ৰীবিলাকৰ চাহিদা বৃদ্ধি কৰিছে। গতিকে সমগ্ৰ অসমতে এটা জাগৰণ সৃষ্টি হৈছে। জাগৰণটো এইকাৰণেই সম্ভৱ হ'ল যে, এই চৰকাৰখনে honestly কাম কৰিছে। এইখন চৰকাৰে সততাৰে কাম কৰিছে, এইখন চৰকাৰৰ চিন্তাত দূৰ্নীতি নাই। গতিকে সেইবাবে আজি আপোনালোকে এই সুফলৰ পৰা লাভান্বিত হৈছে।

আপোনালোকৰ সমষ্টিত নিশ্চিত তেনেধৰণৰ বাতাবৰণ প্ৰত্যক্ষ কৰিছে। আজি অসমত খেতিয়ক সকলে অতদিনে, খেতিয়ক বুলি ক'লে সাধাৰণতে সমাজখনে সন্মান নিদিয়ে। আগতে কৃষিখণ্ডত কিয় ডেকাশক্তিয়ে আত্মনিয়োগ কৰা নাছিল। তেওঁলোকে ভাৱে যে মোৰ দেউতাই খেতি কৰে, দেউতাক দেখোন পঞ্চায়তৰ চেক্ৰেটাৰীজনে সন্মান নকৰে। বি ডি অ', চাৰ্কোল অফিচাৰ তো বাদেই আৰু কোনোবা পঞ্চায়তত যদি চেক্ৰেটাৰীক লগ কৰিব যায়, ঘণ্টাৰ পাছত ঘণ্টা বাহিৰত অপেক্ষা কৰি থাকে। হাততেই আবেদনখন থাকে জীৱনত কোনেও নাচায়। সেই পৰ্য্যায়ত আছিল খেতিয়কৰ position। মই নিজেই ভিয়েটনামলৈ যাওঁতে মই কেৱল মন্ত্ৰী বিধায়কক লগত লৈ যোৱা নাই। শ্ৰীঅতুল বৰা ডাঙৰীয়া আছে, মই ক'লো লগত খেতিয়ক লৈ যাম। ভিয়েটনামৰ success টো আপোনালোকে জানে। যোৱা ৩০ বছৰৰ আগত কি আছিল, আজি কি হ'ল। বিশ্বৰ কৃষিখণ্ডত ৰপ্তানি কৰাৰ ক্ষেত্ৰত উল্লেখযোগ্য স্থান দখল কৰিছে ভিয়েটনামে। আমাৰ দৰে জলবায়ু, জলৰাশি ইত্যাদি ইত্যাদি। কিন্তু তাত এই কথা স্বীকাৰ কৰিব লাগিব। মাননীয় প্ৰাক্তন প্ৰধান মন্ত্ৰী ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াই প্ৰধান মন্ত্ৰী হৈ থাকোতে তালৈ গৈ ভিয়েটনামৰ ৰাইজক ক'লে যে, আপোনালোকৰ ইয়াত বহুত সম্ভাৱনা আছে, কৃষিখণ্ডত। আপোনালোকে আত্মনিয়োগ কৰক আৰু আপোনলোকৰ ডেকা শক্তিক কৃষি বৈজ্ঞানিক হিচাপে গঢ় দিয়াত আমি দায়িত্ব ল'ম। তাৰপাছত, তাৰপৰা ডেকাশক্তিক লৈ পোচাত ট্ৰেইনিং দিলে, শিক্ষিত কৰিলে আৰু তেখেত সকলে গৈ খেতিয়ক আৰু কৃষি বৈজ্ঞানিকৰ বিহিত প্ৰচেষ্টাৰে আজি ভিয়েটনামক বিশ্বই মানচিত্ৰত জিলিকাই পেলালে। আপোনালোকে শুনি ভাল পাব সাতটা কৃষিখণ্ডত তেখেতসকলৰ উৎপাদিত সামগ্ৰীৰ যোগেদি আজিৰ তাৰিখত তেখেতসকলে বিশ্বত এই সামগ্ৰী ৰপ্তানি কৰি 36 U.S Billion Dolar উপাৰ্জন কৰায়, সেই বাবে মই তালৈকো গৈছো। আমাৰ যিসকল খেতিয়ক নিজৰ প্ৰচেষ্টাত অসমৰ বুকুত সফলতাৰ কাহিনী ৰচনা কৰিছে, ১৪ গৰাকীৰ তাত ৪ গৰাকী মহিলাক লগত লৈ গৈছো। তেখেতসকলক মই ক'লো, আপোনালোকক লগত এই কাৰণেই লৈ আহিছো,আপোনালোকে শিকক। আপোনালোকে বাস্তৱায়িত কৰিব। আপোনালোকে কেচামাটিৰ সৈতে পবিত্ৰ সম্বন্ধ গঢ় দিছে। গতিকে আপোনালোকে বুজি পায়, কৃষি কি বস্তু, উৎপাদন কি বস্তু, বজাৰ কি বস্তু। সেইবাবে তেখেত সকলক লগত লৈ গ'লো আৰু তেখেত সকলক লৈ যোৱাৰ পিছত আজি সমগ্ৰ অসমতে এটা বাৰ্তা গ'ল। This Government is always praying respect to the fermers. This Government is a farmers friendly Government .এই বাৰ্তা যোৱাৰ পিছত আজি বহু উচ্চ শিক্ষিত ডেকা গাভৰুৱে আজি কৃষি খণ্ডত আত্মনিয়োগ কৰিছো। সফলতা অৰ্জন কৰিছে। আপোনালোকে শুনি ভাল পাব আমাৰ কাৰ্য্যকালত অসমৰ ডেকা গাভৰুৱে খেতিত উৎপাদন কৰা সামগ্ৰী বিদেশৰ বজাৰত আজি প্ৰভূত্ব বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। তাৰ কাৰণে আমি ব্যৱস্থাও কৰিছো। Cargo Terminal ইতিমধ্যে বৰঝাৰ এয়াৰপোৰ্টত প্ৰতিষ্ঠা কৰিছো আৰু মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই আমাৰ এই সন্দৰ্ভত থকা, এইক্ষেত্ৰত থকা শক্তি সম্ভাৱনা প্ৰত্যক্ষ কৰি আজি Spicejet Airlines ক উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতিখন ৰাজ্যক যাতে Cargo Flight যোগান ধৰি ইয়াৰ উৎপাদিত সামগ্ৰী দেশ-বিদেশলৈ প্ৰদান কৰিব পাৰে, এই ব্যৱস্থা প্ৰৱৰ্ত্তন কৰিছে। তাৰ বাবে মই মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াক বিশেষভাৱে ধন্যবাদ জনাইছো। আপোনালোকে যোৱা কালি প্ৰশ্ন কৰিছে প্ৰাদেশীকৰণৰ বিষয়টো স্পৰ্শকাতৰ বিষয়। এইটো আমি অস্বীকাৰ কৰা নাই। আজি যিখন আইন প্ৰণয়ন কৰিছো। আইনৰ আধাৰত যিবিলাক বিদ্যালয়ত ধাৰাসমূহ পূৰণ কৰিছে, তেখেতসকলক আঁকোৱালি লোৱা হ'ল,

কিছুমান ৰৈ গ'ল, সঁচা। কিন্তু এইবিলাক আমি বিবেচনা কৰিম। আমি এইবিলাক বাদ নিদিও। সেই কাৰণে যিসকলে এইক্ষেত্ৰত আন্দোলন কৰি আছে, মই তেখেতসকলক এই কথাটো অত্যন্ত নিষ্ঠাৰে ক'ব বিচাৰো যে, তেখেতসকলে চিন্তা কৰিব নালাগে। চৰকাৰে গোটেই বিষয়টো পৰীক্ষা-নিৰীক্ষা কৰি আছে। আজি বিনামূলীয়া শিক্ষা, পাঠ্যপুথি, নামভৰ্ত্তি এইবিলাক প্ৰৱৰ্ত্তন কৰাৰ প্ৰাকমূহুৰ্তত আমি কি কৰিছো, আমি গুণোৎসৱ আয়োজন কৰিছো Quality Education. মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই সদায় কয়, যুগৰ পৰিৱৰ্তন হৈছে। যুগটোত আজি বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰভাৱ শক্তিশালী ৰূপত গঢ় লৈ উঠিছে। মানুহে বিজ্ঞান আৰু প্ৰযুক্তিক বাদ দি এতিয়া উৎপাদনৰ কথা ভাবিব নোৱাৰে। নিজক empower কৰাৰ কথাটো ভাবিব নোৱাৰো, Capacity Building ৰ কথাটো ভাবিব নোৱাৰে। গতিকে বিজ্ঞান আৰু প্ৰযুক্তিৰ আপুনি আশ্ৰয় ল'বই লাগিব, সহায় লবই লাগিব।

আজিৰ যুগটো যিহেতু প্ৰতিযোগিতামুখী। এই যুগত অসমৰ ছাত্ৰ-ছাত্ৰীসকলক উন্নত মানৱ সম্পদ হিচাপে গঢ় লোৱাৰ বাবে আমি তেখেতসকলক শিক্ষাৰ ক্ষেত্ৰত বিশেষ যত্ন ল'ব লাগিব। প্ৰতিখন ৰাজহুৱা সভাত আপোনালোকে মোৰ ভাষণ শুনিছে, পিতৃ- মাতৃ আৰু শিক্ষক শিক্ষয়ত্ৰী মই দুই মহাশক্তিক আহ্বান জনাইছো। চৰকাৰৰ ফালৰ পৰা বিনামূলীয়া নামভৰ্ত্তি, বিনামূলীয়া ইউনিফৰ্ম, জলপানী ইত্যাদি আমি দিছো। আমাৰ দায়িত্ব আমি পূৰণ কৰিছো। কিন্তু মূল দায়িত্বটো পালন কৰিব লাগিব পৰম শ্ৰদ্ধাৰ সেই ছাত্ৰ-ছাত্ৰীসকলৰ পিতৃ-মাতৃসকলে। দুই মহাশক্তিয়ে যদি আমাৰ ছাত্ৰ-ছাত্ৰীসকলক গুনগত শিক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰে তেতিয়া হ'লে এনেধৰণৰ মানৱ সম্পদ আমি আমাৰ শিক্ষা জগতৰ পৰা লাভ কৰিব পাৰিম। যি মানৱ সম্পদে বিশ্বৰ যিকোনো প্ৰান্তলৈ গৈ যোগ্যতাৰ ভিত্তিত নেতৃত্ব প্ৰদান কৰিব পাৰে। কাৰণ এইটো প্ৰতিযোগিতামুখী যুগ, We have to competitive to be the best is why quality human resource need to be produced , quality human resource need to be created in the Education system of Assam. otherwise we cann't think of competition আজি অসমৰ সম্পদ সম্ভাৱনা শক্তিৰ সন্দৰ্ভত ওকালতি কোনে কৰিব। অসমক আবিষ্কাৰ কোনে কৰিব। অসমৰ কেঁচা মাটিত থকা গুণৰাজি সন্দৰ্ভত কোনে বাখ্যা দাঙি ধৰিব। অসমৰ বায়ুমণ্ডলত থকা শক্তি সন্দৰ্ভত কোনে ব্যাখ্যা দাঙি ধৰিব। অসমৰ প্ৰাকৃতিক সম্পদৰ সন্দৰ্ভত কোনে ব্যাখ্যা দাঙি ধৰিব। ইয়াৰ বাবে আমাক কোৱালিটি এডুকেশ্যন লাগিব। আজি 'কৰোণা' ভাইৰাচৰ বিৰুদ্ধে যুঁজ দিওঁতে আমি বহুত কথা শিকিবলৈ বাধ্য হ'লো। সেই সময়ত আমি বুজি পালো অক্সিজেন কি বস্তু । অক্সিজেন কোনে দিয়ে। cylinder Oxyzen লৈ মানুহ জীয়াই থাকিব নোৱাৰে। তাৰ বাবে সেউজীয়া বাতাবৰণ অসমৰ বুকুত শক্তিশালী ৰূপত গঢ় দিব লাগিব। বনাঞ্চল বৃদ্ধি কৰিব লাগিব। যিবিলাকে জৈৱ বৈচিত্ৰ্যৰ বৃদ্ধি শক্তিশালী কৰে তেনে বনাঞ্চল বৃদ্ধি কৰাৰ কামত আত্মনিয়োগ কৰিব লাগিব। যাৰ কাৰণে প্ৰদূষণমুক্ত অসম নিৰ্মাণ কৰা যাত্ৰাত আত্মনিয়োগ কৰাৰ বাবে মোক পৰিমল শুক্লবৈদ্য ডাঙৰীয়াই কৈছে। তেখেতে কৈছে যে আমাৰ কাৰ্য্যকালত মই ১০ কোটি জোপা গছ ৰোৱাৰ কথা কৈছিলো। আজিৰ তাৰিখত এই কাম সম্পূৰ্ণ হ'ল। ফল, ফুল, ঔষধি, পাণ, কঁঠাল, লেটেকু ইত্যাদি যিবিলাক ট্ৰেডিশ্যনেল fruits আমাৰ ইয়াত হয়, সোণাৰু, এজাৰ, নাহৰ, তগৰ, বকুল, কৃষ্ণচুড়া, ৰাধাচুড়া ইত্যাদি যি ফুলে পখিলাক আকৰ্ষণ কৰে, যি ফল মূলত চৰাই চিৰিকটি আহি খাই বিষ্টা ত্যাগ কৰে তাৰ পিছত তাৰ পৰা আকৌ কীট-পতংঙ্গ বাহিৰ হৈ জৈৱ বৈচিত্ৰ্যৰ শক্তি বৃদ্ধি কৰে। প্ৰকৃতিৰ এই সুন্দৰ যিটো প্ৰক্ৰিয়া

এই কথাটো আমি উপলব্ধি কৰিব লাগিব। বায়ুমণ্ডল বিশুদ্ধ কৰিবৰ বাবে এই জ্ঞানখিনি আমি আহৰণ কৰিব লাগিব। নহ'লে আমাৰ গুৰুজনাই এনেয়ে কৈ যোৱা নাই- এক বৃক্ষ দহ পুত্ৰসম। গুৰুজনাই বিৰৱণীত উল্লেখ কৰিছে, বিৰৱণীত তাত ব্যাখ্যা কৰিছে। গতিকে ফল, ফুল, ঔষধি, আমলখি, শিলিখা, জলফাই , অমৰা ইত্যাদি এই তিনি প্ৰজাতিৰ গছ সমগ্ৰ অসমত ৰোৱাৰ ফলত আজি এটা বাতাবৰণ সৃষ্টি হৈছে। উঠি অহা ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ঠাইত গ'লে এটা গছৰ পুলি উপহাৰ হিচাপে দিয়ে। মই মাতৃ-পিতৃসকলোকো আহ্বান জনাইছো আপোনালোকে পুত্ৰ-কন্যাৰ জন্মদিনত কেৱল বিভিন্ন ধৰণৰ উপহাৰ দিয়াৰ লগতে এটাকৈ গছৰ পুলিও উপহাৰ দিব। গছ থাকিলেহে মানুহ থাকিব। তাহানিতে আমাৰ উপৰিপুৰুষে প্ৰকৃতি সংৰক্ষণৰ ক্ষেত্ৰত এই শক্তিশালী চেতনা প্ৰদান কৰি আহিছে। মাজতে বনাঞ্চল ধ্বংস কৰা কামত প্ৰবৃত্ত হোৱাৰ ফলত আমি যথেষ্ট বিপদত পৰিছিলো, কিন্তু এতিয়া আকৌ ইয়াক উদ্ধাৰ কৰা যাত্ৰা আৰম্ভ কৰাৰ বাবে প্ৰচেষ্টা চলোৱা হৈছে। আপোনালোকে শুনি নিশ্চয় ভাল পাব Forest Survey of India ৰ ৰাষ্ট্ৰীয় প্ৰতিবেদনত আমাৰ কাৰ্য্যকালত ২২২ বৰ্গ কি.মি বনাঞ্চল বৃদ্ধি হ'ল বুলি উল্লেখ কৰিছে। আমাৰ কাৰ্য্যকালতে মানাহত বাঘৰ সংখ্যা বৃদ্ধি হ'ল। কাজিৰঙাত গড় সুৰক্ষিত হ'ল। চোৰাং চিকাৰীৰ দপদপনি স্তব্ধ হ'ল। কাজিৰঙাৰ বেদখলো মুক্ত কৰা হ'ল। এনেধৰনে আমি আমাৰ বনাঞ্চল সুৰক্ষিত কৰাৰ বাবে শক্তিশালী পদক্ষেপ লোৱাৰ ফলত আজি অসমৰ বুকুত প্ৰকৃতিৰ প্ৰতি মানৱ সমাজৰ দায়িত্ব আৰু কৰ্ত্তব্য সন্দৰ্ভত এটা শক্তিশালী চেতনা গঢ় লৈ উঠিছে। এই পৰ্য্যায়লৈ আমি ৰাজ্যখন গঢ় দিব লাগিব কাৰণ ভগবানে আমাক যিখন ৰাজ্য উপহাৰ দিছে য'ত আমাৰ জন্ম হৈছে চৌদিশে আমি অধ্যয়ন কৰি লৈ বুজি লোৱা উচিত আমি কেনেধৰণে ইয়াত জীৱন নিৰ্ব্বাহ কৰিব লাগিব। এইখন মৰুভূমি নহয়, মৰুভূমিত জীৱন নিৰ্বাহ কৰাৰ পদ্ধতি বেলেগ।আমাৰ ইয়াত জীৱন নিৰ্বাহ কৰাৰ পদ্ধতি সুকীয়া । গতিকে প্ৰকৃতিৰ সৈতে মিলাপ্ৰীতিৰে সহাৱস্থান আমি কৰিবই লাগিব। গতিকে সেই লক্ষ্যত প্ৰদূষণমুক্ত অসম, সেই যাত্ৰাত আমি সফলতা অৰ্জন কৰিম। ইয়াৰ ওপৰিও আমি সন্ত্ৰাসমুক্ত অসমৰ যেতিয়া প্ৰথম আহ্বান আমি দিছিলো যিটো আপোনালোকৰ আৰম্ভণিতে আচহুৱা যেন লাগিছিল কিন্তু আজিৰ তাৰিখত সেইটো বাস্তবায়িত হ'ল। এন ডি এফ বিৰ চাৰিওটা গোটে , তেখেতসকলে হিংসাৰ পথ পৰিহাৰ কৰি ভাৰতৰ পবিত্ৰ সংবিধানৰ ওপৰত বিশ্বাস আৰু আস্থা ৰাখি, অস্ত্ৰ ত্যাগ কৰি আজি মূল সুঁতিলৈ ঘূৰি আহিছে। বি টি আৰ চুক্তিৰ যোগেদি আজি বড়ো ভূমিত শান্তি প্ৰতিষ্ঠা হ'ল। অত দিনে অসম আৰু উত্তৰ পূৰ্ব্বাঞ্চলৰ এটা বদনাম আছিল ভাৰতবৰ্ষৰ বুকুত। এই অঞ্চলটো কেৱল বম ব্লাষ্ট, কিডনেপিং, কিলিং তাৰ বাহিৰে ইয়াত বেলেগধৰনৰ উন্নয়ণৰ চিন্তা ৰাইজে নকৰে। তেনেধৰণৰ এটা ধাৰণা আছিল ঋণাত্মক চিন্তা আছিল ভাৰতৰ অন্যান্য প্ৰান্তত । কিন্তু তেখেতসকলৰ দৃষ্টিভঙ্গী সলনি কৰাৰ যাত্ৰাত আমি যেনেধৰণে শক্তিশালী পদক্ষেপ ল'লো তাৰ বাবে আজি ইনভেষ্টৰ আহিছে। এইখন অসমত জাপানৰ দৰে পৃথিৱীৰ আটাইতকৈ আগৰণুৱা ৰাষ্ট্ৰই ইনভেষ্ট কৰাত স্পষ্টভাবে দৃষ্টিভঙ্গী ব্যাখা কৰিছে। আমি ১০ ডিচেম্বৰ ২০১৯ তাৰিখে জাপানৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াক স্বাগতম জনাবৰ বাবে সকলোধৰণৰ প্ৰস্তুতি চলাইছিলো আপোনালোকে দেখিছে। সেই সময়ত কোনে কি পৰিস্থতিৰ সৃষ্টি কৰিলে আপোনালোকেও দেখিলে ফলত জাপানৰ প্ৰধানমন্ত্ৰী গৰাকীৰ ভ্ৰমণ বাতিল হ'ল। সেই সময়তে তেখেতেসকলে আমাৰ উদ্যোগ বিভাগৰ সৈতে বিভিন্ন সময়ত আলাপ আলোচনা কৰি ইচ্ছা প্ৰকাশ কৰিছিল। অসমত প্ৰায় ৩০ হাজাৰ কোটি টকা ইনভেষ্টমেন্ট কৰাৰ বাবে তেখেতসকলে ইচ্ছা প্ৰকাশ কৰিছিল। সেই কথাটোকে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ সৈতে আহি এই অসমত ঘোষণা কৰাৰ কথা

আছিল কিন্তু যি কি নহওঁক - আমাৰ ছয়গাওঁ সমষ্টিৰ নগৰবেৰাত ইতিমধ্যে তেখেতসকলৰ পৰা আগজাননী পোৱাৰ বাবে আমাৰ উদ্যোগ বিভাগে গৈ আমাৰ স্থানীয় ৰাইজৰ লগত মিলি ২০০০ বিঘা মাটি সংৰক্ষণ কৰা হ'ল। ডাঙৰ লজিষ্টিক পাৰ্ক লগতে মেনুফেকচাৰিং ইউনিট যি কি নহওক এতিয়া এটা শুভ বাৰ্ত্তা আহিছে। অহা ১৫ তাৰিখে জাপানৰ এম্বেচেডৰ গৰাকী আহিব আমাৰ মাননীয় বৈদেশিক মন্ত্ৰী এচ জয় শংকৰ ডাঙৰীয়াৰ সৈতে গতিকে আমি তেনেধৰণে অসমৰ বুকুত উদ্যোগীকৰণ কৰাৰ বিষয়টো আগুৱাই নিয়াৰ প্ৰয়াস কৰিছো। আজি অসমত শান্তি প্ৰতিষ্ঠা হোৱাৰ বাবে আপোালোকে শুনি ভাল পাব যে এই নুমলীগড় ৰিফাইনেৰী অসম চুক্তিৰ আধাৰত প্ৰতিষ্ঠিত। কিন্তু খাৰুৱা তেলৰ অভাৱৰ বাবে মৃত্যুমুখী যাত্ৰা আৰম্ভ হৈছিল। ইয়াৰ উৎপাদন শক্তি ৩.৫ মিলিয়ন তাৰ পিছত অইল ইণ্ডিয়া আৰু ও এন জি চি দুয়োটা আপষ্ট্ৰিম কোম্পানী, এক্সপ্ল'ৰিঙ চেক্টৰত কাম কৰে আপোনালোকে জানে। নৱৰত্ন কোম্পানীৰ এটা মহাৰত্ন। দুয়োটা কোম্পানীৰ উৎপাদন শক্তি হ্ৰাস পোৱা বাবে নুমলীগড় ৰিফাইনেৰী খাৰুৱা তেলৰ অভাবৰ বাবে মৃত্যুমুখী যাত্ৰা আৰম্ভ হৈছে। এই কথাষাৰ উপলব্ধি কৰি নৰেন্দ্ৰ মোদী ডাঙৰীয়াই সুদূৰ উৰিষ্যাৰ বঙ্গোপ সাগৰৰ দাঁতিত পাৰাদ্বীপৰ পৰা পাইপলাইন ডেভল'প কৰি নুমলীগড়লৈ আনি বাহিৰৰ পৰা imported Crude আনি ইয়াৰ প্ৰডাকশ্যন কেপাচিটি ৩.৫ মিলিয়নৰ পৰা ৯ মিলিয়ন টনলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে। ইয়াৰ কাৰণে ৰাজ সাহায্যৰ ধন ২৩ হাজাৰ কোটি টকা ব্যয় কৰাৰ কাম আৰম্ভ হৈ গৈছে। তাৰ পিছত বঙাইগাওঁ ৰিফাইনেৰীৰ বাবে 'লাভা ক্ৰইড' imported Crude যোগেদি চলি আছিল । আমাৰ ইয়াত লোকেল প্ৰডাকশ্যন নাই। সেই ৰিফাইনেৰীটো অধিক লাভজনক কৰাৰ বাবে মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই ২.৫ মিলিয়নৰ পৰা ৫ মিলিয়ন টনলৈকে বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে আৰু ইয়াৰ বাবে ব্যয় হ'ব প্ৰায় ১০ হাজাৰ কোটি টকা । তাৰ পিছত গেছ পাইপ লাইন বাৰাউনিৰ পৰা গুৱাহাটীলৈ , আগতে কি আছিল আগতেতো আমি এটা সময়ত আন্দোলন কৰিছিলো যে, 'তেজ দিম তেল নিদিওঁ' কিন্তু এতিয়া কথাটো কিমান ট্ৰেন্সফৰ্ম হৈ গ'ল চাওঁক। আজি মোদী ডাঙৰীয়াই অসম তথা উত্তৰ পূৰ্ব্বাঞ্চলক আন্তৰিকতাৰে গ্ৰহণ কৰি ইয়াৰ ক্ষিপ্ৰ উন্নয়ণৰ বাবে যিটো মহৎ চিন্তা আজি তেখেতে ইয়াত প্ৰয়োগ কৰিছে। ইয়াৰ ফলত নানা ধৰণৰ কাৰ্য্যসূচী সম্ভৱ হৈছে। আজি তেখেতৰ প্ৰচেষ্টাতে ৫৫০০ কোটি টকা ব্যয় সাপেক্ষে বাৰাউনিৰ পৰা গুৱাহাটীলৈ গেছ পাইপ লাইনৰ কাম আৰম্ভ হৈছে। ইয়াৰ লগতে North East Gas Grid ইন্দ্ৰধনুৰ ইয়াৰ যোগেদি ৯৭০০ কোটি টকা ব্যয় কৰি উত্তৰ পূৰ্ব্বাঞ্চলৰ প্ৰতিখন ৰাজ্যলৈ গেছ হস্তান্তৰ কৰা হ'ব। গতিকে আগন্তুক দিনত গেছ ভিত্তিক উদ্যোগে অসমত আৰু কেতিয়াও অসুবিধাৰ সন্মুখীন নহয়। ইয়াৰ কাৰণে সুৰক্ষিত হ'ব Thermal Project, অসমৰ চাহ বাগিছাবিলাক, Fertilizer Unit, BCPL এনেধৰণে গেছ ভিত্তিক যিমান উদ্যোগ প্ৰতিষ্টান ইত্যাদি আজি অসমত আছে আগন্তক দিনৰ বাবে সুৰক্ষিত হৈ থাকিব। গতিকে প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ কিমান সুদূৰপ্ৰসাৰী চিন্তা। তেখেতে বুজি পাইছে যে অসমৰ উদ্যোগ খণ্ডক জীয়াই ৰাখিবলৈ হ'লে ইন্ধন যোগান ধৰিব লাগিব আৰু এই ইন্ধনটো হৈছে Natural Gas যাৰ ফলত অসমৰ উদ্যোগ জগতখনে আজি প্ৰাণ পাই উঠিছে। আপোনালোকে শুনি ভাল পাব অসম চুক্তিৰ ভিত্তিত প্ৰতিষ্ঠা হোৱা Assam Gas Cracker প্ৰকল্পৰ কাৰণে ফিড ষ্ট'ক ৬৫০০ কোটি টকা অহা ১৫ বছৰৰ কাৰণে মাননীয় মোদী ডাঙৰীয়াই আগবঢ়াইছে। Advantage Assam Global Investors Summit, 2018 Guwahati , 3rd & 4th February এই সন্দৰ্ভত মানুহে কৈছিল যে, অসমত ক'ত ইনভেষ্টৰ আহিব, ইয়াত এইবিলাক কি পাতিছে? কিন্তু মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ

ওচৰলৈ গৈছিলো, গৈ ক'লো যে, উত্তৰ পূৰ্ব্বাঞ্চলৰ কোনো ৰাজ্যই আজিলৈকে এনেধৰণৰ “বিশ্ব বিনিয়োগ মেলা বা সন্মিলন” আয়োজন কৰা নাই। ইনভেষ্টৰ বা ডাঙৰ ডাঙৰ কোম্পানীবিলাক ইয়াত আহিব জানো। তেতিয়া মোদী ডাঙৰীয়াই আমাক কৈছিল যে Go ahead I am with you. তাৰ পিছত আমি আয়োজন কৰিলো। আমি Road Show Organise কৰিলো, আমেৰিকা, কানাডা, ইংলেণ্ড, বাংলাদেশ ইত্যাদি ইত্যাদি । আমাৰ সতীৰ্থ মন্ত্ৰীসকল গ'ল, সাংসদসকলো গ'ল। লগতে ভাৰতবৰ্ষৰ ডাঙৰ ডাঙৰ দুখন চহৰত ময়ো গৈ আমন্ত্ৰণ জনাই আহিলো। শুনি ভাল পাব আপোনালোকে, সেই বিশ্ব বিনিয়োগ সন্মিলনৰ শুভ উদ্বোধন কৰিলে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই- ভাৰতৰ বহু সংখ্যক কেন্দ্ৰীয় মন্ত্ৰীৰ উপস্থিতিত আৰু ভাৰতবৰ্ষৰ আটাইতকৈ মুধা-ফুটা উদ্যোগী যিসকলক আপোনালোকে ক'ব পাৰে মহাৰত্ন বুলি সেইসকলৰ উপস্থিতিত সেই দুদিনীয়া কাৰ্য্যসূচীৰ সন্মিলন সফল হ'ল। তাত ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডত বুজাবুজিৰ চুক্তি হ'ল মুঠ ২৪০ খন। ব্যক্তিগত আৰু ৰাজহুৱা খণ্ড দুয়োটা খণ্ডতে আমি প্ৰতিশ্ৰুতি লাভ কৰিলো ৭৯০০০ কোটি টকাৰ ইনভেষ্টমেন্ট। এই সংখ্যাটো যেতিয়া কাকতত প্ৰকাশ পালে বহুতে সন্দেহ প্ৰকাশ কৰিছিল যে ক'ত হ'ব ইমান ইনভেষ্টমেন্ট । এইবিলাক প্ৰতিশ্ৰুতি কাগজৰ পাতত আবদ্ধ হৈ থাকে। মই যিটো সংখ্যা আপোনালোকক ক'লে যে ব্যক্তিগত আৰু ৰাজহুৱা - Hydreo Carbon Sector তে ৪২,০০০ কোটি টকা বিনিয়োগ হ'ল আৰু সৰ্ব্বমুঠ ৫৫,০০০ কোটি টকা লেণ্ডিং হ'ল, out of 79,000 Crore. সেয়েহে ক'ব পাৰি কিবা এটা কাম কৰাৰ বাবে সদিচ্ছাৰ দৰকাৰ। আপোনাৰ যদি মন পৰিষ্কাৰ হৈ থাকে- আপুনি যিকোনো কাম বলিষ্ঠতাৰে আৰু নিৰ্ভীকতাৰে সন্মুখীন হ'ব পাৰে। আজি আমাৰ চৰকাৰখনে এই দৃঢ়তা প্ৰদৰ্শন কৰাৰ বাবে উদ্যোগীসকলৰ মনত আত্মবিশ্বাস জাগি উঠিছে। তেখেতসকলে এতিয়া চেষ্টা কৰিছে যে অসমক Investor Friendly State হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত তেখেতসকলৰ তৰফৰ পৰা উল্লেখযোগ্য বৰঙনি থাকিব। মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই আমাক কৈছিল - উত্তৰ পূৰ্ব্বাঞ্চলৰ ৰাইজৰ বাবে মই এটা সুবৰ্ণ সুযোগ প্ৰদান কৰিছো। কংগ্ৰেছ চৰকাৰৰ কাৰ্য্যকালত আছিল " Look East Policy. " That was confine within the announcement only not been transform into excess. মোদী ডাঙৰীয়াই ক'লে যে নহয় Look East - কেৱল পূবলৈ চাই থাকিলে নহ'ব। ইয়াক Act East লৈ transform কৰিব লাগে। Act East ক তেখেতে আকৌ ক'লে যে - the articulate Act is into Exceed. সেই পৰ্য্যায়লৈকে তেখেতে দৃঢ়তা প্ৰদৰ্শন কৰা বাবে আজি দক্ষিণ পূব এচিয়াত অসম তথা অন্যতম শক্তিশালী কেন্দ্ৰ হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত Vision developed কৰিলে। তেখেতে বাৰে বাৰে কৈ আছে - ভাৰতবৰ্ষৰ বুকুত অসমক তথা উত্তৰ পূৰ্ব্বাঞ্চলক অষ্টলক্ষ্মী হিচাপে গণ্য কৰে। আধুনিক ভাৰতৰ অৰ্থনৈতিক বুনিয়াদ শক্তিশালী কৰাৰ ক্ষেত্ৰত উত্তৰ-পূৰ্ব্বাঞ্চলে মূল ইঞ্জিনৰ ভূমিকা পালন কৰিব লাগিব। কিমান গুৰু দায়িত্ব দিছে আমাৰ কান্ধত। এই কথাটো আমি সকলো জনপ্ৰতিনিধিয়ে উপলব্ধি কৰিব লাগিব। কাৰণ ভবিষ্যতৰ প্ৰজন্মক আমি সংস্থাপিত কৰিব লাগিব। বিশ্ব জয় কৰাৰ বাবে উদ্‌গণি দিব লাগিব, সংকল্প প্ৰদান কৰিব লাগিব। শক্তি প্ৰদান কৰিব লাগিব। মানসিক শক্তি, বৌদ্ধিক শক্তি, সাংস্কৃতিক শক্তি, মানবীয় শক্তি প্ৰদান কৰিব লাগিব। এই শক্তি অস্ত্ৰ লৈ বিশ্ব জয় কৰাৰ বাবে অসমৰ সন্তানে, বৰাক - ব্ৰহ্মপুত্ৰ পাহাৰ - ভৈয়ামৰ সন্তানে দৃঢ়তাৰে, মৰ্য্যদা সহকাৰে নিজৰ মাতৃভূমিক বিশ্বত প্ৰতিষ্ঠা কৰিব লাগিব, ভাৰতবৰ্ষক প্ৰতিষ্ঠা কৰিব লাগিব। গতিকে সেই লক্ষ্যৰে আগবাঢ়ি যোৱাৰ বাবে প্ৰয়াস কৰা হৈছে। এতিয়া আপোনালোকে নিজে দেখিছে যোগাযোগৰ

ক্ষেত্ৰত, Udan International- Udan domestic ৰ অধীনত ‘ৰূপসী এয়াৰপোৰ্ট’ সম্পূৰ্ণ হৈ গ’ল। অলপ দিনৰ ভিতৰতে উৰাজাহাজ চলিব। ASIAN and BVIAN - বাংলাদেশ, ভূটান, ইণ্ডিয়া আৰু নেপাল- এই কেইখন বিভিয়ান ফেমিলি- the other Family close to us is ASIAN- আচিয়ানৰ ১০ ৰাষ্ট্ৰ- ম্যানমাৰ, থাইলেণ্ড, লাওঁচ, কম্বোডিয়া, ব্ৰুণেই, ভিয়েটনাম, ছিঙ্গাপুৰ, ফিলিপাইন, মালয়েছিয়া, আৰু ইণ্ডোনেচিয়া। এই ১০ খন আৰু ৩ খন ৰাষ্ট্ৰ লৈ মুঠ ১৩ খন ৰাষ্ট্ৰ আমাৰ কাষত আছে। That is the bigest advantage for us. ইয়াত সৰ্ব্বমুঠ ৮০ কোটি মানুহ বসবাস কৰে। ৮০০ মিলিয়ন মানুহ- this is bigest market for our producers গতিকে আমি এনেধৰণৰ মানৱ সম্পদ ইয়াৰ পৰা উৎপাদন কৰিম যি মানৱ সম্পদে গৈ সমগ্ৰ দক্ষিণ পূব এচিয়া দখল কৰিব, প্ৰভাৱ বিস্তাৰ কৰিব। আমাৰ খেতিয়কে এনেধৰণে উৎপাদন কৰিব, মূল্য সংযোজন কৰি বিভিন্ন সামগ্ৰী উৎপাদন কৰিব, আমাৰ বজাৰৰ চাহিদা বৃদ্ধি হ’ব। এনেধৰণে আমাৰ বৈজ্ঞানিকে যাব লাগিব, উদ্যোগীয়ে যাব লাগিব, ক্ৰীড়াবিদে যাব লাগিব, শিল্পীয়ে যাব লাগিব, খেতিয়কে যাব লাগিব, ব্যাৱসায় বাণিজ্যৰ লগত জড়িত ব্যক্তিয়ে যাব লাগিব সেয়েহে যোগাযোগ আৰু যাতায়াত ব্যৱস্থা শক্তিশালী কৰাৰ বাবে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই বিশেষ গুৰুত্ব প্ৰদান কৰিছে। Udan International ত আজি গুৱাহাটী- ছিঙ্গাপুৰ, গুৱাহাটী-থাইলেণ্ড, গুৱাহাটী-বাংলাদেশ, গুৱাহাটী-থিম্ফু এনেধৰণে আজি আমাক সুবিধা প্ৰদান কৰিছে। কেৱল অৰ্থনৈতিক ভাবে নহয় আজি আমাৰ সাংস্কৃতিক চিন্তা চৰ্চাবিলাকো ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত মৰ্য্যদা দিয়া হৈছে। লোকপ্ৰিয় গোপীনাথ বৰদলৈ ইমান এগৰাকী মহান নেতা, তেখেতক ভাৰত ৰত্ন কিয় দিয়া নহ’ল আগৰ চৰকাৰৰ কাৰ্য্যকালত, তেওঁলোকৰ বহুতে বিচাৰিছিলে, বহুতে ভাবে। দলত থাকিলেও দলৰ পলিচিৰ বাবে তেওঁলোক ঐক্যমত নাছিল। বাজপেয়ী ডাঙৰীয়াই লোকপ্ৰিয় গোপীনাথ বৰদলৈ ডাঙৰীয়াক ভাৰত ৰত্ন প্ৰদান কৰি যিটো ৰাষ্ট্ৰীয় মৰ্য্যাদা দিলে তাৰ বাবে আজি উত্তৰ পূৰ্বাঞ্চলৰ ৰাইজ বিশেষভাবে তেখেতৰ ওচৰত কৃতজ্ঞ। সমান্তৰালভাবে ভূপেনদাক কোনে ভাল নাপায়। তেওঁ কেৱল অসমৰ সন্তানেই নহয় ভাৰতৰ সন্তান। উত্তৰ পূৰ্বাঞ্চলেই হওঁক ভাৰতবৰ্ষৰ গোদাবৰীয়েই হওঁক, গঙ্গাই হওঁক, যমুনাই হওঁক, ভূপেন দাই কাক আঁকোৱালি লোৱা নাই। ইয়াৰ ওপৰিও ভল্গাৰ পৰা আৰম্ভ কৰি মিছিচিপি গোটেই বিশ্বৰ মানৱ সমাজত যিটো মানৱীয় শক্তি গড় দি গ’ল, ভূপেনদা সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ স্তৰৰ শিল্পী হিচাপে সদায় আমাৰ হৃদয়ত জীয়াই থাকিব। মানব সমাজত যুগে যুগে জীয়াই থাকিব। সেই মহান শিল্পীগৰাকীক মৰণোত্তৰ ভাৱে সৰ্বোচ্চ অসামৰিক ৰাষ্ট্ৰীয় সন্মান প্ৰদান কৰিলে আমাৰ বিজেপি চৰকাৰে। ইয়াৰ যোগেদি গোটেই উত্তৰ পূৰ্বাঞ্চলৰ মানুহে এনেধৰণৰ সন্মান উপলব্ধি কৰিলে। তাৰ বাবে গোটেই উত্তৰ পূৰ্ব্বাঞ্চলৰ ৰাইজক তেখেতে ভাৰতবৰ্ষৰ মুল সুঁতিলৈ ঘুৰাই অনাৰ ক্ষেত্ৰত যি শক্তিশালী পদক্ষেপ ল’লে ইয়াৰ যোগেদি প্ৰমাণ হৈছে যে তেখেতে যিটো নীতি লৈছে যে, এই ভাৰত শ্ৰেষ্ঠ ভাৰত হ’ব লাগিব, শ্ৰেষ্ঠ ভাৰত গঢ়াৰ কামত ব্ৰতী হৈছে। গতিকে এখন ৰাজ্যই আন এখন ৰাজ্যৰ লগত, এখন সমাজে আন এখন সমাজৰ সুত্ৰে মিলা প্ৰীতিৰে থকাৰ যিটো প্ৰৱণতা বৃদ্ধি কৰিছে। আজি অসমীয়া শি পিনীয়ে বোৱা গামোছাখন সৰ্ব্বানন্দ সোণোৱালে ইমান ওপৰলৈ লৈ যাব পৰা নাছিলো। মোৰ সতীৰ্থ মন্ত্ৰী, বিধায়কো এই কথাটো এগ্ৰি কৰিব। তেখেতে এবাৰ নহয় দুবাৰ নহয় বাৰম্বাৰ ৰাষ্ট্ৰীয় আন্তঃৰাষ্ট্ৰীয় মঞ্চত এইখন গামোছা কান্ধত লৈ অসমীয়া আইসকলক সন্মান যাঁচিছে। য’ত অসমীয়া শিপিনীৰ সপোন নিহিত হৈ আছে। এগৰাকী মহান নেত্ৰী, সুষমা স্বৰাজ ডাঙৰীয়ানী তেখেত আজি এই পৃথিৱীত নাই মোক এবাৰ তেখেত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী হৈ থাকোতে মোক ফোন

কৰি ক'লে যে, ভাৰতৰ সৈতে আচিয়ান দেশবিলাকৰ ২৫ বছৰীয়া মৈত্ৰীৰ এটা সুন্দৰ অনুষ্ঠান দিল্লীত পতা হ'ব। তাত ১০ খন ৰাষ্ট্ৰৰ ১০ গৰাকী ৰাষ্ট্ৰপ্ৰধানৰ সৈতে তেখেতসকলৰ সহধৰ্মিনী আহিব গতিকে প্ৰধান মন্ত্ৰী ডাঙৰীয়াই বিচাৰিছে যে তেখেতসকলক এই অসমীয়া গামোছাৰে স্বাগতম জনাব। তেখেতে মোক ২০ খন অসমীয়া ফুলাম গামোছা পঠিয়াবলৈ অনুৰোধ কৰিলে আৰু ময়ো সেইমতে পঠিয়াই দিলো। সেই অনুষ্ঠানত উপস্থিত থকাৰ সৌভাগ্য মোৰো হৈছিল। সেই মুহুৰ্ত্তত আবেগত মোৰ চকু পানী ওলাই আহিছিল। মানুহৰ হৃদয়ত যেতিয়া সদ্ভাৱনা, শ্ৰদ্ধা, ভক্তি নাথাকে, এইবিলাক ৰাজনীতি নহয়। এইবিলাক হৈছে প্ৰমূল্যবোধৰ উচ্চ স্তৰৰ চিন্তাৰ পৰিচয়। গতিকে সেই বাবে ভাৰতীয় জনতা পাৰ্টি চৰকাৰখনে আপোনালোকক সকলোকে লৈ চলিব পাৰিছো। আগতে সেইটো চিন্তা আপোনালোকে দেখুৱাব পৰা নাছিল। যি নহওঁক আমি তেনেধৰণে ৫ খন ৰাজ্যৰ ভিতৰত আমি লক্ষ্য স্থিৰ কৰিছো অসমক অন্যতম শ্ৰেষ্ঠ ৰাজ্য হিচাপে আমি গঢ় দিম। কাৰণ ইতিমধ্যে প্লেটফৰ্মখন ডেভল'প কৰি লোৱা হৈছে কাৰণ আমাক সুশাসন লাগিব। কৰ্ম সংস্কৃতি সততা, নিষ্ঠাৰে কৰিবলৈ হ'লে সুশাসন লাগিব। মানুহে কেতিয়া পৰিশ্ৰম কৰিব যেতিয়া জাষ্টিছ পাম বুলি তেখেতৰ নিশ্চয়তা থাকে। মই ন্যায় পাম, এই কষ্টৰ সুফল পাম, কোনো মধ্যভোগীয়ে মোক বাধা দিব নোৱাৰে, কোনো দুৰ্নীতিপৰায়ণ বিষয়াই মোক বাধা দিব নোৱাৰে, কোনো ৰাজনীতিকে বাধা দিব নোৱাৰে। সেই আস্থা আৰু বিশ্বাস যদি শাসন ব্যৱস্থাৰ ওপৰত থাকে, কৰ্ম-সংস্কৃতি প্ৰবল ৰূপ ধাৰণ কৰিব। কৰ্মসংস্কৃতিয়ে উৎপাদন বৃদ্ধি কৰিব, শক্তি বৃদ্ধি কৰিব, ব্যাক্তিত্ব নিৰ্মানি কৰিব আৰু বিশ্ব জয় কৰাৰ পৰিবেশ, পথ সুগম কৰিব। গতিকে সেই কাৰণে এই গোটেইখিনি আমাৰ কাৰ্য্যকালত কৰা হৈছে।

আজি আমি বিশ্ববিদ্যালয়বিলাক কিয় খুলিছো। Skill University মঙ্গলদৈত হ'ব, ক্ৰীড়া বিশ্ববিদ্যালয়, সাংস্কৃতিক বিশ্ববিদ্যালয়, ভট্টদেৱ বিশ্ববিদ্যালয়, ৰবীন্দ্ৰ ঠাকুৰ বিশ্ববিদ্যালয়, শ্ৰী শ্ৰী মাধৱদেব বিশ্ববিদ্যালয়, কুমাৰ ভাস্কৰ বৰ্মা সাংস্কৃতিক বিশ্ববিদ্যালয়। এই বিশ্ববিদ্যালয়বিলাক হৈছে একো একোটা আন্তগাঁথনি। ইঞ্জিনিয়াৰিং কলেজ, পলিটেকনিক, আই টি আই, আইন শিক্ষা কেন্দ্ৰ, স্কীল ডেভল'পমেন্ট চেন্টাৰ কাৰণ এনেধৰনৰ শিক্ষানুষ্ঠানৰ পৰা মানব সম্পদ তৈয়াৰ কৰিব লাগিব যাতে সেই মানব সম্পদবিলাকে নিজৰ প্ৰতিষ্ঠা শক্তিশালী ৰূপত বিস্তাৰ কৰিব পাৰে। গতিকে আজি এই সন্ধিক্ষণত মই আশা ৰাখিছো যে, আগন্তুক দিনত আপোনালোকে সেই লক্ষৰে সমাজখন গঢ় দিয়াৰ বাবে প্ৰয়াস কৰিব কাৰণ আজি বিদেশীমুক্ত অসম নিৰ্মাণ কৰাৰ প্ৰথম চৰ্ত্তটো হৈছে ভাৰত-বাংলা সীমান্ত ছীল। এইটো এটা ডাঙৰ প্ৰত্যাহ্বান আছিল। আপোনালোকে দেখিছে আপোনালোকৰ ১৫ বছৰীয়া কাৰ্য্যকালতো, আপোনালোকেও কাৰ্য্যভাৰ চলাইছে। চুক্তিৰ পাছত কিন্তু এই ৪৮ কি.মি ব্ৰহ্মপুত্ৰৰ বুকুত বাউণ্ডেৰী ৱাল নিৰ্মানি কৰাটো সম্ভৱ নহয়, কাটা তাঁৰ ফেন্সিং দিয়াটো সম্ভৱ নহয়, সমাধানৰ সুত্ৰ কি? এইটো লৈ আপোনালোক অনিশ্চয়তাৰ মাজত আছিল। কিন্তু প্ৰধানমন্ত্ৰী ডাঙৰীয়াক যেতিয়া গোটেই কথাটো ব্যাখা কৰা হ'ল। সেই সময়ত গৃহ মন্ত্ৰী আছিল ৰাজনাথ সিং ডাঙৰীয়া। তেতিয়া মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই ক'লে আমি টেকন'লজি আনিব লাগিব। পৃথিৱীৰ ভিতৰত আটাইতকৈ উন্নত টেকন'লজিত ডেভল'প কৰা ৰাষ্ট্ৰখনেই হ'ল ইজৰাইল। ইজৰাইলৰ হাতত সমাধান সূত্ৰ থাকিব। মাননীয় গৃহমন্ত্ৰী ডাঙৰীয়াক ইজৰাইললৈ পঠিয়াই তেখেতসকলে বাৰ্ত্তালাপ কৰিলে। শেষত তেওঁলোকে ভাৰতক Technology solution দিলে আৰু তেওঁলোকৰ 'চেনচৰ' সীমান্তত নৈৰ বুকুত প্ৰতিষ্ঠা কৰাৰ কাৰণে আজি সীমান্তৰ এই ৪৮ কি.মি অনুপ্ৰবেশ ৰোধ কৰিব পৰাটো সম্ভৱপৰ হ'ল। সেই কাৰণে আপোনালোকে আজিকালি

বাতৰি কাকতবিলাকত অনুপ্ৰৱেশৰ বাতৰি প্ৰকাশ হোৱাটো কমি যোৱাটো দেখিলে। In last Four Years there are no influx toll, why because we deed it. First Line of Defence Para Military Force is BSF and second Line of Defence Assam Police গতিকে এই চিকিউৰিটি বেৰিকেটটো আমি ইমান কটকটীয়া কৰিলো ফলত এতিয়া কোনো বিদেশী অনুপ্ৰবেশকাৰী তাত প্ৰবেশ কৰিব নোৱাৰে। গতিকে এই বাবে ইচ্ছাশক্তিৰ প্ৰয়োজন। যিকোনো কাম কৰিবৰ বাবে মহৎ ইচ্চা শক্তিৰ প্ৰয়োজন আৰু এইখিনি অসমৰ জনসাধাৰণে আমাক যোগান ধৰিছে। অসমৰ ৰাইজ মহান। ৰাইজ সদায় ভাল। আমি কেতিয়াবা কেতিয়াবা বৈষম্যমূলক চিন্তা চৰ্চা, স্বজন প্ৰীতিৰ চিন্তা চৰ্চাই, দুৰ্নীতি পৰায়ণ চিন্তা চৰ্চাই কেতিয়াবা আমি মানুহক বিপথে পৰিচালিত কৰো আৰু সমাজত অস্থিৰতা সৃষ্টি কৰো। গতিকে জনপ্ৰতিনিধিসকল অত্যন্ত সজাগ সচেতন হ'ব লাগিব। আমি জন প্ৰতিনিধিসকলে ক্ষমতাৰ লালসাত এনে কাম কৰা উচিত নহয় যিটোৱেই সমাজখনক চিৰ দিনৰ বাবে বিভাজন কৰিব পাৰে, অশান্তিৰ সৃষ্টি কৰিব পাৰে। মূল্যবোধ হত্যা কৰিব পাৰে। সেই কাম কৰাটো উচিত নহয়। আমি , মই জনপ্ৰতিনিধি। আজি ৰাইজে আমাক ভোট দিয়াৰ কাৰণেহে আমি জনপ্ৰতিনিধি। যদি কালিলৈ ৰাইজে আমাক withdraw কৰে, We are no body. আমাৰ প্ৰধানমন্ত্ৰী বাজপেয়ী ডাঙৰীয়া যেতিয়া আছিল, আমাৰ অশোক শইকীয়া ডাঙৰীয়া তেখেত এই পৃথিৱীত নাই। তেখেতে অসমৰ কাৰণে বহু কাম কৰি গ'ল। প্ৰশাসনিক বিষয়া আছিল তিতাবৰত। Joint Secretary, Administration আছিল, মই তেখেতক লগ পাবলৈ South Block ত গৈছিলো । ঘূৰি আহোতে একেটা লিফ্টতে এগৰাকী South Indian Steno পালো তেখেতৰ PS , মই তেতিয়া 'মৰান' ৰ বিধায়ক- বগী বিল দলঙ নিৰ্মানৰ বিষয় লৈ গৈছিলো। আহি থাকোতে মোক ক'লে - Mr. Sonowal, you are become a peoples Representative now, always keep one line in your mind. what is that, don't try to avoid the people. If you avoid the people, People have nothing to lose, but if The people started avoid you, You are losing everything. মই ভাবিছিলো এই কথাষাৰ মোক কিয় ক'লে ইমানকৈ। পাছত মই গম পাইছো কথাখিনি কোৱাৰ কাৰণ - মই যে পি এম অফিছলৈ গৈ আছো- তেখেতে ভাবিছে প্ৰধানমন্ত্ৰী অফিছত ঘূৰা-মেলা কৰি আছো- সমষ্টিৰ ৰাইজৰ লগত যোগাযোগ ৰাখিছা নে নাই? চাবা যাতে এইবিলাক কৰি থাকোতে ৰাইজ যাতে তোমাৰ সাক্ষাৎ পোৱাৰ পৰা বঞ্চিত হৈ নাথাকে। ৰাইজে দুবাৰ-তিনিবাৰ আহিব তাৰপিছত তৃতীয়বাৰ আহি যেতিয়া বিধায়কগৰাকীক লগ নাপাব, তেতিয়া ক'ব যে মই এম এল এক লগ কৰিবলৈ যোৱাটো বাদ দিলো। বাদ দিলেই মানে একেবাৰে বাদ দি দিব। আৰু সেইটো হ'লেতো আমিয়ে biggest loser. সেই কাৰণে জনপ্ৰতিনিধি সকলে সদায়েই ৰাইজক ইশ্বৰৰ ৰূপত জ্ঞান কৰা উচিত। পিতৃ-মাতৃৰ দৰে জ্ঞান কৰা উচিত। সেই কাৰণে ৰাইজৰ ক্ষতি হোৱা কোনো কাম কৰা উচিত নহয় ।এইখন আসন আজি ৰাইজেহে দিছে। আজি যিখন আসনত আমি উপবিষ্ট হৈ আছো সেই খন ৰাইজে দিয়া নহয় জানো। অসমখনতো মোৰ পৈতৃক সম্পত্তি নহয় গতিকে মই এইখন আসনত থকালৈকে অসমৰ ক্ষতি হোৱা কোনো কাম কৰাটো মই নিবিচাৰিম। সেই কাৰণে মই অসমৰ ৰাইজক মুকলিমুৰীয়াকৈ কওঁ যে, আমাৰ কাম-কাজৰ ওপৰত চোকা দৃষ্টি ৰাখিব। বেয়া কাম হ'লে গৰজি উঠিব , ভাল কাম হ'লে উৎসাহিত কৰিব। সকলোকে কওঁ, সাংবাদিক বন্ধু সকলোকো কওঁ । সাংবাদিক বন্ধুসকলক মই ধন্যবাদ জনাওঁ। তেখেতসকলে যোৱা ৪ টা বছৰে

সমালোচনাৰ যোগেদি আমাক ৰাইজৰ স্বাৰ্থত গঠনমূলক কাম কৰাৰ বাবে আমাক যিদৰে সজাগ সচেতন আৰু উৎসাহিত কৰি ৰাখিলে তাৰ বাবে মই অসমৰ সাংবাদিকসকলক শ্ৰদ্ধাসহকাৰে কৃতজ্ঞতা জনাইছো। মই যদি ভাবো যে মই ভাল কাম কৰিছো, কিবা যদি বেয়া কাম কৰিছো, সেইটোতো কোনোবাই দেখুৱাই দিব লাগিব নহয়। দেখুৱাই দিবলৈ মানুহ লাগিব। দেখুৱাই দিয়াটো দৰকাৰ। সেই কাৰণে অভিভাৱকৰ দায়িত্বটো সমাজখনে ল'বই লাগিব। আজিৰ তাৰিখত আমি সেইখিনি দায়িত্ব পালন কৰাৰ বাবে আগবাঢ়ি যাব লাগিব।

এতিয়া মই ভাবো যে, অসমৰ কোনো জনগোষ্ঠীয়ে এই কথা চিন্তা কৰিব নালাগে। আমাৰ ভাষা গৌৰৱ আঁচনিৰ যোগেদি আমি সকলো ভাষাক মৰ্য্যদা দিবলৈ প্ৰয়াস কৰিছো। বেংগলী ভাষাৰ কথা যোৱাকালি পুৰকায়স্থ ডাঙৰীয়াই উলিয়াইছে। তেখেতক কৈছো, কিয় আবেদন কৰা নাই। আবেদন কৰক, এইখন সাৰ্বজনীন আঁচনি। ইয়াত কোনো ধৰণৰ পক্ষপাতিতা থাকিবই নোৱাৰে। কোনোবা যদি বাদ পৰি গৈছে Let them apply. সকলো ভাষাৰে যদি আমি উন্নতি সাধিব পাৰো তেনেহ'লে আমাৰ ভাষাৰ শক্তি বাঢ়িব। আমাৰ বৈচিত্ৰৰ ক্ষেত্ৰত, এইখন সমাজৰ শক্তিৰ ক্ষেত্ৰত আমি সকলোৰে উপলব্ধি কৰা উচিত। diversity is our strenght.এইটো মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই উপলব্ধি কৰে। আজি বিভিন্ন জাতি জনগোষ্ঠী থকাৰ কাৰণে আমাৰ সমাজখন ধুনীয়া। এটা জনগোষ্ঠী থকা হেতেঁন কিন্তু সমাজৰ এই সৌন্দৰ্য্য কেতিয়াও নাথাকিলে হয়। গতিকে অসমীয়া, বঙালী, মাৰোৱাৰী, বিহাৰী, পাঞ্জাৱী, নেপালী, হিন্দু-মুছলমান- খৃষ্টান, বৌদ্ধিষ্ট, জৈন, শিখ বিভিন্ন সম্প্ৰদায়ৰ জাতি, অনুসুচিত জন জাতি অন্যান্য পিছপৰা সম্প্ৰদায়লৈকে সকলোৰে মিলাপ্ৰিতীৰে থাকি সৌন্দৰ্য্য বৃদ্ধি কৰিছে সমাজ জীৱনৰ সেই কাৰণে, সম বিকাশৰ বাবে আমিও প্ৰয়াস কৰি আছো। সেই কাৰণে কোনোধৰণৰ চিন্তা কোনেও মনলৈ আনিব নালাগে। We are always open to every body. আৰু অসমৰ বহুতে প্ৰশ্ন কৰিছিল যে বি জে পি চৰকাৰে অসমৰ খিলঞ্জীয়া ভূমি পুত্ৰসকলক অনিশ্চয়তাৰ মাজলৈ ঠেলি দিছে। কিন্তু ক'তা , আমিয়েইতো এতিয়া মাটি- ভেটি দিছো। কিহৰ কাৰণে, এইটোতো কোনেও দাবী কৰা নাই। আমি এইটো উপলব্ধি কৰি, ব্ৰহ্ম কমিটি আমি কনষ্টিটিউট কৰিলো কেইবাগৰাকী আইনজ্ঞক লগতলৈ, সেই কমিটিয়ে যি ৰিপোৰ্ট দিলে সেই ৰিপোৰ্টৰ ভিত্তিত পৰৱৰ্ত্তী সময়ত আমি আইন প্ৰণয়ন কৰিলো। থলুৱা-খিলঞ্জীয়া ভূমি পুত্ৰসকলক ইমানদিনে যি সাংবিধানিক মৰ্য্যদা পোৱাৰ পৰাবঞ্চিত হৈ আছিল। সেইসকলক সাংবিধানিক মৰ্য্যদা, নিৰাপত্তা দিয়াৰ দায়িত্ব আমাৰ আছিল। সেইকাৰণে আমাৰ কাৰ্য্যকালত কম সময়ৰ ভিতৰতে আমি ৩ লাখ ৬৫ হাজাৰ মাটিৰ পট্টা দিবলৈ আমি সক্ষম হ'লো। এতিয়াও আমাৰ এই প্ৰক্ৰিয়া চলি আছে। বৰাক- ব্ৰহ্মপুত্ৰ, পাহাৰ- ভৈয়াম সকলো মানুহে পট্টা পাইছে। ইয়াৰ ওপৰিও কৃষ্টি-সংস্কৃতি, ভাষা-সাহিত্যৰ ক্ষেত্ৰত- ভাষা-গৌৰৱৰ যোগেদি কৃষ্টি-সংস্কৃতিৰ যোগেদি নামঘৰ-সত্ৰ আৰু যিবিলাক ১০০ বছৰ অতিক্ৰম কৰা বিভিন্ন ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠান বিলাক সকালোকে আমি সমদৃষ্টি ৰাখি মৰ্য্যদা জ্ঞাপন কৰিছো। There is no discrimination গতিকে সেই বাবে আজিৰ তাৰিখত বি জে পি নেতৃত্বাধীন মিত্ৰ জোঁটৰ চৰকাৰখনে সকলো শ্ৰেণীৰ আদৰ বুটলিবলৈ, মৰম বুটলিবলৈ সক্ষম হৈছো। এই দৃষ্টি ভঙ্গীৰে আমি কাম কৰি যাম। পদ্ম হাজৰিকা দেৱে যোৱাকালি এটা প্ৰশ্ন উপস্থাপন কৰিছিল। কিন্তু গোৰ্খা ৰাইজে কোনো চিন্তা কৰিব নালাগে। তেখেতসকলৰ নিৰাপত্তাৰ দায়িত্ব আমাৰ। অসমৰ কোনো জনগোষ্ঠীয়ে চিন্তা কৰিব নালাগে। We are all the Indian Citizen will be wel guarded, wel protected গতিকে এই কথাটো আমাৰ চৰকাৰৰ মূল পলিচি। গতিকে সেই

ক্ষেত্রত সকলোকে সুৰক্ষিত কৰি ৰখাটোৱে আমাৰ ধৰ্ম। মোৰ কিন্তু এটাত বহু satisfaction আছে- মই মনে প্ৰাণে বিচাৰিছিলো বৰাক- ব্ৰহ্মপুত্ৰ- পাহাৰ -ভৈয়াম, আৰু এইটো আজি বাস্তৱায়িত হৈছে। I am really very Happy to the people of Assam upload the Vally আৰু তিনিখন পাহাৰীয়া জিলা , এই কেইখন জিলাৰ বহুদিনৰে পৰা মনত বেজাৰ আছিল যে ভৈয়ামৰ মানুহে আমাক গুৰুত্ব নিদিয়ে । ডিফু মেডিকেল কলেজৰ প্ৰথম পাঠ্যক্ৰম যেতিয়া আৰম্ভ হ'ল তাত স্বাস্থ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু মই গ'লো, মই ৰাইজক সুধিলো যে কেনে লাগিছে? তেতিয়া ৰাইজে মোক ক'লে এতিয়া আমি বুজি পাইছো- আপুনি পাহাৰ-ভৈয়াম যে প্ৰায়ে কৈ থাকে, ইয়াৰ তাৎপৰ্য আৰু এটা কথা কওঁ- নমামী ব্ৰহ্মপুত্ৰ আৰু নমামী বৰাক পাতি কি নাটক আৰম্ভ কৰিছে? সেই সময়ত তাকে লৈ বহু কিবা কিবি কাকতে পত্ৰই লেখা মেলা ওলাল যে, চৰকাৰে ধন আৰু সময় খৰছ কৰিছে। কিন্তু মই লিখা মানুহক বেয়া নাপাও দেই, স্বাভাৱিকতেই লিখিব। লিখা উচিত, সমালোচনা কৰা উচিত। সেই সময়ছোৱাত মোৰ উদ্দেশ্য আছিল এটা - ব্ৰহ্মপুত্ৰ উপত্যকাত দুয়োপাৰে থকা ২১ খন জিলাত বিভিন্ন জাতি জনগোষ্ঠীক লৈ আমি নমামী ব্ৰহ্মপুত্ৰ আয়োজন কৰিলো। তাৰ ফলত আমি ভাবিব নোৱাৰাকৈ বহু তথ্য আবিস্কাৰ হ'ল। ধুবুৰী জিলাত জিলা প্ৰশাসনে স্থানীয় ৰাইজক লগত লৈ তাত এনেধৰণে স্মৰণিকা প্ৰকাশ কৰিলে যে, সেই পুস্তিকাত বহু শক্তিশালী ইতিহাস চামিল হৈ আছে। মই এটা কথাত বহুত Satisfaction লাভ কৰিছো যে - মই মনে-প্ৰাণে বৰাক-ব্ৰহ্মপুত্ৰ-পাহাৰ-ভৈয়াম সমন্বয় বিচাৰিছিলো আৰু আজি এইটো বাস্তবায়িত হোৱা দে্খিছো। I am really happy to the people of Assam of both the vallies and এই তিনিখন পাহাৰীয়া জিলাৰ ৰাইজৰ মনত বহুদিনিয়া এটা বেজাৰ আছিল যে - ভৈয়ামৰ মানুহখিনিয়ে পাহাৰৰ মানুহখিনিক গুৰুত্ব নিদিয়ে। মই যেতিয়া স্বাস্থ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ লগত ডিফু মেডিকেল কলেজৰ পাঠ্যক্ৰম আৰম্ভণ অনুষ্ঠানত গৈছিলো , তেতিয়া তাৰ ৰাইজক সুধিছিলো যে এতিয়া তেওঁলোকৰ কেনেকুৰা অনুভৱ হৈছে, তেতিয়া তেখেত সকলে জনালে যে -“এতিয়া আমি বুজি পাইছো আপুনি যে পাহাৰ ভৈয়াম কিয় কৈ থাকে” আৰু এটা কথা কওঁ, বহুতে ভাবে যে এই বিলাক কি নাটক কৰিছে “নমামী ব্ৰহ্মপুত্ৰ” “নমামী বৰাক”। সেইসময়ত বহুতে ইয়াৰ বিৰোধীতা কৰি বহুত কিবাকিবি লিখিছিল। মই কিন্তু লিখা মানুহ বিলাকক বেয়া নাপাওঁ। লিখা বা সমালোচনা কৰাটো উচিত, এইটো স্বাভাবিক। তেখেত সকলে লিখিছিল সৰ্বানন্দই এইবিলাক কি নাটক কৰিছে, পাটোৱাৰীয়ে মিছাতে সময় নষ্ট কৰিছে।

এই সময়ছোৱাত মোৰ অৱশ্যে এটা উদ্দেশ্য আছিল। সেয়েহে ব্ৰহ্মপুত্ৰ উপত্যকাৰ দুয়োপাৰে থকা ২১ খন জিলাত বসবাস কৰা বিভিন্ন জাতি-জনজাতিৰ লোক সকলক লৈ নমামী ব্ৰহ্মপুত্ৰৰ আয়োজন কৰিলো আৰু তাত ভাৱিব নোৱাৰাকৈ বহু তথ্য আবিষ্কাৰ হল। ধুবুৰী জিলাৰ প্ৰসাশনে তাৰ স্থানীয় ৰাইজৰ সহযোগত এনে ধৰণৰ পুস্তিকা প্ৰস্তুত কৰি প্ৰকাশ কৰিলে যত বহু শক্তিশালী ইতিহাস সন্নিবিষ্ট হৈ আছে। তাত উল্লেখ আছে ব্ৰহ্মপুত্ৰ উপত্যকা খনে ইংৰাজৰ ৰাজত্বৰ দিনত কি দৰে ধুবুৰী জিলাখনে প্ৰাণ পায় উঠিছিল আৰু কি দৰে তাৰ বন্দৰৰ পৰা থলুৱা ভাৱে উৎপাদিত সামগ্ৰী বিভিন্ন দেশ- বিদেশলৈ ৰপ্তানী কৰা হৈছিল, বৰপেটাত কি হৈছিল আদি। শদিয়াৰ পৰা ধুবুৰীলৈ ২১ খন জিলা সামৰি ৬৮০ কিঃ মিঃ ব্যাপি থকা ঠাই আবৰি আয়োজিত কৰা হল নমামী ব্ৰহ্মপুত্ৰ অনুষ্ঠান আৰু এই অনুষ্ঠানলৈ নিমন্ত্ৰণ কৰা হৈছিল সেই সময়ৰ দেশৰ মহামান্য ৰাষ্ট্ৰপতি প্ৰয়াত প্ৰণৱ মূখাৰ্জী ডাঙৰীয়া আৰু আধ্যাত্মিক গুৰু His Holyness Dalai Lama, Prime Minister, Bhutan আদিৰ দৰে মহামান্য ব্যক্তি সকলে আমাক আশীৰ্বাদ দিছিল।

তাৰ পাছত আমি "নমামী বৰাক" আয়োজন কৰিলো, সেই অনুষ্ঠানলৈকো আমাৰ পৰম শ্ৰদ্ধাৰ মহামান্য ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দ ডাঙৰীয়াকে আদি কৰি বহু কেইখন ৰাজ্যৰ ৰাজ্যপালৰ লগতে কেন্দ্ৰীয় মন্ত্ৰীক নিমন্ত্ৰণ কৰা হ'ল, তেখেত সকলো আহিল আৰু এই দুয়োটা অনুষ্ঠান উদযাপনৰ পৰৱৰ্তী সময়ত আজি আপোনালোকে শুনি ভাল পাব যে, ভাৰত চৰকাৰে এটা **৩২০০** কোটি টকা ব্যয় সাপেক্ষ "Earth Brahmaputra" নামৰ এটা নতুন প্ৰকল্প ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ মাজত যাতায়ত আৰু যোগাযোগ ব্যৱস্থা সুচল কৰাৰ উদ্দেশ্যে আৰম্ভ হ'বলৈ গৈ আছে। এইটো "নমামী ব্ৰহ্মপুত্ৰ" আৰু "নমামী বৰাক" ৰ সুফল। বহুবছৰ ধৰি পৰিত্যক্ত হৈ থকা মংলা আৰু চিতাগঞ্জ বন্দৰ দুটা এতিয়া কাৰ্যক্ষম কৰাৰ কাৰণে ভাৰতৰ প্ৰধানমন্ত্ৰী ডাঙৰীয়াই বাংলাদেশৰ লগত বুজাবুজি চুক্তিত উপনীত হয় আৰু অসমত থলুৱাভাৱে উৎপাদিত সামগ্ৰীসমূহ যাতে চিতাগঞ্জ বন্দৰেদি নদী পথেৰে বিদেশৰ বজাৰলৈ ৰপ্তানী কৰিব পৰা যায় তাৰ ব্যৱস্থা কৰি দিয়ে, যিটো সুযোগ আমি পোৱা নাছিলো। এই বিলাক হৈছে "নমামী ব্ৰহ্মপুত্ৰ" আৰু "নমামী বৰাক" অনুষ্ঠানৰ উল্লেখযোগ্য সফলতা। এই মাহৰ **১৮** তাৰিখে "Earth Brahmaputra" প্ৰকল্পৰ কাম আৰম্ভ কৰা হব।

অসমত আন্দোলন নকৰাকৈয়ো বহুতো অনুষ্ঠান -প্ৰতিষ্ঠান হৈ আছে। আগতে শৰাইঘাট দলং, ভোমোৰাগুৰি দলং, যোগীঘোপা দলংৰ কাৰণে আন্দোলন কৰিব লগা হৈছিল, তাৰোপৰি গুৱাহাটী শোধানাগাৰ, বঙাইগাওঁ শোধানাগাৰ, নুমলিগড় শোধানাগাৰ আদি সকলো প্ৰতিষ্ঠান গঠনৰ কাৰণেও আন্দোলন কৰিব লগীয়া হৈছিল। Except Digboi Refinary which is smallest Refinary in the world in operation. কিন্তু আমাৰ কাৰ্যকালত এটাওঁ আন্দোলন নকৰাকৈয়ে ঢলা-শদিয়া দলং, বগীবিল দলং, ব্ৰহ্মপুত্ৰৰ ওপৰত গুৱাহাটীত দ্বিতীয়খন শৰাইঘাটৰ দলং নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে লগতে অন্যান্য দলং নিৰ্মাণৰ প্ৰস্তাৱ আহি আছে আৰু মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই অহা **১৮** তাৰিখে দিল্লীৰ পৰাই মাজুলী দলং নিৰ্মাণৰ কামৰ শুভাৰম্ভণি কৰিব। এচিয়াৰ ভিতৰতে আটাইতকৈ দীৰ্ঘতম দলঙখনৰ কামো ধুবুৰীৰ ফুলবাৰীত শুভাৰম্ভ কৰা হব, লগতে নুমলিগড়-গহপুৰৰ মাজত এটা সুৰংগ নিৰ্মাণ কৰা হ'ব যিটোৰে ইতিমধ্যে অনুমোদনো লাভ কৰিছে। এনেদৰেই ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ বুকুত নতুন নতুন দলং নিৰ্মাণৰ কাম আৰম্ভ হৈছে। আমি আন্দোলন নকৰাকৈ পাইছো AIIMS at Changchari, Indian Agriculrure Research Institute at Gogamukh আৰু National Institute of Design at Jorhat আদি সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিষ্ঠান, ইতিমধ্যে তাত পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে। There are many infrastructure facilities, Institution is being provided by our Hon'ble Prime Minister, Shri Marendra Modi Ji.

এই মহূৰ্তত মই মাননীয় কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াক ধন্যবাদ জনাবই লাগিব যিহেতুকে তেখেতৰ বিশেষ প্ৰচেষ্টাত আৰু মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ আশীৰ্বাদত B.T.R. চুক্তি সম্ভৱ হ'ল আৰু কাৰ্বি-আংলং ডিমা -হাচাও অঞ্চলত যিবিলাক গোট আছে তেওঁলোককো শান্তি প্ৰক্ৰিয়ালৈ অনাৰ বাবে আন্তৰিকতাৰে ইচ্ছা প্ৰকাশ কৰিছে। গতিকে মই ভাৱো, অসমৰ বুকুত স্থায়ী শান্তি প্ৰতিষ্ঠা হোৱাৰ বাৱে আজি অসম উন্নয়নৰ পথত ক্ষীপ্ৰতাৰে আগবাঢ়ি যাবলৈ সক্ষম হৈছে। গতিকে আজি অসমৰ এই বাতাবৰণৰ বাবে মই সদনৰ প্ৰতিগৰাকী শাসক বিৰোধী দলৰ সকলো বিধায়ককে ধন্যবাদ জনাইছো। মই আপোনালোকক মোৰ প্ৰথম বক্তব্যত সকলোকে সম দৃষ্টিৰে চোৱাৰ কথা কৈছিলো আৰু সেইটো মই পালন কৰিছো। মই কৰিছো যদি আপোনালোকে কওঁক সঁচাকথাটো,

আপোনালোকে নামানে নেকি? মোৰ উদ্দেশ্য আছিল *সব কা সাথ, সব কা বিকাশ অৰ সব কা বিশ্বাস* । আপোনালোক কোন দিনাখন মোৰ কাৰ্যালয়লৈ আহি বিমুখ হৈ যাবলগীয়া হৈছিল কওঁকচোন, ক'ব পাৰিব, নোৱাৰে, কাৰণ মই আপোনালোকক জনপ্ৰতিনিধি হিচাপে যিখিনি গুৰুত্ব দিব লাগে সেইখিনি মই দিছো আৰু যি সন্মান প্ৰদৰ্শন কৰিব লাগে সেইখিনি মই কৰিছো। আপোনালোক সকলোকে শ্ৰদ্ধা জনোৱাৰ লগতে মোৰ ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত দিয়া বক্তব্যখিনি আজি ইমান সময় ধৰি শুনি থকা বাবে আপোনালোক সকলোকে ধন্যবাদ জনাইছো আৰু মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপুনি বেয়া নাপাব আজি সদনৰ প্ৰথম দিনটোতে মই বহুত দীঘলীয়াকৈ বক্তব্য ৰখাৰ বাবে। মই আপোনাকো বিশেষ ভাৱে ধন্যবাদ জনাইছো মোক সদনত বক্তব্য ৰখাৰ সুযোগ দিয়াৰ বাবে । শেষত মই সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে সকলোকে শুভেচ্ছা জনায় মোৰ বক্তব্য সামৰণি মাৰিছো and we will come back again.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া হাফিজ বছিৰ আহমেদ ডাঙৰীয়া, আপোনালোকৰ ধন্যবাদ সূচক প্ৰস্তাৱৰ ওপৰত যি সংশোধনী প্ৰস্তাৱ আছিল সেইটো প্ৰত্যাহাৰ কৰিবনে?

**শ্ৰীহাফিজ বছিৰ আহমেদ (পশ্চিম বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহাশয়, আজি আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি বক্তব্য ৰাখিলে তাত তেওঁ স্কুলৰ কথাটো বিশেষ ভাৱে উল্লেখ কৰিছে। "কোভিড"ৰ বাবে যি বিলাক স্কুল বন্ধ কৰি দিয়া হৈছে তাৰ ছাত্ৰ-ছাত্ৰী বিলাকৰ ভৱিষ্যত সম্পৰ্কত এটা ক্ষীপ্ৰ সিদ্ধান্ত লোৱা উচিত বুলি মই ভাৱো আৰু স্কুলখনত অধ্যয়ণৰত ছাত্ৰ-ছাত্ৰী বিলাকৰ সৰ্বাংগীন উন্নয়নৰ লগতে অন্যান্য দিশৰ উন্নয়নৰ ক্ষেত্ৰত কি ব্যৱস্থা লব সেইটো নিশ্চিত কৰিব লাগে। **দ্বিতীয়তে,** মুখ্যমন্ত্ৰী মহোদয়ে অসমৰ আৰ্থ-সামাজিক উন্নয়নৰ সম্পৰ্কত যি বক্তব্য ৰাখিলে, আমি শুনি ভাল পাইছো কিন্তু অৰ্থনৈতিক উন্নয়নত বিশেষ ভূমিকা পালন কৰা চৰ অঞ্চলত বস-বাস কৰা এটা বৃহৎ জনগোষ্ঠীয়ে, প্ৰায় ২৪ৰ পৰা ৩০ লাখ লোক, এই লোক সকলৰ জীৱন ধাৰণৰ পদ্ধতি, অৰ্থনৈতিক আৰু কৃষিখণ্ডত থকা তেখেত সকলৰ ভূমিকাৰ ওপৰতো কিছু কথা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ বক্তব্যত উল্লেখ কৰা হলে আমি ভাল পালোহেঁতেন। তথাপিতো অনাগত ভৱিষ্যতত তেখেতে এই দিশবোৰ লক্ষ্য ৰাখিব বুলি আশা ৰাখিছো আৰু আমি ধন্যবাদসূচক প্ৰস্তাৱৰ বিৰুদ্ধে যি সংশোধনী প্ৰস্তাৱ আনিছিলো সেইটো প্ৰত্যাহাৰ কৰিছো।

**Hon'ble Speaker ঃ** Chief Minister do you want to say something ?

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ চৰকাৰৰ তৰফৰ পৰা চাহ শ্ৰমিক ৰাইজৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি তেখেত সকলৰ মজুৰীৰ সন্দৰ্ভত আমি অতি সোনকালে ইতিবাচক সিদ্ধান্ত গ্ৰহণ কৰিম, এই কথাটো আমি জনালো। মই এই পবিত্ৰ সদনৰ পৰা এই প্ৰতিশ্ৰুতি দিব বিচাৰিছো যে মজুৰি নিৰ্ধাৰণৰ ক্ষেত্ৰত আমাৰ যি কমিটি গঠন কৰা হৈছে তেওঁলোকে ইতিমধ্যে বিষয়টোত আগভাগ লৈ সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু লগতে চৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে প্ৰায় ২০ খন Residential School আৰু ৯ খন Women College নিৰ্মাণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছো, and it is also for the first time in the history of Assam. গতিকে নাৰী শিক্ষাৰ উপৰিও আমাৰ চৰ অঞ্চলত বস-বাস কৰা ছাত্ৰ-ছাত্ৰী সকলেও যাতে উন্নত মানদণ্ডৰ শিক্ষা গ্ৰহণ কৰিব পাৰে সেই উদ্দেশ্যে ৩০,৪২,০০,০০০ কোটি টকা ব্যয় সাপেক্ষে Residential School নিৰ্মাণ কৰাৰ যি যাত্ৰা আমি আৰম্ভ কৰিছো মই ভাৱো যে এনে ধৰণৰ যুগান্তকাৰী সিদ্ধান্তই ভৱিষ্যতৰ দিনত চৰ-চাপৰি অঞ্চলত বস-বাস কৰা উঠিঅহা প্ৰজন্মৰ বাবে এটা সঠিক সুবিধা প্ৰদান কৰাৰ ক্ষেত্ৰত এক উল্লেখযোগ্য ভূমিকা পালন কৰিব।

**মাননীয় অধ্যক্ষ ঃ** পুৰকায়স্থ আপুনি কালিও কৈছে, আকৌ ক'ব বাৰু, এতিয়া বহক। সাধাৰণতে ৰাজ্যপালৰ ভাষণৰ ওপৰত দিয়া ধন্যবাদসূচক প্ৰস্তাৱৰ পাছত নিয়ম মতে বেলেগ বিষয় লোৱা নহয় আৰু ইয়াৰ পাছত বিত্ত মন্ত্ৰীৰ অন্তৰৰ্তীকালীন বাজেটৰ ওপৰতো আলোচনা কৰা হ'ব। I think, you can raise those issue there also. কিন্তু আপুনি যদি কিবা Clearification বিচাৰিছে তেন্তে সোধক। নিয়ম মতে মই allow কৰিব নালাগে, কিন্তু প্ৰথম দিন কাৰণে মই অনুমতি দিছো।

**শ্ৰী ওয়াজেদ আলি চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে অলপ আগতে চৰ অঞ্চলত যি Residential School নিৰ্মাণ কৰাৰ কথা কৈছে সেইটো চৰ অঞ্চলত হোৱা নাই, সংখ্যালঘু অঞ্চলতহে হৈছে। মই মাত্ৰ এইটো শুধৰণিৰ কথা ক'বলৈহে বিচাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ এইটো দুৰ্ভাগ্য যে চৰ-চাপৰিৰ কথা Speaker's Innitiative ৰ মাধ্যমত পাতিম বুলি ভাবিছিলো, কিন্তু "কৰোণা" হোৱাৰ বাবে আমি সেই বিষয়ে আলোচনা কৰিব নোৱাৰিলো। নহলে নিশ্চিতভাৱে অসম বিধান সভাত চৰ- চাপৰি অঞ্চলৰ ওপৰত আলোচনা এটা হ'লহেঁতেন কিন্তু এই বিষয়টোৰ ওপৰত ভৱিষ্যতৰ দিনত অসম বিধান সভাত আলোচনা হ'ব বুলি আশা ৰাখিলো।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** Specifically মই মাত্ৰ এটা বাক্য ক'ম।

**মাননীয় অধ্যক্ষ ঃ** নাই নহ'ব, আপুনি কালিও কৈছে আৰু আপোনাৰ প্ৰশ্নৰ উত্তৰো পাইছে, গতিকে পাচত এই বিষয়টো Debate Discussion ত উঠাব। আপোনালোকৰ দলৰ মুৰব্বীয়ে ইতিমধ্যে কৈছে, সেয়েহে আপুনি ক'ব নোৱাৰিব। Please sit down. এতিয়া শ্ৰী কমল সিং নাৰ্জাৰী।

**শ্ৰী কমল সিং নাৰ্জাৰী (বিজনী)ঃ** মাননীয় আধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই Governor Speech ৰ ওপৰত হোৱা বিতৰ্কৰ যিখিনি উত্তৰ দিলে তাত তেখেতে মূল্যবোধ, Good Governance, Equal Justice , গণতান্ত্ৰিক শাসনৰ কথা উল্লেখ কৰিছে। Equal Justiceৰ কথা কওতে মোৰ এটা কথা মনলৈ আহিছে, ২০১৮ চনত মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক S.C./S.T. .......... অফিচ মেম'ৰাণ্ডামৰ কথাটো কৈছিলো। আমাৰ জনজাতীয় লোক সকলৰ চাকৰিৰ সংক্ৰান্তত যিবিলাক Backlog আছে, জাজ সকলৰ প্ৰমোশ্যনৰ বাবে অফিচ মেম'ৰাণ্ডাম বনোৱাৰ ক্ষেত্ৰত সমিতিৰ সভাপতি হৈ থাকোতে সিদ্ধান্ত লৈ বহুবাৰ ফাইলটো পঠোৱা হৈছিল। পঠোৱাৰ পিছত অতি সোনকালে ঘুৰাই দিবলৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰা হৈছিল। কিন্তু, দুৰ্ভাগ্য যে - সেই অফিচ মেম'ৰাণ্ডামটো আজি পৰ্য্যন্ত পাবলৈ সক্ষম নহ'লো। এইটো যাতে অতি সোনকালে পাওঁ তাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। তাৰোপৰি, তেখেতে সম-দৃষ্টি, সম-বিতৰণৰ কথা কৈছে। কিন্তু, বাস্তৱ ক্ষেত্ৰত আমি দেখিবলৈ পাইছো যে অৰুণোদয় আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত বিধায়কসকলক দায়িত্ব দিয়া হোৱা নাই। গতিকে, অসম চৰকাৰৰ আঁচনিসমূহ ৰূপায়ণ আৰু বিতৰণ কৰাৰ ক্ষেত্ৰত বিধায়কসকলে সুযোগ পাব লাগে। equal justice কৰাৰ লগে লগে .... সমদৃষ্টি , সমবিতৰণ ... .....

**মাননীয় অধ্যক্ষঃ** তাৰ বাবে ব্যৱস্থা ল'ম।

**শ্ৰীকমল সিং নাৰ্জাৰী (বিজনী)ঃ** আমি অৰুণোদয় ........

**মাননীয় অধ্যক্ষঃ** I think you should not elaborate. You have raised your

point very nicely.

**শ্ৰী কমল সিং নাৰ্জাৰী (বিজনী)ঃ** অসমৰ ৰাইজৰ, অসম চৰকাৰৰ যি আঁচনি, সেই আঁচনি সম্পৰ্কত সকলো বিধায়ককে কাম কৰা সুযোগ দিব লাগে। তাৰ পিছত........ব্যৱধান...

**মাননীয় অধ্যক্ষঃ** Thank You. কমলী বসুমতাৰীয়েও কালি এইখিনি কথা কৈছে। He has taken your point and will take necessary action accordingly.

এতিয়া দেবানন্দ হাজৰিকা ডাঙৰীয়াই দিয়া মূল প্ৰস্তাৱটোৰ সংশোধনী যিহেতু উঠাই লোৱা হৈছে, গতিকে মই ক'ব বিচাৰিছো যে-এই প্ৰস্তাৱটোৰ যি সকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো পাৰিত হৈছে, প্ৰস্তাৱটো সদনত গৃহীত হ'ল।

এইখিনিতে মই ৫-১০ মিনিট সময়ৰ বিৰতি এটা ল'ব বিচাৰিছো। বাহিৰত চাহৰ ব্যৱস্থা কৰা হৈছে। লগতে, আজি আমাৰ বহু কেইগৰাকী সদস্যই একেলগে এখন ফটো তোলাৰ কথা কৈছে । ইয়াৰ পিছত আমাৰ Interim Budget ৰ ওপৰত আলোচনা হ'ব। গতিকে, এই সময়ছোৱাতে আপোনালোক সকলোৱে যদি বিচাৰে, তেন্তে নতুন House ৰ main entrance ত এখন ফটো তোলাৰ ব্যৱস্থা কৰা হৈছে। গতিকে, অলপ বিৰতি ল'ব পাৰো। আপোনালোকে কি কয়?

(সদনে সন্মতি জনায়)

Ok, we will go there. I would like to request Hon'ble Chief Minister to accompany us আৰু তাত আমি এখন ফটো তুলিম। ৰঙা চাহৰ ব্যৱস্থা কৰা হৈছে, আপোনালোকে খাব। তাৰ পৰা উভতি আহি আমি পৰৱৰ্তী কাৰ্য্যসূচী ল'ম। এতিয়া সদন ১৫ মিনিটৰ বাবে স্থগিত ৰখা হ'ল।

**সদন ১৫ মিনিটৰ বাবে স্থগিত ৰখা হয়।**

**বিৰতিৰ অন্তত সদনৰ কাৰ্য্যসূচী ১১-৪৫ বজাৰ পৰা পুনৰ আৰম্ভ হয়।**

**(আসনত মাননীয় অধ্যক্ষ উপবিষ্ট)**

**মাননীয় অধ্যক্ষঃ** Now, discussion on the Vote on Accounts Budget. আমাৰ বহুতো বক্তাৰ নাম দিছে। মই প্ৰথমে ওয়াজেদ আলী চৌধুৰী ডাঙৰীয়াক আৰম্ভ কৰিবলৈ কৈছো।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি বিত্ত মন্ত্ৰী ডাঙৰীয়াই তেওঁৰ লেখানুদান বাজেট দাখিল কৰিছে। আমি গোটেইখিনি ভালদৰে অধ্যয়ন কৰিছো। আচলতে, এই বাজেটখন সম্পূৰ্ণভাৱে এক নিৰ্বাচন কেন্দ্ৰিক বাজেট। অধ্যক্ষ মহোদয়, অসমৰ আটাইতকৈ জ্বলন্ত সমস্যা হ'ল- বানপানী আৰু গৰাখহনীয়া। কিন্তু এই বাজেটখনত, বানপানী-গৰাখহনীয়াৰ দৰে জ্বলন্ত সমস্যাৰ সম্পৰ্কে এটা শব্দও উল্লেখ কৰা হোৱা নাই। কেৱল নিৰ্বাচনৰ আগে আগে টকা-পইচা দি জনসাধাৰণৰ ভোট লোৱাৰ বাবে এই বাজেট দাঙি ধৰা হৈছে। গড়কাপ্তানি বিভাগৰ কিছু কথা ইয়াত উল্লেখ কৰিছে। অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ৰাজ্যপালৰ ভাষণৰ ওপৰত তেওঁ অলপ আগতে বক্তৃতা দিছে। তেওঁ মুখ্যমন্ত্ৰী হৈয়ে দক্ষিণ শালমাৰা জিলাৰ হাটশিঙিমাৰীলৈ গৈছিল আৰু তাত ঘোষণা কৰিছিল যে- 'মই হাটশিঙিমাৰীলৈ আহোতে মেঘালয়ৰ ওপৰেদি আহিছো।' কিয়নো, অসমৰ মাজেৰে হাটশিঙিমাৰীলৈ যোৱাৰ কোনো ৰাস্তা নাই। তেখেতে

এই কথাটো গম পাই ঘোষণা কৰিলে যে লক্ষীপুৰৰ পৰা আইকাটা, শালকাটা, টুমনি, হাজিৰহাট, সুতসাৰ হৈ হাটশিঙিমাৰীৰ District Head Quarter লৈ যোৱাৰ বাবে ৰাজ্যিক ঘাইপথ নিৰ্মাণ হ'ব। তাৰ পিছত বিভাগীয় কৰ্তৃপক্ষই ৩৯৫ কোটি টকাৰ প্ৰাক্কলনো প্ৰস্তুত কৰিলে। এই প্ৰাক্কলন সম্পৰ্কে মই বিধান সভাৰ মজিয়াত কেইবাবাৰো প্ৰশ্ন উত্থাপন কৰিলো, কিন্তু, বিভাগে এতিয়া ক'বই নোৱাৰা হ'ল। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তেখেতৰ ভাষণত দক্ষিণ শালমাৰা, মানকাছাৰত যোৱা কথাটো ঠিকেই কৈছে, কিন্তু, তাত তেওঁ যি প্ৰতিশ্ৰুতি দি আহিছিল, তাৰে ১% কামো নহ'ল। লগতে, মুখ্যমন্ত্ৰী মহোদয়ে ব্ৰহ্মপুত্ৰ নদীৰ দুইপাৰে খনন কৰি Express Highway বনোৱাৰ কথাও ঘোষণা কৰিছিল। কিন্তু, Express Highway ক'ত? উজনি অসমত হৈছে নেকি? আমাৰ নামনিৰ ফালে কিন্তু হোৱা নাই। মুখ্যমন্ত্ৰী মহোদয়ে বোধকৰো ভাৱিছে যে তেওঁ ঘোষণা কৰা কামবোৰ নিশ্চিতৰূপে হৈ উঠিছে। কিন্তু, সঁচা অৰ্থত একো কাম হোৱা নাই। প্ৰত্যেক বছৰে গৰাখহনীয়াৰ ফলত লক্ষ লক্ষ লোকৰ ঘৰ-বাৰী ধ্বংস হয়, তেওঁলোকে মথাউৰি বা ক'ৰবাত ওখ ভেটিৰ ওপৰত যেনে তেনে আশ্ৰয় লৈ বসবাস কৰি আছে। তেওঁলোকৰ কাৰণে সংস্থাপনৰ কোনো ব্যৱস্থা নাই। বিধান সভাত প্ৰশ্ন কৰিলে উত্তৰ আহে যে তেওঁলোকৰ সংস্থাপনৰ ব্যৱস্থা কৰা হ'ব, কিন্তু, তেওঁলোক এতিয়াও মথাউৰি বা ওখ ভেটিৰ ওপৰতে আশ্ৰয় লৈ আছে । অধ্যক্ষ মহোদয়, গৰাখহনীয়া, বানপানী জ্বলন্ত সমস্যা নহয় নেকি? কিন্তু, অত্যন্ত দুৰ্ভাগ্যজনক কথা যে এই বাজেটখনত বানপানী, গৰাখহনীয়া সম্পৰ্কে এটা শব্দও উচ্চাৰণ কৰা নহ'ল। বিভিন্ন ব্যক্তিক বৃদ্ধ ভাত্তা, বিধৱা ভাত্তা প্ৰদান, অৰুণোদয় আদি আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছে। অধ্যক্ষ মহোদয়, অৰুণোদয় আঁচনিৰ হিতাধিকাৰী বাচনিৰ বাবে এটা গাইডলাইন প্ৰস্তুত কৰি পঠাইছিল। গাইডলাইন অনুসৰি গাওঁসভাৰ মিটিং হ'ব লাগিব, সেই মিটিঙত হিতাধিকাৰী হিচাপে বিধৱা, শাৰীৰিকভাৱে অক্ষম লোকসকলক বাচনি কৰিব লাগে । পৰৱৰ্তী সময়ত এই আঁচনিৰ হিতাধিকাৰীসকলে পঞ্চায়তৰ পৰা গাওঁসভাৰ মিটিং কৰি, পঞ্চায়তৰ সচিব, সভাপতি, B.D.O. ৰ চহী লৈ উপায়ুক্তৰ কাৰ্যালয়ত জমা দিলে। কিন্তু, এই নথি-পত্ৰবোৰ এফালে থৈ বিজেপিৰ কৰ্মীসকলে অৰ্থাৎ non-official লোকে বেলেগ list বনাই B.D.O.ক সেই listত চহী কৰাৰ বাবে হেঁচা দিলে। তেতিয়া B.D.O. ই ক'লে যে-'মই এইটো কেনেকৈ চহী কৰিম? গাওঁসভাৰ মিটিঙত select হৈ অহা list ত ইতিমধ্যে চহী কৰি দিছো, গতিকে এইখনত কৰিব নোৱাৰো।' অধ্যক্ষ মহোদয়, B.D.O. ই চহী নকৰাৰ পিছতো এই বিজেপিৰ কৰ্মীয়ে হিতাধিকাৰীৰ list বনালে, য'ত কোনো বিধৱাৰ নাম থকাৰ প্ৰশ্নই নুঠে। একোখন ঘৰৰে ৪-৫ জনকৈ সদস্যৰ নাম তালিকাত ভৰাই দিয়া হৈছে। অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ এই কথাখিনি মই পৱিত্ৰ সদনত তথ্য সহকাৰে কৈছো। গতিকে, এই ক্ষেত্ৰত তদন্ত কৰিলে ওলাই পৰিব। সেয়েহে, মই এই লেখানুদান বাজেটক নিৰ্বাচন কেন্দ্ৰিক বাজেট বুলি কৈছো। টকা-পইচা দি নিৰ্বাচনী বৈতৰণী পাৰ কৰাৰ বাবে এই বাজেটখন প্ৰস্তুত কৰা হৈছে। তাত অসমৰ জ্বলন্ত সমস্যা সমাধানৰ কথা উল্লেখ নাই। অধ্যক্ষ মহোদয়, বৰ্তমানৰ চৰকাৰখনে 'সবকা সাথ, সবকা বিকাশ'ৰ কথা কয়, কিন্তু, ইয়াত আমি পাইছো যে কোনোবা এটা সমষ্টিত উন্নয়নৰ বাবে যদি এক হাজাৰ কোটি টকাৰ আৱণ্টন দিছে, আমাৰ সমষ্টিত ১০-২০ কোটি, সৰ্বোচ্চ ৩০ কোটি টকাহে দিছে। ক'ত এক হাজাৰ কোটি টকা আৰু ক'ত ৩০ কোটি টকা! গতিকে, 'সবকা সাথ, সবকা বিকাশ' কিদৰে হ'ল? মুখ্যমন্ত্ৰী ডাঙৰীয়াই ভাষণত সুন্দৰকৈ কয়, কিন্তু , বাস্তৱত কি হৈ আছে? তেওঁ শূণ্য সহনশীলতাৰ কথা কয়, কিন্তু, মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ পৰাই এই দুৰ্নীতি আৰম্ভ হয় আৰু অসমত যিমান দুৰ্নীতি হৈ আছে তাক উদ্‌গনি দিয়াটো তাৰ

কাৰ্যালয়ৰ পৰাই চলি আছে। চাৰ, মই চাৰিবাৰকৈ বিধায়ক হৈছো। MGNREGA ৰ আঁচনি লওঁতে কোনো শতাংশ দিব লগা হোৱা নাছিল, ....(...অস্পষ্ট ধ্বনি (অনুভাষৰ বিসংগতি...).....

**শ্ৰী পদ্ম হাজৰিকা ( চতিয়া)ঃ** অধ্যক্ষ মহোদয়, Point of order, শালীনতা ৰক্ষা কৰি বক্তব্য ৰাখিলে ভাল হয়। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ কাৰ্যালয়ক 'তাৰ কাৰ্যালয়ৰ পৰা' এনে মন্তব্য কৰাটো উচিত ন হ য .

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)ঃ** চাৰ, মই এই কাৰণেই কৈছো যে- দুৰ্নীতিগ্ৰস্ত বিষয়াবোৰক বদলি কৰা নহয়। এজন বিষয়াৰ তিনিবাৰকৈ বদলিকৰণৰ নিৰ্দেশ ওলোৱাৰ পিছতো তেওঁক মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ পৰা তেওঁক stay কৰা হয়। এইয়া কি? উদ্‌গনি কোনে জগাইছে? কাৰণ মুখ্যমন্ত্ৰীৰ কাৰ্য্যালয়ৰ পৰাই ....(...অস্পষ্ট ধ্বনি (অনুভাষৰ বিসংগতি...).....

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, আপোনাৰ হাতত যিহেতু প্ৰমাণ নাই, আপুনি বক্তব্য ৰাখোতে কেৱল সন্দেহ প্ৰকাশ কৰো বুলি ক'ব।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)ঃ** হয়। আমি জীৱনতো শুনা নাছিলো যে MGNREGAৰ টকা লওঁতে ১০% দিব লাগে। আমাৰ ধুবুৰী, দক্ষিণ শালমাৰা জিলাত ...........(অস্পষ্ট ধ্বনি (অনুভাষৰ বিসংগতি)........ MGNREGA বাদ দিয়ক, MLA Fund ৰ পৰাই জিলা উপায়ুক্তক ১০% টকা দিব লাগে। এইয়া মই প্ৰমাণ কৰি দিব পাৰো। মোৰ MLA Fund ৰ পৰা ১০% টকা লৈছে। ইয়াতকৈ আৰু কি লাগে?

**মাননীয় অধ্যক্ষ ঃ** You give in writing.

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)ঃ** অধ্যক্ষ মহোদয়, ইয়াৰ ওপৰত মই com-plain দিছিলো, কিন্তু ইয়াৰ কোনো উত্তৰ পোৱা নাই ...........অস্পষ্ট ধ্বনি (অনুভাষৰ বিসংগতি........ (সদনত হুলস্থূলীয়া পৰিৱেশৰ উৎপন্ন হয়)।

**মাননীয় অধ্যক্ষ ঃ** Please quiet. You continue (শ্ৰী ওয়াজেদ আলী চৌধুৰীক উদ্দেশ্যি).

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)ঃ** মুখ্যমন্ত্ৰী ডাঙৰীয়াই ভাষণত শূণ্য সহনশীলতাৰ কথা কৈছে, কিন্তু দুৰ্নীতি ক'ত হোৱা নাই? টকা নিদিলে থানাত কেচ ৰেজিষ্টাৰ নহয়। ...........অস্পষ্ট ধ্বনি (অনুভাষৰ বিসংগতি)........ একেবাৰে সঁচা কথা কৈছো। ...........অস্পষ্ট ধ্বনি (অনুভাষৰ বিসংগতি)........ মুখ্যমন্ত্ৰীয়ে ভাষণ দিওঁতে আমি ধুনীয়াকৈ শুনি আছিলো। ...........অস্পষ্ট ধ্বনি (অনুভাষৰ বিসংগতি...).....

**মাননীয় অধ্যক্ষ ঃ** আপুনি মোক address কৰক (শ্ৰী ওয়াজেদ আলী চৌধুৰীক উদ্দেশ্যি)।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)ঃ** চাৰ, স্বাধীনতাৰ পিছত এনেকুৱা দুৰ্নীতি আজিলৈকে কোনো দিনে হোৱা নাই। এইখন চৰকাৰৰ দিনতে highest দুৰ্নীতি হৈছে আৰু তাক প্ৰমাণ কৰি দিম। এইবোৰ আমি practically গম পাই আছো। গতিকে, তেওঁলোকে শূণ্য সহনশীলতাৰ কথা কোৱাৰ কোনো যুক্তি ইয়াত নাই। অধ্যক্ষ মহোদয়, আজি ২০-৩০ বছৰৰ পৰা ভেঞ্চাৰ স্কুল খুলি শিক্ষক সকলে আশা কৰি আছে যে তেওঁলোকৰ বিদ্যালয়ৰ প্ৰাদেশিকীকৰণ হ'ব। কিন্তু, কি হ'ল? একেখন স্কুলৰ দুজন বা তিনিজন শিক্ষকক নিযুক্তি দিয়া হ'ল ...........অস্পষ্ট ধ্বনি (অনুভাষৰ বিসংগতি)........

(সদনত পুনৰ হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

**মাননীয় অধ্যক্ষ ঃ** সদনত এক শান্তিপূৰ্ণ আলোচনা হোৱাৰ বাবে মই কৈছো। এই ক্ষেত্ৰত আমাৰ

সকলোৰে ধৈৰ্য্য, সহনশীলতা লাগিব আৰু দৰকাৰ অনুসৰি বক্তাৰ বক্তৃতাত point of order দিছে, য'ত মই আপত্তি কৰা নাই। মূল কথাটো হ'ল যে নিৰ্দিষ্ট কোনো কাগজ-পত্ৰৰ ভিত্তিত যদি কথা কৈছে তেন্তে ঠিকেই আছে। এনেই অনুমান কৰি কথা নক'ব। আপুনি যিহেতুকে এগৰাকী জ্যেষ্ঠ বিধায়ক গতিকে আপুনি এই কথাবোৰ ভালকৈ জানে। এয়া সত্য যে যিখিনি নূন্যতম শালীনতা, সেইখিনি লাগিবই। আমি কওঁতে সন্দেহ প্ৰকাশ কৰি কোৱাত কোনো আপত্তি নাই।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)ঃ** অধ্যক্ষ মহোদয়, মই যিখিনি কৈছো সেইখিনি মোৰ সমষ্টিকেন্দ্ৰিক কথা কৈছো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বাজেটৰ ওপৰত হোৱা বিতৰ্কত নিজৰ সমষ্টিৰ হৈ নহয়, সমগ্ৰ ৰাজ্যৰ হৈ অংশগ্ৰহণ কৰিছে। যাৰ মাজত সমষ্টিৰ কথা কোৱাও মই আপত্তি কৰা নাই। আমাৰ মাজত আলোচনা হ'ব পাৰে আৰু ইয়াক সমালোচনাও কৰিব পাৰে। সকলোৰে এটা নিয়ম আছে। আজি আমি নতুন House ত বহিছো, গতিকে আমাৰ এটা standard থাকিলে ভাল। মই সংসদত কংগ্ৰেছ নেতা, বিজেপি নেতাসকলেও কোৱা দেখিছো। (...অস্পষ্ট ধ্বনি (অনুভাষৰ বিসংগতি...)

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)ঃ** যিখিনি ঘটনা ঘটি আছে, সেইখিনি যদি নকওঁ তেন্তে অন্যায় হ'ব (...অস্পষ্ট ধ্বনি (অনুভাষৰ বিসংগতি...)

**মাননীয় অধ্যক্ষ ঃ** আপোনাক মই ক'বলৈ বাধা দিয়া নাই। আপোনাক মই সন্মান কৰো। কিন্তু, আপুনি যে ক'লে- টকা নিদিলে পুলিচে কেচ ৰেজিষ্টাৰ নকৰে, এই কথাটোত মইও ক্ষুণ্ণ হৈছো। আপোনাৰ সমষ্টিৰ কোনোবা থানাত এনেধৰণৰ ঘটনা যদি ঘটিছে তেন্তে আপুনি নিৰ্দিষ্টভাৱে থানাখনৰ নাম কওঁক যাতে চৰকাৰে এই ক্ষেত্ৰত তদন্ত কৰিব পাৰে। এনেদৰে কৈ থাকিলে বহু সময় ল'ব। আমি বেছি সময় দিব নোৱাৰো। গতিকে, অলপ চমুকৈ কথাখিনি কওঁক।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)ঃ** অধ্যক্ষ মহোদয়, নতুন বিল্ডিঙত অন্ততঃ এই কথাবোৰ কৈ যাব লাগিব।

চাৰ, মই ভেঞ্চাৰ স্কুলৰ বিষয়ে কৈছিলো। ভেঞ্চাৰ স্কুলৰ ৬ গৰাকী শিক্ষকৰ ভিতৰত ৩ গৰাকী শিক্ষকক লৈছে, কিন্তু, যি ৩ গৰাকীক নিযুক্তি দিছে, তেওঁলোকক seniority ৰ ভিত্তিতহে দিব লাগে। কোনোবা গৰাকী শিক্ষকে Director ক লগ কৰিছে, তেন্তে তেওঁৰ নিযুক্তিটো হৈছে। ........(...অস্পষ্ট ধ্বনি (অনুভাষৰ বিসংগতি...)..... অধ্যক্ষ মহোদয়, এনেকুৱা অৱস্থা হৈছে যে Senior ৰ জনৰ নাম অহা নাই, Junior জনৰ নাম আহিছে। ৩ গৰাকীৰে নাম Seniority ৰ ভিত্তিত আহিব লাগিছিল। এই সম্পৰ্কে আমি Director লৈও লিখিছো যে- Senior থাকোতে Junior ক কিয় নিযুক্তি দিছে?

**মাননীয় অধ্যক্ষ ঃ** এতিয়ালৈ ইয়াৰ উত্তৰ পাইছে নেকি?

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)ঃ** নাই পোৱা অধ্যক্ষ মহোদয়, অৱশেষত ইয়াৰ ওপৰতো কৰি দিছে। আগৰ স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলৰ অৱস্থা কি হ'ব? Right to Education মতে আমাৰ প্ৰতি এক কিঃমিঃৰ অন্তৰালত এখন এল.পি. স্কুল হ'ব লাগে, কিন্তু আমাৰ চৰ অঞ্চলত ৩ কিঃমিঃ পৰ্যন্ত কোনো স্কুল নাই। ভেঞ্চাৰ স্কুল খুলি তাত পাঠদান কৰাই আছিল। কিন্তু তিনি গৰাকী শিক্ষকক অন্য স্কুলত নিযুক্তি দিয়াৰ লগে লগে ছাত্ৰ-ছাত্ৰী সকলৰ কি অৱস্থা হ'ব। বাদ পৰি যোৱা শিক্ষকসকলৰ কি হ'ব? আজি মাননীয় মুখ্যমন্ত্ৰীয়ে ভাষণত ভেঞ্চাৰ স্কুলৰ বিষয়ে কোৱাৰ বাবে তেওঁক ধন্যবাদ জ্ঞাপন কৰিছো। গতিকে অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই চৰকাৰক আহ্বান কৰিব বিচাৰিছো যে যিসকল শিক্ষকে দীৰ্ঘদিন ধৰি যিখন স্কুলত শিক্ষকতা কৰি আছিল,

তেওঁ সেই স্কুলখনতেই শিক্ষকতা কৰিব দিব লাগে। তেতিয়াহ'লে এই ল'ৰা-ছোৱালীখিনিয়ে ভালদৰে শিক্ষা গ্ৰহণ কৰিব পাৰিব।

মাননীয় অধ্যক্ষ মহোদয়, কৃষি বিভাগৰ PM কিষাণ মুখ্যমন্ত্ৰীৰ ফালৰ পৰা সা-সঁজুলিৰ বাবদ ৫০০০ কৈ টকা দিয়া হৈছিল। সেইটোতো বহু ঠাইত বহু অফিচাৰ বৰ্খাস্ত আৰু গ্ৰেপ্তাৰ হ'ল। ধুবুৰীতো তেনেকুৱা হৈছে। কিন্তু ধুবুৰীৰ ক্ষেত্ৰত মই বিধান সভাতো উত্থাপন কৰিছিলো। মোৰ নিজৰ ৰেভিনিউ ভিলেজ বিচিং গাওঁ পঞ্চায়ত, আমিনুৰ চৰ ৰেভিনিউ ভিলেজ এটা মেম্বাৰ সমষ্টিত তাত কিমান ঘৰ বা পৰিয়াল থাকিব পাৰে। ৩ হাজাৰ PM কিষাণৰ বেনিফিচিয়াৰী সেই ৰেভিনিউ ভিলেজত আছে। কিন্তু এজনো তাৰে সদস্য নহয়। ইয়াৰে কমপ্লেইন কৰাৰ পিচতো ইয়াৰ কোনো এতিয়ালৈকে তদন্ত হোৱা নাই। গড়কাপ্তানী বিভাগৰ ক্ষেত্ৰত হয়তো আমি ক'লে আমাৰ মাননীয় বিধায়ক সকলে টান পায়। কিন্তু পাৰচেণ্টেজ নিদিয়াকৈ কোনো ঠিকাদাৰে কাম পাইছে বুলি ক'ব নোৱাৰিব। নিয়ম-নীতিৰ কোনো কথা নাই। সকলো ধোঁৱা চাঙত। যি ঠিকাদাৰে পইচা দিছে, তেওঁলোকে কাম পাইছে। যিসকলে পইচা দিয়া নাই, তেওঁলোকে কাম পোৱা নাই। চৰকাৰে ইয়াৰ তদন্ত কৰিব। মই বিৰোধী হিচাপে আমাৰ দায়িত্ব অভিযোগ অনাৰ আৰু মই অভিযোগ আনিছো। চৰকাৰৰ দায়িত্ব তদন্ত কৰাৰ আৰু আপোনালোকে তদন্ত কৰিব। PM কিষাণৰ ক্ষেত্ৰত দূৰ্নীতি হোৱা নাই বুলি আপোনালোকে ক'ব খুজে নেকি? যদি শূণ্য সহনশীলতাৰ কথা ইয়াত নকলেহেঁতেন তেন্তে মই ইয়াত তদন্তৰ কথা নকলোহেঁতেন। আগৰ যিমান চৰকাৰ আছিল এই সকলো চৰকাৰকে অতিক্ৰম কৰি এই চৰকাৰৰ দিনত সকলোতকৈ বেছি দুৰ্নীতি হৈছে।

(সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়।)

**মাননীয় অধ্যক্ষ** ঃ আপুনি মোৰ ফালে চাই উত্তৰ দিয়ক। তেওঁলোকে যি কয় ক'বলৈ দিয়ক।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অলপ আগতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে মহিলা সকলৰ সৱলীকৰণৰ কাম যথেষ্ট খিনি কৰিছে আৰু কৰিবলগীয়া আছে। মই ভাৱো যে মহিলা সকলৰ সৱলী কৰণৰ কাম যদি কৰিছে তেন্তে ইউ পি এ চৰকাৰেহে কৰিছে, আমাৰ চৰকাৰে কৰিছে। মই এনেই কোৱা নাই। মহিলা সকলৰ বাবে যদি ৫০ শতাংশ সংৰক্ষণ পঞ্চায়ত আৰু মিউনিচিপালিটিত নানিলেহেঁতেন তেন্তে মহিলা সকল কেতিয়াওঁ সৱল হ'ব নোৱাৰিলেহেঁতেন। এই কথাটো আমি মানিব লাগিব। গতিকে এই আত্ম সহায়ক গোটৰ আজি নতুনকৈ জন্ম হোৱা নাই। প্ৰয়াত তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰৰ আৰম্ভণিৰ দিনতেই এই আত্ম সহায়ক গোটৰ জন্ম হৈছিল। এই কথাসমূহ শুনোতে বেয়া লাগে। আগতে এই অসমখন অন্ধকাৰত আছিল। এই চৰকাৰে আহি পোহৰাই তুলিলে। আপোনালোকৰ সহযোগীপাৰ্টি অগপ চৰকাৰৰ দিনত গুপ্ত হত্যাৰ পৰা আৰম্ভ কৰি কি পৰিস্থিতিৰ সৃষ্টি হৈছিল, সেই বিষয়ে আপোনালোকে সকলোৱে জানে। প্ৰয়াত তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰৰ দিনত অসমত শান্তি ঘূৰি আহিছে, উন্নয়ণৰ কাম আৰম্ভ হৈছে। গতিকে ইয়াৰ ক্ৰেডিট আপোনালোকে ল'লে নহ'ব। ধলা শদিয়া ব্ৰীজৰ কথা আপোনালোকে আজি কৈছে। কিন্তু এই ব্ৰীজৰ কাম কোনে আৰম্ভ কৰিছিল? ধুবুৰী ফুলবাৰী ব্ৰীজ কোনে আৰম্ভ কৰিছিল? ২০০৮ চনত অসম চৰকাৰ আৰু মেঘালয় চৰকাৰে ধুবুৰী ফুলবাৰী ব্ৰীজৰ প্ৰস্তাৱ দিছিল। গতিকে আমি বনোৱা ব্ৰীজৰ আপোনালোকে ফিতা কাটি বাহ বাহ ল'ব বিচাৰিছে। আপোনালোকে প্ৰকৃততে যিসমূহ প্ৰতিশ্ৰুতি দিছে, সেই সমূহ এতিয়ালৈকে ৰূপায়ণ হোৱা নাই।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। আপোনাক মই ২০ মিনিট সময় দিলো আৰু আপুনি অসুবিধা পোৱা বাবে ৫মিনিট সময় বেছিকৈ দিলো। এতিয়া আপুনি শেষ কৰক। This is a debate. Ev-

erybody will accuse you and other will protect. This is not the way. কোনে কি কয় বা নকয় সকলো ৰেকৰ্ডত থাকিব। যেতিয়া উত্তৰত আহিব সদস্য সকলে ইজনে আনজনক ক্লিয়াৰ কৰিব পাৰিব। কিন্তু মই এইটো কথা কৈছো যে শালীনতাটো ৰক্ষা কৰি কথা ক'লে আমাৰ কাৰণে ভাল হয়। কাৰণ আমাৰ প্ৰত্যক্ষ প্ৰমাণ কিছুমান নাথাকে। গতিকে direct accuse কৰাৰ আগতে শালীনতা ৰক্ষা কৰি কথা ক'লে ভাল হয়। এতিয়া নোমল মমিন ডাঙৰীয়াই কওঁক।

**ডাঃ নোমল মমিন (বোকাজান )** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাক সম্ভাষণ জনাইছো। এই বিধান সভাৰ যিটো নতুন বিল্ডিং তাত আমাক আমাৰ ৫ বছৰীয়া বিধায়কৰ কাৰ্য্যকালৰ অন্তিম দিনত ক'বলৈ সুবিধা দিয়াৰ কাৰণে। এই নতুন বিল্ডিঙত আমি বক্তব্য ৰাখি এটা নতুন মন লৈ ইয়াৰ পৰা যাম। আকৌ এটা নতুন চৰকাৰ আমি কৰিম আৰু ২০২১ চনৰ মে মাহত ৫ বছৰৰ কাৰণে আকৌ ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰ ইয়াত আহিব আৰু আকৌ ইয়াত আমি শপত গ্ৰহণ কৰিম। আপোনাৰ অনুমতি লৈ মই ভূপেন হাজৰিকা দেৱৰ এটি গীতেৰে মই মোৰ বক্তব্য আৰম্ভ কৰিব বিচাৰিছো।

"মানুহে মানুহৰ বাবে, যদিহে অকনো নাভাৱে, ভাৱিব কোনে নো কোৱা অ' সমনীয়া"

মই গায়ক নহয়, সেইকাৰণে হয়তো কৰোবাত ভুল হ'ব পাৰে, ক্ষমা কৰি দিব। আজি আমাৰ চৰকাৰখনে প্ৰথম বাৰৰ বাবে মানুহে মানুহৰ বাবে ভাৱি কাম কৰিছে। আজি অসমৰ চুকে-কোণে, গাঁৱে-ভূঁএঃ, পাহাৰে-ভৈয়াম একাকাৰ কৰি সকলো অঞ্চলৰ উন্নয়নৰ কাম কৰিছে। ভূপেন হাজৰিকা দেৱৰ আত্মাই আজি সন্তুষ্টি পাইছে আৰু আজি তেওঁ স্বৰ্গৰ পৰা আমাক আশীৰ্বাদ কৰিছে। এই চৰকাৰে মানুহে মানুহৰ বাবে চিন্তা কৰিছে। অধ্যক্ষ মহোদয়, বিৰোধীয়ে কয় যে আমাৰ এই চৰকাৰখন বিফল হৈছে, অৰ্থনৈতিকভাৱে ভাঙি পৰিছে। কিন্তু এটা কথা আমি চাব লাগিব যে বৃটিছৰ শাসন কালত অসমৰ GDP, National GDP ত কৈ বেছি আছিল। আজি যদি আমি চাওঁ আমাৰ চৰকাৰখনৰ ৫ বছৰ সম্পূৰ্ণ হোৱাৰ পিছত National GDP 6.11 ঠাইত অসমৰ GDP 7.71. *আচ্ছা দিন আ গ্যায়া।* এইটোৱেই পৰিৱৰ্তন। আমি ভালদিনলৈ আগবাঢ়িছো। কংগ্ৰেছৰ দিনত অসমত ৩ খন চৰকাৰী কলেজ আছিল। ডিফু কলেজ, হাফলং চৰকাৰী মহাবিদ্যালয় আৰু কটন মহাবিদ্যালয়। বৰ্তমান সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া আৰু শিক্ষামন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা দেৱৰ নেতৃত্বত ১৫ খন চৰকাৰী মহাবিদ্যালয় আমি বনাইছো আৰু একাডেমিক চেচনো আৰম্ভ কৰিছো। কেৱল আধাৰশিলা স্থাপন কৰিয়েই থোৱা নাই। মোৰ সমষ্টিতো দৈত চৰকাৰী মহাবিদ্যালয় আমি পাইছো। কংগ্ৰেছ চৰকাৰৰ দিনত ৫ খন মেডিকেল কলেজ হৈছিল। ১৯৪৭ চনৰ অসম মেডিকেল কলেজ ৩ খনৰ পৰা আৰম্ভ কৰি। কিন্তু আমাৰ ভাৰতীয় জনতা পাৰ্টীৰ সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ চৰকাৰ আৰু শিক্ষামন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আমি সাত খন কলেজ বনাইছো আৰু দুখন মেডিকেল কলেজৰ এই বছৰৰ পৰা শিক্ষা বৰ্ষ আৰম্ভ হৈছে আৰু দুখনৰ আধাৰশিলা স্থাপন হৈছে। অৰ্থাৎ ৯ খন। পাৰ্থক্যটো চাওঁক যে পৰিৱৰ্তন কেনেকৈ হৈছে। ২০০৬ চনৰ পৰা ২০১৬ চনলৈ ৰাস্তা পকীকৰণ হৈছিল ৮৫০০ কিলোমিটাৰ। আমি ৫৫ হাজাৰ চাকৰিয়ালক এন আৰ চিত লগাই থোৱাৰ পিছতো, ২০১৬ ৰ পৰা ২০১৯ চনৰ জুলাই মাহৰ ৩১তাৰিখলৈকে আমি বিষয়া পোৱা নাছিলো। তাৰ পিছত আকৌ ডিচেম্বৰৰ ১২ তাৰিখৰ পৰা 'কা' আন্দোলন আৰম্ভ হোৱাৰ পৰা কাম সম্পূৰ্ণ ৰূপে বন্ধ হৈ পৰিছিল। যেনেতেনে কাম অলপ আৰম্ভ হোৰৰ পিছত ২০২০ ৰ ২৫ মাৰ্চৰ পৰা কাম বন্ধ হোৱাৰ পিছত আমাৰ চৰকাৰ খনে ১৯ হাজাৰ কিলোমিটাৰ

ৰাস্তা পকীকৰণ কৰিছে। ৫ বছৰত ১৯ হাজাৰ কিলোমিটাৰ ৰাস্তা পকীকৰণ কৰিছো। দহ বছৰত ৮৫০০ কিলোমিটাৰ ৰাস্তা তেওঁলোকে পকীকৰণ কৰিছে। চাৰি বছৰত আমি ‘কৰোণা’ আৰু ‘কা’ যদি এৰি দিওঁ , ১৯ হাজাৰ কিলোমিটাৰ ৰাস্তা পকীকৰণ কৰিছো। । এই বিধান সভাত মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ চকীৰ পৰাই বিধান সভা স্থগিত কৰি সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত বান পীড়িতৰ ওচৰলৈ আমি সকলো বিধায়ক গৈছিলো। এইটো এটা প্ৰথম বাৰৰ বাবে অসমৰ বুৰঞ্জীত আমাৰ বিধান সভাত আমি দেখিবলৈ পাইছিলো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই এটা কথা কৈছিল যে *বুজুৰ্গো কে লিয়ে দৱাই, বচ্চো কে লিয়ে পঢ়াই আৰু যুৱাও কে লিয়ে কমাই*। বুজুৰ্গো কে লিয়ে দৱাই য'ত আছে, অটল অমৃত যোজনাৰ কাৰণে কাৰ্ড, আয়ুষ্মান ভাৰতৰ কাৰ্ড, ২ লাখ আৰু ৫ লাখ টকাকৈ দিবলৈ আমি সক্ষম হৈছো। আমি অৰুণোদয় আঁচনিৰ জৰিয়তে ৩০০ টকাকৈ ঔষধ দিবলৈ ধাৰ্য্য কৰিছো। বৃদ্ধ পেঞ্চন আমি ২০০ টকাকৈ দিবলৈ সক্ষম হৈছো। বচ্চো কে লিয়ে পঢ়াই, এই অসম চৰকাৰে প্ৰায় ১৮ লাখ ছাত্ৰ-ছাত্ৰীক অসমত বিনামূলীয়া নামভৰ্ত্তি, বিনামূলীয়া কিতাপ, টিউচন, বিনামূলীয়া ইউনিফৰ্ম দিবলৈ সক্ষম হৈছে। গুণোৎসৱৰ সময়ত আমি স্কুললৈ গৈছিলো। আগতে কোনজন ছাত্ৰ-ছাত্ৰী, অভিভাৱক ধনী বা দুখীয়া দেখিবলৈ পোৱা যায়। দুখীয়া ছাত্ৰ-ছাত্ৰী সকলে ফটা পেণ্ট বা ফটা কাপোৰ পিন্ধি স্কুললৈ যোৱা দেখা পোৱা গৈছিল। এতিয়াৰ চৰকাৰে বিনামূলীয়া ইউনিফৰ্ম দিয়াৰ কাৰণে সকলোৰে ইউনিফৰ্ম একেই। কোনজনী ছোৱালী দুখীয়া বা ধনী ঘৰৰ আমি গম নাপাওঁ। এইয়া পৰিৱৰ্ত্তন নহয় নেকি ? এনেধৰণৰ পৰিৱৰ্তন আমি পাইছো। আমি যদি চাওঁ বৰ্তমান চৰকাৰে ছাত্ৰ-ছাত্ৰী সকলৰ বাবে ৩ শতাংশ সুতত ঋণ দিছে। এইয়াই হৈছে বচ্চো কে লিয়ে পঢ়াই। যুৱাও কে লিয়ে কমাই, আমাৰ অসম চৰকাৰে স্বয়ম আঁচনি লৈ ১,৪২,৭৯০ গৰাকী উঠি অহা যুৱক-যুৱতীক ৩০ হাজাৰ টকাকৈ আৰ্থিক অনুদান আগবঢ়াইছে। য'ত যুৱক সকলে নিজৰ ভৰিত থিয় হৈ উপাৰ্জন কৰিবলৈ সক্ষম হ'ব। আজি যদি চাই অসম আন্দোলনে সুদীৰ্ঘ ৩৫ বছৰ পাৰ কৰাৰ পিছত যি অসম-বাংলাদেশ কাটা তাঁৰ বোৰ্ডাৰ ছীল কৰিব লাগে বুলি কৈছিল। কিন্তু বিগত চৰকাৰৰ দিনত অসম-বাংলাদেশ সীমাই নিৰ্দ্ধাৰণ নহ'ল। ২০০5 চনত প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিং, প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈ আৰু আছুৰ মাজত বৈঠক হৈছিল। এন আৰ চি উন্নীতকৰণ আৰু চাৰিসীমা ছীল কৰিবলৈ চুক্তি হৈছিল। কিন্তু ২০১৪ লৈকে সেই যি চুক্তি, চুক্তি হৈয়েই থাকিল। মাননীয় নৰেন্দ্ৰ মোদী ডাঙৰীয়া প্ৰধানমন্ত্ৰী হোৱাৰ পিছত বাংলাদেশৰ লগত সীমা বিবাদ নিষ্পত্তি কৰাৰ পিছত দ্ৰুত গতিত ভাৰত-বাংলাদেশ সীমাত কাটা তাঁৰ বেৰ দিয়া আৰম্ভ হ'ল আৰু আমি প্ৰায় সম্পূৰ্ণ কৰিলো। এইটো অসম চৰকাৰৰ বৃহৎ উপলব্ধি। অধ্যক্ষ মহোদয়, মই নিজকে বহুত Lucky বুলি ভাৱো। কিয়নো অসমৰ দুগৰাকী ভোটা তৰা ৰাজনীতিবিদ মাননীয় সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া আৰু হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া, এই ভোটা তৰাৰ লগত আমিও জোনাকী পৰুৱাৰ দৰে অলপ অলপ পোহৰ বিলাবলৈ সুবিধা পোৱাৰ বাবে। আজি অধ্যক্ষ মহোদয়, একে দিনত অসমত ২৯,৭০০ তকৈ অধিক শিক্ষকক নিযুক্তি দিছে। আজি অসমৰ বুৰঞ্জীত সোণালী আখৰে সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া আৰু হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নাম লিখা থাকিব। কৰোণাৰ সময়ত মাৰ্চ মাহত আমি যি আৰম্ভ কৰিছিলো অসমত কোনো ICU নাছিল। এটা এটা মেডিকেল কলেজৰ কোনোবা এটা ইউনিটত মাত্ৰ ১২-১৫ টাকৈ ICU আছিল। এখন মেডিকেল কলেজত সৰ্বমুঠ ৪০-৫০টা ICU আছিল। কিন্তু আমাৰ সৰ্বানন্দ সোণোৱাল চৰকাৰৰ নেতৃত্বত সক্ৰিয় মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই পিযুষ হাজৰিকা ডাঙৰীয়াক লগত লৈ ১০০০ খন ICU বেড ক্ৰিয়েট কৰিলে।

14 খনতকৈ অধিক ভেণ্টিলেটৰ আনিলে। আমি প্ৰথমতে ভাৱিছিলো আমি যদি ICU ত যাব লাগে আমাৰ কি অৱস্থা হ'ব? তেতিয়া এই পৰিস্থিতিৰ পৰা মোকাবিলা কৰিবলৈ যেনেকৈ কাম কৰা হ'ল, মই ভাৱো ভাৰতবৰ্ষৰ কোনো এখন ৰাজ্যত তেনেকৈ কাম কৰিব পৰা নাই। কোনোবাই দিল্লী, কেৰেলা মডেলৰ কথা কয়। দিল্লীত মৃত্যুৰ হাৰ ৩.৮ শতাংশ। কিন্তু অসমত ০.৪৬ শতাংশ। আমি যদি আজি মৃত্যুৰ হাৰ চাওঁ Assam is a far better State to control the COVID-19. ইমান সফলতাৰে আমি কাম কৰিছো। অধ্যক্ষ মহোদয়, আপুনি যদি চাই Multi Model Logistic Park ৭০০ হাজাৰ কোটি টকাৰে যোগীঘোপাত আমি আৰম্ভ কৰিবলৈ গৈ আছো। ৩০০০ কোটি টকা ইতিমধ্যে চেংচন হৈছে। ইটোৰ পৰা বেলেগ দেশত লেনদেন হ'ব, বেলেগ বেলেগ ৰাজ্যৰ লগত ইয়াত আদান-প্ৰদান হ'ব। আমাৰ ব্যৱসায় বহুত ভাল হ'ব। বহু যুৱকে ইয়াত কৰ্ম সংস্থাপনো পাব। এনেধৰণৰ কাম আমি ইয়াত কৰি আছো। আজি আমি গৌৰৱেৰে কওঁ যে যেতিয়া আমি গাওঁলৈ যাওঁ আৰু মানুহৰ মুখবোৰলৈ চাওঁ খুব স্ফুৰ্তিত আমাক দেখিলে হাঁহি মাত লগায়। আগৰ চৰকাৰৰ আছিল ৰাইজৰ পদূলিত ৰাইজৰ চৰকাৰ। মন্ত্ৰী বিধায়ক সকলে ৰাইজৰ পদূলিত যায়। কিন্তু কোনো উন্নয়ণ নহয়। এতিয়া বিজেপি চৰকাৰৰ দিনত ৰাইজৰ পদূলিত ৰাইজৰ ৰাস্তা হৈছে। গাঁৱে-ভূঁএে ৰাস্তা পকীকৰণ হৈছে। আজি কাৰ্বি আংলঙত মোৰ সমষ্টি বোকাজানত তিনিটাকৈ জলপ্ৰপাত পৰ্য্যটনৰ কাৰণে উন্নত কৰিছো। টাইফ'লাংচু, ককোলাংচু আৰু লাংবকো ২৩ কোটি টকাৰে কাম আৰম্ভ হৈছে। এই এপ্ৰিল মাহত মই বিধান সভাত বহি থকা সকলো সদস্যক নিৰ্বাচন শেষ হোৱাৰ পিছত মোৰ সমষ্টিলৈ এই তিনিটা জলপ্ৰপাত চাবলৈ আহিবলৈ নিমন্ত্ৰণ জনালো। এই তিনিটা জলপ্ৰপাত মই আপোনালোকক দেখুৱাম আৰু আপোনালোকে কাৰ্বি আংলঙৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিব পাৰিব। এইয়া হৈছে আমাৰ চৰকাৰৰ এটা উদাহৰণ আপোনালোকে চাই ল'ব পাৰিব।

**মাননীয় অধ্যক্ষ ঃ** Try to conclude.

**ডাঃ নোমল মমিন (বোকাজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি বাগানসমূহত যেতিয়া campaign কৰিব গৈছিলো তাত চিপচিপীয়া বৰষুণ দি থকাৰ বাবে সোমাব নোৱাৰা অৱস্থা। বাগানৰ লাইন বিলাকতো আৰুৱেই সোমাব পৰা অৱস্থা নাছিল। কিন্তু সেয়া এতিয়া পৰিবৰ্তন হ'ল। বাগানৰ মাজেদি সুন্দৰ ৰাস্তা বনোৱা হৈছে। বাগানৰ লোক সকলে এতিয়া নিজৰ পদূলিৰ সন্মুখৰ ৰাস্তাটো সাৰে। বাগানৰ ৰাস্তাটোক মৰম কৰা মানেই আমাৰ চৰকাৰখনকো মৰম কৰা বুজায়। আমি এনেকুৱা ধৰণৰ কাম কৰিছো। ইয়াৰ উপৰিও অসম দৰ্শনত আমাৰ মঠ-মন্দিৰ, গীৰ্জা আদি বনাবলৈ সক্ষম হৈছো আৰু তালৈ যোৱা ৰাস্তা বিলাকো পকীকৰণ কৰিছো। খুব সুন্দৰভাৱে আমি কাম কৰিছো। অধ্যক্ষ মহোদয়, আগৰ চৰকাৰৰ দিনত অসমৰ সত্ৰৰ মাটি সন্দেহযুক্ত নাগৰিকৰে ভৰি পৰিছিল। এই সন্দেহযুক্ত নাগৰিকসকলক উৎখাত কৰি সত্ৰৰ মাটিসমূহ আমি বে-দখলমুক্ত কৰিছো আৰু শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত ১৮৮ কোটি টকা দিছো, যিটো গুৰুজনাৰ নামত শ্ৰদ্ধাঞ্জলি দিয়াৰ এক ডাঙৰ উদাহৰণ। আজি চৰকাৰখনে নিষ্ঠা আৰু সততাৰে কাম কৰিছে। পাহাৰ ভৈয়াম সকলোতে কাম হৈছে। অধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ দিছো কাৰণ Speaker's Initiative ত আপুনি বিধায়ক সকলক ক'বলৈ সময় দিলে। মই বিশেষকৈ ধন্যবাদ দিওঁ কাৰণ আপুনি শিক্ষাৰ ওপৰত সম্পূৰ্ণ এটা দিন এই পবিত্ৰ সদনত আলোচনা কৰিবলৈ সুবিধা দিলে। চাহ বাগানৰ ওপৰত, পাহাৰৰ ওপৰত বিশেষকৈ কাৰ্বি আংলং আৰু ডিমা হাছাওৰ ওপৰত ক'বলৈ সুবিধা দিলে। গতিকে পাহাৰীয়া লোক সকলৰ হৈ মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। আজি

আমি যদি মন কৰো বেম্বো পাৰ্ক ডিমা হাছাওত হৈছে, APSC training Centre অসমৰ কোনো জিলাত দিয়া নাই ডিমা হাছাওত স্বায়ত্ব শাসিত পৰিষদৰ বাহিৰে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই পাহাৰক ইমান মৰম কৰিছে তাৰ বাবে আমি তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ ডাঙৰীয়া আপুনি আমাক ইয়াত আলোচনা কৰিবলৈ সুবিধা দিয়াৰ বাবে আমি বহু কথা ক'ব পাৰিছো। কাৰ্বি আংলঙত আজি মেডিকেল কলেজ হৈছে, 'ল' কলেজ sanction হৈছে, Science College হৈছে। কে উদিশতে আমি আগবাঢ়িবলৈ সক্ষম হৈছো। মোৰ সমষ্টিত Science College, Model Government College, ৬ খন কৈ Higher Secondary School, তাৰে ৪ খন Central Government College. মই মাননীয় ৰঞ্জিত দাস ডাঙৰীয়াকো ধন্যবাদ দিব বিচাৰিছো কাৰণ আমাৰ চাহ বাগিছাতো Higher Secondary School হৈছে। এইবিলাক কাম আমাৰ সমষ্টিত খুৱ সুন্দৰভাৱে হৈছে। আগতে বৰপুন, তেলাপুন নিচিনা ঠাইত কোনো বিধায়কে যোৱা নাছিল কাৰণ তাত গাড়ী যাব নোৱাৰে। মই তেতিয়া ক'লো যে আমি truck লৈ যাম। তেতিয়া জনসাধাৰণে ক'লে যে এইটো সন্ত্ৰাসবাদী অঞ্চল গতিকে আপোনাৰ যাবলৈ অসুবিধা হ'ব। মই ক'লো যে তেওঁলোকোতো মোৰ সমষ্টিৰে মানুহ। যি হয় দেখা যাব। তাৰ পিছত মই ট্ৰাক লৈ তালৈ গ'লো আৰু ২০১৭ চনত উৰুকাৰ দিনা মই পাহাৰত উঠি গ'লো। তাত গৈ দেখিলো খুৱ বেয়া অৱস্থা, কাৰেন্ট নাই। তাৰ পৰা আহিয়ে মই চৰকাৰলৈ লিখিলো আৰু ১৫০০ ঘৰত solar connection ৰ প্ৰস্তাৱ দিলো। তাৰে ভিতৰত ১২০০ instal হৈ গ'ল আৰু বাকী ৩০০ ও সোনকালে হ'বলৈ গৈ আছে। এতিয়া তাত পোহৰ। অধ্যক্ষ মহোদয়, আমাৰ কাৰ্বি আংলঙৰো বহুতো সমস্যা আছে। Article 244 (A) ৰ কথা বহুবাৰ উঠে। এইবিলাকৰো পৰৱৰ্তী সময়ত যাতে সফল সমাধান হয় সেয়া আমি আশা কৰো। 6th Schedule Area ৰ অন্তৰ্গত village council আৰু regional council ৰ provision আছে। এইবিলাকো দি যাতে আমাৰ পাহাৰীয়া জিলা সমূহে সকলো সুবিধা পায়, তাৰবাবে আমি আশা কৰিছো কাৰ্বি আংলঙত গাওঁবুঢ়া সকলৰ দৰমহা মাত্ৰ ৭০০ টকা। কিন্তু অসমৰ আন অঞ্চলৰ গাওঁবুঢ়া সকলে পায় ৯০০০ টকাকৈ। ইয়াৰ ওপৰত যোৱা বিধান সভাত মই প্ৰশ্ন উত্থাপন কৰিছিলো। মন্ত্ৰী মহোদয়ে কৈছে অহাবাৰ জুন-জুলাইত যিটো বাজেট হ'ব তাত কাৰ্বি আংলঙৰ চৰকাৰী গাওঁবুঢ়া সকলৰ বাবে ভাল খবৰ আহিব। মই তাৰবাবে তেখেতক ধন্যবাদ দিছো। অধ্যক্ষ মহোদয়, সদৌ শেষত মই আপোনাক কোটি কোটি প্ৰনাম জনাইছো কাৰণ যোৱা ৫ বছৰত পাহাৰীয়া জিলা সমূহৰ ওপৰত ক'বলৈ আপুনি আমাক সময় দিলে। শেষত মই ক'বলৈ বিচাৰিছো যে আমাৰ চৰকাৰখন কেতিয়াও নৰখে আৰু কেতিয়াও তল নপৰে। আমি সদায়ে কাম কৰি যাম আৰু আগবাঢ়ি যাম। আমাৰ বাজপেয়ী ডাঙৰীয়াই কৈছিল যে -*"চোটে দিল ছে কোই বড়া নেহি হো সকতা, টুটে দিল ছে কোই খাড়া নেহি হো সকতা।"*আমাৰ ভাৰতীয় জনতা পাৰ্টীৰ মুখ্যমন্ত্ৰীকে ধৰি সকলো মন্ত্ৰীৰ কাৰোৰে মন ভাঙি যোৱা নাই। সেইকাৰণে আমি আগবাঢ়ি যাম। সেইকাৰণে মই কৈছো *'না ঝুকেঙ্গে না ৰুকেঙ্গে, চলো বঢ়তে, চলো বঢ়তে, চলো বঢ়তে।'*জয় আই অসম, জয় হিন্দ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী আমিনুল ইছলাম। তাৰ আগতে শ্বেৰমান আলী ডাঙৰীয়া অপুনি কি expand কৰাৰ কথা কৈছিলে সেইটো কওঁক।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য মমিন ডাঙৰীয়াই কৈছে যে তেখেতসকলে সন্দেহযুক্ত নাগৰিকক উচ্ছেদ কৰিলে। মোৰ প্ৰশ্নটো হ'ল যে এই সন্দেহযুক্ত নাগৰিক সকল বিদেশী নে স্বদেশী? যদি তেওঁলোক বিদেশী, চৰকাৰ যে ৫ বছৰ

থাকিল, তেওঁলোকক কিয় detention camp ত নপঠালে আৰু যদিহে তেওঁলোক বিদেশী নহয় তেতিয়াহ'লে এই ধৰণৰ শব্দ উচ্চাৰণৰ পৰা বিৰত থাকিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মই আপোনাৰ কথাৰ অৰ্থটো বুজিছো।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰখনে যিটো লেখানুদান দিছে এইখন পঢ়ি আমি হতাশ হৈছো যে অনাগত দিনত আমাৰ ৰাজ্যৰ ভৱিষ্যৎ কি হ'ব? অধ্যক্ষ মহোদয়, বাজেটটোক কোৱা হয় যে Budget is an anticipited estimation only. It is not an election manifesto. বাজেটখন নিৰ্বাচনী ইস্তাহাৰ নহয়। এই বাজেটখনত বহু কথাই প্ৰতিফলিত হয়। চৰকাৰৰ জনসাধাৰণৰ প্ৰতি দৰদ, সদিচ্ছা, ৰাজ্যখনক আগুৱাই লৈ যোৱাৰ প্ৰতিশ্ৰুতি, চৰকাৰৰ আন্তৰিকতা সকলো কথা এই বাজেটৰ জৰিয়তে প্ৰতিফলিত হয়। যিখন লেখানুদান ইতিমধ্যে আমাক দিয়া হ'ল তাত আমি বহু কেইটা কথাই দেখিলো। কিন্তু চৰকাৰৰ আন্তৰিকতা আমি ৰাইজৰ প্ৰতি দেখা নাই। এইখন চৰকাৰে বিগত ৫ বছৰত যিমান বাজেট দাখিল কৰিলে আমি দেখি লো যে বাজেট বক্তব্যত যিবিলাক শব্দ তৰঙ্গ ব্যৱহাৰ হয়, যিবিলাক কথা তাত উল্লেখ কৰা হয়, সেইবিলাক শুনিবলৈ বহুত সুন্দৰ। তাত গীতাৰ শ্লোক থাকে, অসমৰ বৰেণ্য কবি সকলৰ কিছুমান উদ্ধৃতি থাকে। মই পূৰ্বেও কৈছো যে বৰ্তমান ৰাজ্য চৰকাৰে দি থকা একো একোখন বাজেট একো একোটা উৎকৃষ্ট সাহিত্য। তাত আঁচনিবিলাকৰ নাম সমূহো ইমান ধুনীয়াকৈ লিখে যেনে- অষ্টাদশ মুকুতাৰ উন্নয়নী মালা, তেজস্বী নৱদ্বীপ এনেধৰণৰ শব্দ ব্যৱহাৰ কৰে। অধ্যক্ষ মহোদয়, যোৱা ৫ বছৰত ৰাজ্য চৰকাৰে যিমান বাজেট দাখিল কৰিলে তাৰে কিমান implement কৰিলে আৰু ৰাজ্যবাসীয়ে কিমান সুফল লাভ কৰিলে? মই প্ৰথমে ২০১৬-১৭ চনৰ বাজেটৰ এটা উদ্ধৃতি দিব বিচাৰিছো। অধ্যক্ষ মহোদয়, যিহেতু এইখন চৰকাৰে তেওঁলোকৰ প্ৰথম পূৰ্ণাঙ্গ বাজেট ২০১৬-১৭ ত দাখিল কৰিছিল, তাত কোৱা হৈছিল যে প্ৰত্যেক বছৰে ২০১৭-১৮ ৰ পৰা ৬৩৫৬ খন গাওঁ মুখ্যমন্ত্ৰীৰ সমগ্ৰ গাওঁ উন্নয়ন যোজনাৰ অধীনত গ্ৰহন কৰিব আৰু ৪ বছৰত গৈ ২৫,৪২৫ খন গাওঁ হ'ব য'ত প্ৰত্যেক বছৰ ১ কোটি ২০ লাখ টকাকৈ খৰছ কৰা হ'ব আৰু মীন বিপ্লৱ, দুগ্ধ বিপ্লৱ, জৈৱিক বিপ্লৱ, ভূমি ব্যৱস্থাপনা বিপ্লৱ, ৰেচম বিপ্লৱ, খাদী বিপ্লৱ, যুৱ-ক্ৰীড়া বিপ্লৱ, এনেকুৱা ৯ টা ক্ষেত্ৰ চিহ্নিত কৰা হৈছিল। কিন্তু ৫ বছৰ গ'ল। ২০১৬-১৭ ৰ পৰা প্ৰত্যেকবাৰ ৰিপোৰ্টত থকা এই কথাটো কিন্তু নহ'ল।

(Hon'ble Deputy Speaker in the chair)

মাত্ৰ ৪৪৪ খন গাওঁতহে খেল-পথাৰৰ কিছু কাম কৰিলে আৰু দেখা গ'ল যে ৯১২৫ খন ট্ৰেক্টৰ দিলে। বাকী যিবোৰ জৈৱিক বিপ্লৱ বা আন কথা কোৱা গ'ল সেই সমূহত কোনো কাম নহ'ল। আন এটা কথা ২০১৬-১৭ চনত কোৱা হৈছিল যে ৬১,০০০ নলী-নাদ তেওঁলোকে জলসিঞ্চনৰ কাৰণে দিব কিন্তু আমি দেখিছো যে মাত্ৰ ১০ শতাংশও ৫ বছৰত তেওঁলোকে সম্পূৰ্ণ কৰিব পৰা নাই। ২০১৬-১৭ চনত আৰু এটা কথা কৈছিল যে ৪ খন জিলাত ৪০ টা দুগ্ধ সমবায় সমিতি গঢ়া হ'ব। কিন্তু যোৱা ৫ টা বছৰে এইটো প্ৰতিশ্ৰুতিও ৰক্ষা কৰিব নোৱাৰিলে। ২০১৬-১৭ চনতে Vivacious Assam নামৰ এটা প্ৰকল্পৰ কথা উল্লেখ কৰা হৈছিল। কিন্তু আজিলৈকে আমি তাৰ একো সুফল নাপালো। ২০১৬-১৭ চনতে আৰু এটা কথা কৈছিল যে উন্নয়ণৰ নামত ব্যক্তিগত হিতাধিকাৰীক উপঢৌকন দিয়াৰ পূৰ্বৰ চৰকাৰৰ যিটো ব্যৱস্থা সেই ব্যৱস্থাটো এই চৰকাৰে নাইকিয়া কৰিব। কিন্তু এই একেটা বস্তুকে তেওঁলোকে বেলেগ এটা ধৰণে আৰম্ভ কৰিছে। তেওঁলোকৰ কথা আৰু কামৰ মাজত পাৰ্থক্য কিয়? এই কথাবোৰ আমি বিবেচনা কৰিব লাগিব। পূৰ্বৰ চৰকাৰৰ

দিনত যিসকল ছাত্ৰ-ছাত্ৰীক লেপটপ দিয়া হৈছিল তেওঁলোকে সেইটো লোক ৰঞ্জনবাদী populist বুলি কৈছে। তাত তেওঁলোকে লিখিছিল যে লেপটপ-computer প্ৰদান কৰাটো লোক ৰঞ্জনবাদী populist আঁচনি বুলি আৰু আমাৰ চৰকাৰে এ নে ধৰণৰ আঁচনি বন্ধ হোৱাটো বিচাৰো। এ নে ধৰণৰ আঁচনি তেওঁলোকে বন্ধ কৰিম বুলি কৈছিল। কিন্তু তাৰ এবছৰ পাছতেই তেওঁলোকে বাজেটত ক'লে যে তেওঁলোকে স্কুটি দিব। যদি এইবিলাক লোক ৰঞ্জনবাদী populist হয়, তেনেহ'লে তেওঁলোকে লেপটপৰ সলনি কিয় স্কুটি দিলে? তেওঁলোকৰ কথা আৰু কামৰ মাজত মিল কিয় নাই? কথা আ্ৰু কামৰ মাজত সামঞ্জস্য থাকিব লাগে। আমি সেইটোহে বিচাৰো। ২০১৬-১৭ ৰ বাজেটত আৰু এটা কথা কোৱা হৈছিল যে তাত বিশ্বজুৰি শিক্ষাৰ পুনৰ ৰিৱাজ। বিশ্বত নেতৃত্ব বহন কৰাৰ যিটো প্ৰধানমন্ত্ৰীৰ আঁচনি সেইটো অসমত ৰূপায়ণ কৰা হ'ব। বিশ্বজুৰি শিক্ষাৰ পোহৰ বিলাই ভাৰতক বিশ্বজুৰি প্ৰতিষ্ঠা কৰাৰ যিটো প্ৰতিশ্ৰুতি দিছিল তাৰ প্ৰতিফলন দেখা গ'ল। কিছুদিন পূৰ্বে যেতিয়া কিছুমান বিদ্যালয়ত প্ৰাদেশিকীকৰণ কৰা হ'ল দেখা গ'ল যে সেই সমূহৰ মিনিমাম ২-৩ জন শিক্ষকক প্ৰাদেশিকীকৰণ কৰি অধিকাংশকে tutor বনাই তেওঁলোকক বেলেগ স্কুলত attachment ত দি দিয়া হ'ল। গতিকে স্কুলসমূহ নাইকীয়া হৈ গ'ল। এতিয়া ছাত্ৰ-ছাত্ৰী সকলৰ কি হ'ব? যোৱকালি আকৌ সংবাদ মাধ্যমত দেখিলো যে চাবি আৰু মাটিৰ তথ্যবিলাক DC ক হস্তান্তৰ কৰিবলৈ দিছে। স্কুল নথকা অঞ্চল বিলাকত ৰাইজে এই venture school সমূহ প্ৰতিষ্ঠা কৰিছিল আৰু যিসমূহ স্কুলে তাৰ লৰা-ছোৱালী বিলাকক শিক্ষাৰ ক্ষেত্ৰত আগুৱাই লৈ গ'ল এতিয়া এই শিক্ষক সকলক বেলেগলৈ লৈ গ'ল। কিছুমান স্কুল বন্ধ হৈ গ'ল। আকৌ তেওঁলোকে ২০১৬-১৭ ত কৈছিল যে শিক্ষাৰ পোহৰ জগতত বিলাই এই ভাৰতক বিশ্ব গুৰুৰ আসনত প্ৰতিষ্ঠা কৰাৰ কথা কৈছিল। এই চৰকাৰৰ এনেবোৰ কাৰ্য্য কলাপ। ক'বলৈ দুখ লাগে যে অমি এনেকুৱা এখন ৰাজ্যত বাস কৰো। আমি জানো যে এই venture school সমূহ য'ত প্ৰতিষ্ঠা কৰিম তাত যদি infrastructur development হয়, 100% literacy rate হৈ যায়, তেনেহ'লে তেওঁলোকৰ চেতনা হৈ যাব কেৰেলাৰ নিচিনা। এই সকল নাগৰিক ৰাজনীতি সচেতন হৈ যাব। তেওঁলোকক অন্ধ বনাব পৰা নাযাব। তেওঁলোকে চিন্তা-চৰ্চা কৰি ভোট দিব। এইবিলাক hidden agenda হিচাপে লোৱা হ'ল। এই কথাটো আমি বুজি পাইছো। কিন্তু আমি বিচাৰো যে এই hidden agenda বিলাক বাস্তাৱায়িত হ'ব নালাগে আৰু কেৰেলা ৰাজ্যৰ নিচিনা আমি সুবিধা দিব লাগে। তেওঁলোকে বিবেচনা কৰি যাতে ৰাজনৈতিক সিদ্ধান্ত ল'ব পাৰে।

আপোনাৰ জৰিয়তে মই আৰু এটা কথা ক'ব বিচাৰিছো যে ২১ খন জিলাত ২১ খন নতুন polytechnic college হ'ব বুলি ২০১৬-১৭ চনতে বাজেট বক্তব্যত ঘোষণা কৰিছিল। এতিয়া কিমানখন হ'ল আমি সকলোৱে জানো। আৰু এটা কথা কোৱা হৈছিল যে ৮ খন জিলাত DIET প্ৰতিষ্ঠা কৰিব কিন্তু ৫ বছৰতো এইটো কিয় নহ'ল? তেওঁলোকে আৰু কৈছিল যে প্ৰতিখন উন্নয়ন খণ্ডত একোখনকৈ যুৱকেন্দ্ৰ স্থাপন কৰা। ৫ বছৰতো এইটো প্ৰতিশ্ৰুতিও কিয় পূৰণ নহ'ল? উপাধ্যক্ষ মহোদয়, আৰু কোৱা হৈছিল যে Mouka Ambulance প্ৰত্যেক জিলাত দিয়া হ'ব। এইবিলাক কিয় দিয়া হোৱা নাই? যি ৪-৫ খন দিছিলে তাৰ পৰিচালক কিয় নাই? যাৰবাবে এইবোৰ অচল হৈ পৰিছে। গতিকে কথা আৰু কামত মাজত মিল থাকিব লাগে। ২০১৬-১৭ চনতে বাজেটত আৰু এটা কথা কৈছিল যে সংখ্যালঘু অঞ্চলত প্ৰতিটো পৰিয়াললৈ চোলাৰ পেনেল দিয়া হ'ব কিন্তু নহ'ল। উপাধ্যক্ষ মহোদয়, আৰু এটা কথা হৈছিল এই বাজেট খনত যে প্ৰতিঘৰ চাহ বনুৱা লোকৰ ঘৰত মিটাৰ দিয়া হ'ব যাৰবাবে ৩৪ কোটি টকা ধাৰ্য্য কৰা হৈছিল। এতিয়াও

কিন্তু চাহ বাগান এলেকাত ইয়াৰ বহুত কাম বাকী আছে। শিৱসাগৰত অজান পীৰ ক্ষেত্ৰৰ বাবে ১০ কোটি টকা ধাৰ্য্য কৰা হৈছিল কিন্তু এইটো আজিলৈ মোকলাই দিয়া নাই। এইটো এটা সাথৰ যে কিয় আজিলৈ এই টকাটে ।মোকলাই নিদিলে। কুঠৰীত ড° ভূপেন হাজৰিকাৰ আৱাসগৃহ এইখন চৰকাৰে মেৰামতি কৰিব বুলি ২০১৬-১৭ চনতে বাজেটত কৈছিল কিন্তু ৫ বছৰে তেওঁলোকে নকৰিলে। যোৱা বছৰ Ajmal Foundation তাৰ দায়িত্ব ল'বলৈ আগুৱাই যাবলগা হ'ল। তেওঁলোকে ২০১৬-১৭ চনতে কোৱা এই কথাবোৰ কিয় বাস্তাৱায়িত নকৰিলে?

মাননীয় উপাধ্যক্ষ মহোদয়, তাত কোৱা হৈছিল **৫২১** খন দৰবংঙা গাওঁত Solar Micro Grid আৰু Standalone কৰিব বুলি কৈছিল। আজিলৈকে **২১** খনে কিয় নহ'ল। পাচঁবছৰ পাৰ হৈ গ'ল। মাননীয় উপাধ্যক্ষ মহোদয়, **২০১৬-১৭** চনত এটা কথা কোৱা হৈছিল ব্ৰহ্মপুত্ৰৰ নদীৰ বুকু খান্দি দুয়ো ফালে express highway কৰাৰ কাৰণে **১৫০০** কোটি টকা ধাৰ্য্য কৰিছিল। গতিকে ব্ৰহ্মপুত্ৰৰ নদীৰ বুকু কিয় নাখান্দিলে, বানপানী গড়াখহনীৰ কি অৱস্থা এই কথাবিলাক আৰু মই নতুনকৈ ক'বলৈ নাযাও মাননীয় উপাধ্যক্ষ মহোদয়। **২০১৬-১৭** চনত আৰু এটা কথা কোৱা হৈছিল প্ৰত্যেক সমষ্টিতে একোখন পঞ্চায়তত digital literacy পঞ্চায়ত কৰা হ'ব। কিন্তু আজিলৈকে কিয় কৰা নহ'ল।

প্ৰত্যেক গাৱঁতে high speed broad band internet দিয়া হ'ব বুলি কৈছিল। কিন্তু পিছত দেখা গ'ল কিছুমান সমষ্টিত এখন দুখন গাৱঁত কৰিছে। হুSmart city ৰ কাৰণে গুৱাহাটীত **২২৫৭** কোটি টকা **২০১৬-১৭** চনৰ বাজেটত দিয়া হৈছিল। আজি Smart city ৰ কি অৱস্থা এইটো বিষয়ে মাননীয় উপাধ্যক্ষ মই আৰু বহলা নকওঁ। তাৰ পিছত এইবাৰ বাজেট প্ৰাক্কলন ব্যয়ৰ লেখানুদান দিয়া হ'ল তাত কিন্তু **২৩২৪৫** খন স্কুটি এতিয়ালৈকে দিয়াৰ কথা কৈছে, সেইটো মই ভাল কথা বুলি ক'ম। কিন্তু আৰু এটা সেইবিলাকৰ কাৰণে বহুতো দুৰ্ঘটনা ঘটিছে ছোৱালী বিলাকৰ তেওঁলোকক আগতে driving licence বিলাক দিব দিয়া নাই। এইবিলাক অলপ আগতে চিন্তা কৰিব লাগিছিল। আৰু এটা কথা হ'ল Uniform ৰ কথা এগৰাকী বিধায়কে কৈছিল। Uniform কেলেংকাৰীৰ নামত ৭০০ টকাকৈ per uniform দিয়া হয়। তাত যিসকলে ঠিকা লয়, তেওঁলোকে কিমান টকা কাটি ৰাখে, আকৌ এইটোৰ বিভাগীয় বিষয়াক বা ওপৰত দিব লাগে। এখন uniform ত ২০০ টকাকৈ filed ত নাপায়, এই ৭০০ টকাৰ বাকীখিনি কত ক'ত যায়, এই কথাখিনিৰ তদন্ত কৰাৰ প্ৰয়োজন আছে। ম্যাদি পট্টা খিলঞ্জীয়া মানুহক দিয়াৰ কথা চৰকাৰে কৈছে। কিন্তু তাৰ আগতে আমি দেখিছো যেনে ৰাম দেৱ, বৰজাৰ বিমান বন্দৰ আদানি আম্বানি আদিক মাটি হাজাৰ হাজাৰ বিঘা গটাই দিয়াৰ পিছত, এতিয়া কৈছে খিলঞ্জীয়াক কিঞ্চিত পৰিমানে ভূমি পট্টা দিয়া।

মাননীয় উপাধ্যক্ষ মহোদয়, তাৰ পিছত আৰু এটা কথা কোৱা যে আমাৰ ইয়াত bamboo mission যিটো প্ৰতিশ্ৰুতি দিয়া হৈছিল, এতিয়ালৈকে কিন্তু **১** শতাংশও কাৰ্য্যকৰী হোৱা নাই।

দশম শ্ৰেণীৰ বাবে বাধ্যতামূলক অসমীয়া শিক্ষা এইবাৰ বাজেটত উল্লেখ কৰিছে। কিন্তু বৰাক উপত্যকাত অসমীয়া ভাষীৰ যিমান শিক্ষক আছে এজনৰো post provisionalise নকৰিলে। মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰৰ্য্যান্তত উদ্যোগৰ কাৰণে অসমত এইখন বাজেটত কোনোধৰণৰ প্ৰতিশ্ৰুতি দেখা নাপালো। গতিকে এইখন এখন জনমুখী বাজেট বুলি কেনেকৈ কম। এইখন বাজেটত গড়াখহনীয়া প্ৰতিৰোধ কৰা, গড়াখহনীয়াত আক্ৰান্ত লোকসকলক সংস্থাপন দিয়াৰ কথা নাই। এইখন জনমুখী বাজেট বুলি কেনেকৈ ক'ম। মাননীয় উপাধ্যক্ষ মহোদয়, আইন শৃঙ্খলা

পৰিস্থিতি অসমত নিয়ন্ত্ৰণাধীন বুলি এই বাজেটত উল্লেখ কৰা হৈছে। আমাৰ এজন বিধায়ক সুজাম উদ্দিন লস্কৰ ডাঙৰীয়াই কৈছিল যে কেনেকৈ মিজোৰামে আক্ৰমণ কৰি অসমৰ বহু ঘৰ-বাৰী জলাই দিছে। মূখ্যমন্ত্ৰী ডাঙৰীয়া প্ৰতিশ্ৰুতি দিলে যে তাৰ পৰিস্থিতি নিয়ন্ত্ৰণ কৰা হৈছে। তেখেতে বক্তব্য দিয়াৰ পিছত যোৱাকালি আকৌ ২ কিলোমিটাৰ আগবাঢ়ি আহিছে। মিজোৰামৰ পুলিচ আৰু অসম আৰক্ষীয়ে **১০০** শতাংশ সহনশীলতাৰ পৰিচয় দিছে। গতিকে সদনৰ ভিতৰত শূণ্য সহনশীলতা আৰু সীমান্তত **১০০** শতাংশ সহনশীলতা, এইটো হৈ আছে আমাৰ অসমৰ বৰ্তমান অৱস্থা।

মাননীয় উপাধ্যক্ষ মহোদয়, আৰু এটা কথা কৈছে যে **৩০** ইউনিটকৈ বিদ্যুত বিনামূলীয়াকৈ দিয়াৰ কথা কৈছে। এই **৩০** ইউনিটকৈ বিদ্যুতৰ টকা কিমান হ'ব আমি সকলোৰে জানো। তাৰ লগে লগে যদি পিয়াজ, মিঠাতেল, দাইল আদিৰ মূল্য কমাই দিয়া হয়, তেতিয়া হ'লে যি এটা দৰিদ্ৰ পৰিয়ালে মাহে  কমেও **৩** হাজাৰ টকাকৈ অতিৰিক্ত মূল্য ভৰিব লাগিব মূল্যবৃদ্ধিৰ কাৰণে। গতিকে **৩** হাজাৰ টকা ভৰিব লাগিব মুল্যবৃদ্ধিত আৰু **৩০** ইউনিট বিজুলী বিনামুলীয়াকৈ দিব, এইবিলাক খেল আমি বুজি পাওঁ মাননীয় উপাধ্যক্ষ মহোদয়। এইবিলাক শোষণৰ নতুন আঁচনি।

যোৱাকালি সদনত কৈছে যে **৫** টকাকৈ পেট্ৰল, ডিজেলৰ মূল্য হ্ৰাস কৰিব। কিন্তু **৫** টকা হ্ৰাস কৰা আগতে আকাশলম্বী মূল্য কৰি পেলাই ইমানদিনে কিয় শোষণ কৰিছিল। এতিয়া ইলেকশ্বন অহাৰ কাৰণে **৫** টকা কমাব। কিন্তু য'ত বাংলাদেশ **৫৪** টকা লিটাৰ, শ্ৰীলংকাত **৬৩** টকাত দিব পাৰে, নেপালত যদি **৫৯** টকাত দিব পাৰে। আমাৰ চৰকাৰে  **৯০** টকাৰ পৰা **৫** টকা কমাই **৮৫** টকা কিয়। বাংলাদেশ, নেপাল দৰিদ্ৰ দেশৰ সমান কিয় দিব নোৱাৰে। আমাৰ এটা সন্দেহ হৈছে যে কৰ্নাটকত যেতিয়ালৈকে ইলেকশ্বন চলি আছিল তেতিয়ালৈকে পেট্ৰলৰ দাম কম আছিল, যিদিনাই ইলেকশ্বনত ভোট দি দিলে ৰাইজে, ভোট গণনাৰ আগতে পেট্ৰলৰ দাম বঢ়াই দিলে।

আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সদনত এটা কথা কৈ গ'ল যে সমন্নয়, সম্প্ৰীতি আমাৰ এইখন অসমত প্ৰতিষ্ঠা কৰাৰ কথা। আমি সমন্নয়, সম্প্ৰীতি অসমত প্ৰতিষ্ঠা বিচাৰো। কিন্তু দেখা গ'ল ইয়াত যিটো 65%, 35% অমুকৰ ভোট নালাগে, অমুকক গালি পাৰিলে ইত্যাদি এনেকুৱা কথাকে শান্তি সমন্নয় নহয় মাননীয় উপাধ্যক্ষ মহোদয়। শান্তি সম্প্ৰীতিৰ কাৰণে অন্তৰ লাগিব। মাননীয় উপাধ্যক্ষ মহোদয়, চৰকাৰ দুই ধৰণৰ থাকে, একধৰণৰ চৰকাৰ থাকে যিসকলে জনকল্যাণমূলক কাম কৰে, উন্নয়ন কৰে, সকলো জনসাধাৰণৰ মাজত শান্তি সমপ্ৰীতি প্ৰতিষ্ঠা কৰি উন্নয়নৰ পথত আগুৱাই লৈ যাব বিচাৰে। আৰু একধৰণৰ চৰকাৰ যিসকলে উন্নয়ন কৰিব নোৱাৰে তেওঁলোকে অৰ্থনৈতিক ব্যৱস্থা বিকল কৰি দিয়ে। তেওঁলোক যেতিয়া ব্যৰ্থ হয়, তেওঁলোকে নিৰ্বাচনত জিকাৰ কাৰণে ধৰ্মৰ নামত কাজিয়া লগাই দিয়ে।

মাননীয় উপাধ্যক্ষ মহোদয়, এখন বাজেটত সংখ্যালঘু কল্যাণৰ কাৰণে কোনো এটা প্ৰতিশ্ৰুতি নাই। অসমখন **৮১** হাজাৰ কোটি টকা ধাৰত কক বকাই আছে আৰু এখন বাজেটত গোটেই ৰাজ্যক উদ্ধাৰ কৰাৰ একো শব্দ নাই। এই বাজেটখন এখন জনকল্যাণমুখী বাজেট বুলি কব নোৱাৰি।

**মাননীয় উপাধ্যক্ষ** ঃ আপোনাৰ সময় সমাপ্ত হৈছে। এতিয়া মাননীয় সদস্য শ্ৰী গুৰুজ্যোতি দাস ডাঙৰীয়াক ক'বলৈ অনুৰোধ কৰিলো।

**শ্ৰীগুৰুজ্যোতি দাস (মঙ্গলদৈ)** ঃ তমচো মা জ্যোতি গময়া, মৃত্যু মা অমৃত গময়া, ওঁম শান্তি, ওঁম শান্তি, ওঁম শান্তি। মাননীয় উপাধ্যক্ষ মহোদয়, বাজেটৰ ওপৰত বক্তব্য ৰখাৰ সুবিধা দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো। বাজেটৰ ওপৰত ইতিমধ্যে বিৰোধী দলৰ সদস্য দুইজনে বক্তব্য ৰাখিছে আৰু আমাৰ শাসকীয় পক্ষৰ পৰাও বিধায়ক এজনে বক্তব্য ৰাখিলে ইতিমধ্যে। ইয়াৰ আগতে

ৰাজ্যপালৰ ভাষণৰ ওপৰত সৰ্বকালৰ সৰ্বচেষ্ট মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই এই পাঁচবছৰীয়া কাৰ্য্যকালত এক বৃষ্টিতত বৰ্ননা দি বক্তব্য ৰাখিছে। তাৰ পিছত আমাৰ চৰকাৰে কি কৰিছে কি কৰা নাই, তাৰ ওপৰত বক্তব্য ৰাখিবলগীয়া একো কথা নাই বুলি মই ভাৱো। তথাপিও যি বিধান সভাৰ নিয়মাৱলীত এই বাজেটৰ ওপৰত বক্তব্য ৰখাৰ মোৰ সুবিধা দিছে।

আমি যেতিয়া লাহে লাহে ডাঙৰ হৈ আহিলো বিধান সভাৰ অধিবেশন হয়, তেতিয়া আমি টি.ভিত চাওঁ, ৰেডিওত শুনো যে কি বস্তুৰ দাম বাঢ়িল, কি বস্তুৰ দাম কমিলে। যদি আমি এই পাচঁবছৰ লক্ষ্য কৰো তেতিয়া হ'লে এটা zero tax বাজেট এখন অসমৰ ৰাইজে পাবলৈ সক্ষম হৈছে। এই **২০২১-২২** চনৰ যি বাজেট বিত্তীয় মন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই দাখিল কৰিলে। ইতিমধ্যে তাৰ ওলোটা আৰু যোৱাকালি ৰাতিৰ পৰাই পেট্ৰল আৰু ডিজেলৰ দাম হ্ৰাস কৰা হৈছে। তাৰ উপৰি ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ ভিতৰত পেট্ৰ'লৰ মূল্য এটা নিম্ন হিচাপে প্ৰতিষ্ঠিত হৈছে। এই কথাখিনিও বিৰোধীয়েও উৎথাপন কৰিব লাগে। এই বাজেটখনৰ পৰা অসমৰ ৰাইজ কিমান উপকৃত হৈছে, হোৱা নাই তেওঁলোকে অনুধাৱন কৰিছে। কাৰণ মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বধীন চৰকাৰখনে যি আমাৰ বিজেপি মিত্ৰজোটৰ চৰকাৰখনৰ সময়ত যি জাতি মাটি ভেটিৰ কথা কৈছে তাক ৰক্ষা কৰাৰ ক্ষেত্ৰত এশ শতাংশই পালন কৰিছো তাৰো প্ৰমাণ ইতিমধ্যে মূখ্যমন্ত্ৰীৰ ভাষণ বক্তব্য ৰাখিছে। প্ৰাক্তণ প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেই ডাঙৰীয়াই বিজেপিৰ প্ৰথমগৰাকী সভাপতি। তেওঁ সংসদৰ মজিয়াত কৈছিল যে চৰকাৰ আহিব, চৰকাৰ যাব, পাৰ্টী বনাব, পাৰ্টী ভাঙিব, কিন্তু এই দেশখন থাকিব লাগে। আজি এই বিজেপিৰ মিত্ৰজোঁটৰ চৰকাৰখনে অসমৰ অস্তিত্ব ৰাখিৰব কাৰণে ভূমিহীন লোকক প্ৰায় **৩** লাখতকৈ অধিক লোকক ভূমি পট্টা প্ৰদান কৰিছে। ভাৰতবৰ্ষৰ স্বাধীনতাৰ পিছত এতিয়ালৈকে কোনেও এই কথা চিন্তা কৰা নাছিলে।

যি গুৰুজনাই সৃষ্টি কৰিছিল নামঘৰ, অসমীয়া জাতিক একত্ৰীত কৰিছিল। সেই গুৰুজনাক সন্মান জনাই যেতিয়া পৃথিবীত ধৰ্মৰ গ্লানি হয়, বেভিচাৰ হয় তেতিয়া যোগে যোগে এই ধাৰা লৈ দেৱতাসকল বিভিন্ন অৱতাৰ লৈ আহে। সেইকাৰণে গুৰুজনাক আবিৰ্ভাৰ হোৱা বুলি কয়, আবিৰ্ভাৰ তিথি পালন কৰে। সেই গুৰুজনে ধৰ্ম প্ৰচাৰ কৰিছিল। সেই গুৰুজনাই অসমীয়া জাতিক একত্ৰিত কৰিছিল। তেওঁৰ জন্মস্থানত এশ কোটিতকৈ অধিক প্ৰকাৰে আকৌ নতুনকৈ পুনৰ স্থাপন কৰিবৰ কাৰণে চেষ্টা কৰিছিল। ইতিমধ্যে গৃহমন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াইও এই শুভ কামৰ আৰম্ভণিও কৰিছে ।

ইতিমধ্যে এই চৰকাৰখনে যে অসমৰ ইতিহাসত বহু মাতৃৰ বুকু সুদা কৰিছে, বহুজনে পিতৃক হেৰুৱাইছে, বহুজনে ভাতৃক হেৰুৱাইছে। সেই শ্বহীদসকলৰ কথা কোনেও চিন্তা কৰা নাছিলে। সৰ্বকালৰ সৰ্বচেষ্ট এখন চৰকাৰে সেই শ্বহীদসকলক সন্মান জনাইছে। আজি গুৱাহাটীত এশ বিঘাতকৈ অধিক মাটি শ্বহীদ উদ্যান নিৰ্মাণ কৰিবৰ কাৰণে আগবাঢ়িছে। আৰু সেই শ্বহীদ পৰিয়ালক সন্মান জনাই যদিও শ্বহীদৰ মূল্য কেতিয়াও দিব নোৱাৰি কিন্তু প্ৰতিটো পৰিয়ালক **৫** লাখকৈ টকা ইতিমধ্যে প্ৰদান কৰি শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধা জনাইছে। ইতিমধ্যে গুৰুজনাই যি নামঘৰ স্থাপন কৰিছিল তাত বিত্তমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ যি দূৰদৰ্শী চিন্তাধাৰাৰ ফলস্বৰূপে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই আজি ৮ হাজাৰ ৭৫৬ টা নামঘৰত ২.৫ লাখকৈ টকাৰ প্ৰদান কৰি সেইসমূহ অনুষ্ঠানক সবল কৰিবৰ বাবে চেষ্টা কৰিছে । আজি বিশ্বৰ বুকুত আমি যদি চাওঁ যে বহুত সৰু-সুৰা বিভিন্ন ভাষা, বিভিন্ন জাতি-জনগোষ্ঠী আছে আৰু এই সমূহক গুৰুত্ব প্ৰদান কৰা নাযায় তেনেহ'লে এই বিশ্বৰ বুকুৰ পৰা বহুত জাতি-জনগোষ্ঠী হেৰাই গৈছে। এই চৰকাৰখনে এক আঁচনিৰ জৰিয়তে জাতি

আৰু ভাষাৰ গৌৰৱ সাহিত্য সভাত আৰ্থিক অনুদান আগবঢ়ায় ভাষা সমূহক সবল কৰিবৰ বাবে, ভাষা সমূহক গুৰুত্ব প্ৰদান কৰিবৰ কাৰণে। সেই কাৰণে অটল জি ৰ পাৰ্লিয়ামেন্টৰ যি বক্তব্য এই বাক্যশাৰী মই কৈছো যে এখন দেশক এই বিশ্বৰ বুকুত জীয়াই ৰাখিবলৈ, এখন ৰাজ্যক জীয়াই ৰাখিবলৈ এটা জাতিক জীয়াই ৰাখিবলৈ এই চৰকাৰ খনে যিটো ব্যৱস্থা গ্ৰহণ কৰিছে মই এগৰাকী প্ৰতিনিধি হিচাপে গৌৰবান্বিত। বিশ্বত ক'ভিড-১৯ মহামাৰীয়ে এটা দুৰ্যোগ আনি দিছিল, টিভিত যেতিয়া আমি বাতৰি বিলাক দেখিবলৈ পাইছিলো ইটালী, আমেৰিকাৰ দৰে দেশসমূহত ভয়াৰহ এটা পৰিস্থিতি দেখিলো তেতিয়া আমাৰ মনলৈ আহিছিল যে আৰু জীয়াই নাথকিম নেকি । কেইদিন মান পিছত মৃত্যুৰ মুখতে পৰিম নেকি । কিন্তু মুখ্যমন্ত্ৰী সৰ্বানন্দ ডাঙৰীয়া আৰু সৰ্বকালৰ, সৰ্বশ্ৰেষ্ঠ স্বাস্থ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া, ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী পিয়ুষ হাজৰিকা ডাঙৰীয়া ইমানখিনি কষ্ট কৰি এই চৰকাৰ খনৰ জনসাধাৰণৰ প্ৰতি যি দ্বায়িত্ব সেই দ্বায়িত্ব ১০০ শতাংশ পালন কৰি আজি ৰাইজক কৰ'ণাৰ পৰা পৰিত্ৰাণ পোৱাবলৈ সক্ষম হৈছে । ইতিমধ্যে মৃত্যুৰ সংখ্যা তেনেই নগণ্য। এই কথাখিনি প্ৰকাশ কৰিছে। এখন চৰকাৰ যি দায়িত্ব আৰু সেই দুৰ্যোগৰ সময়ত আজি যি সকলে NFSA কাৰ্ড নাছিল ১ হাজাৰ টকাকৈ তেওঁলোকৰ হাতত উঠাই দিয়া হৈছে। বিনামূলীয়াকৈ চাউল দুবাৰকৈ বিতৰণ কৰা হৈছে, শেষত ৰাইজে চাউল বেলেগত বিক্ৰী কৰিবলগীয়া হৈছে । ৪ টাকৈ বানপানী, ক'ৰোণাৰ দৰে মহামাৰী দুৰ্যোগৰ দৰে সন্মুখীন হওঁতেও এইখন চৰকাৰ জনসাধাৰণৰ লগত আছিল । ১০০ শতাংশ দায়িত্ব পালন কৰিছিল । এই খিনি কথা জনসাধাৰণে হৃদয়ঙ্গম কৰিছে । অধ্যক্ষ মহোদয়, মই দীঘলীয়া বক্তব্য নাৰাখো। আজি এই পৱিত্ৰ সদনত আপুনি মোক বক্তব্য ৰাখিব দিয়াৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো আৰু সদৌ শেষত এটা কথা ক'ব বিচাৰো যে অসমৰ ইতিহাসত এইখন চৰকাৰে সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ চৰকাৰ, বিজেপি মিত্ৰজোঁটৰ চৰকাৰ। ধন্যবাদ। জয় আই অসম। ভাৰত মাতা কি জয় ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া গুণীন্দ্ৰ দাস। ইয়াৰ পিছত কমল সিং নাৰ্জাৰী। মই এটা কথা ক'ব খুজিছো যে এইটো Vote on Account ৰ ওপৰত আলোচনা মুখ্য বাজেটত জুন-জুলাইত হ'ব। গতিকে আলোচনাতো প্ৰত্যেকটো দলকে মই কৰিবলৈ দিম । কিন্তু বহুতে নাম দিছে। আমাৰ ১০-১৫ দিনৰ ভিতৰত Code of Conduct আহিব এইখিনি মাত্ৰ কেইদিন মান চলিবৰ কাৰণেহে পইচা দিছো । সবিশেষ আলোচনাটো মই বাদ দিবলৈ ক'ম কাৰণ সময়ৰ কথাও আছে। ২ মিনিট সময় সকলোৰে পাব। কথাটো মই বুজিবলৈ কৈছো ।

**শ্ৰী গুণীন্দ্ৰ নাথ দাস (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ শাসক- বিৰোধী তথা সন্মানীয় সদস্য সকলে এই বিষয়ত বক্তব্য ৰাখিছে আৰু বিৰোধী পক্ষই এই বাজেট খনক এখন নিৰ্বাচনী ইস্তাহাৰ বুলি কৈছে । কিন্তু চাৰ আজিৰ ৫ বছৰত আমাৰ মাননীয় সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত এই মিত্ৰজোঁটৰ চৰকাৰ খনে আজি অসমৰ জনসাধাৰণৰ কাৰণে কিমান খিনি উন্নয়নমূলক কাম কৰিছে আচলতে তাক আমি প্ৰশংসা কৰিব লাগিব। ২০০৬ চনত যেতিয়া মই প্ৰথমবাৰ বিধায়ক হিচাপে এই সদনলৈ আহিছিলো তেতিয়া আমি বিৰোধী দলত আছিলো আৰু চাৰ সেই ৫ বছৰ কাৰ্য্যকালত আমি বিৰোধী দলৰ বিধায়ক হিচাপে আমি যিখিনি সন্মান পাব লাগিছিল সেইখিন নাপালো । আজি PWD বিভাগে ৫ বছৰত যিমানখিনি উন্নয়নমূলক কাম কৰিলে, সেই কামখিনিত বিৰোধী বা শাসকীয় পক্ষক যিমান খিনি গুৰুত্ব দিছে, আমি সেই সময়ত এটা ৰাস্তা বা দলঙৰ কাৰণে চাৰ ভিক্ষাৰীৰ দৰে ঘুৰি ফুৰিব লাগিছিল । এইটো মোৰ বাস্তৱ অভিজ্ঞতা কিন্তু এই ৫ বছৰ কাৰ্য্যকালত ৰাইজে এনেকুৱা এটা ভাবিছে যে নদীৰ মাজেৰে ৰাস্তা হয়, খালৰ মাজেৰে ৰাস্তা হয়

আৰু পথাৰৰ মাজতো ৰাস্তা হয় । গতিকে সমষ্টিবাসী ৰাইজে এতিয়া সকলো ৰাস্তা আমাৰ পৰা বিচাৰে চাৰ । গতিকে আমাৰ সমস্যা এটা হৈছে চাৰ আমি এতিয়া ইমান খিনি কাম কৰিছো তাৰ কাৰণে ৰাইজে এনেকুৱা এটা ভাবিছে যে যিকোনো বস্তু খুজিলে আমাৰ এই চৰকাৰে দিব পৰা ক্ষমতাটো আছে । মাত্ৰ PWD ৰ ক্ষেত্ৰত এটা কওঁ যে SOPD ৰ যিটো আমাক পুঁজি দিছে এতিয়াও মোৰ সমষ্টিত ৮.৫ কোটি টকাৰ কাম এতিয়াও বাকী আছে এই কথাটো মই চৰকাৰৰ লগতে বিভাগক অৱগত কৰিছো । যোৱা বছৰটো আমাৰ সকলোৰে কাৰণে দুৰ্ভাগ্যজনক দিন আছিল। ক'ভিদ মহামাৰিয়ে গোটেই বিশ্বৰ লগতে অসম চানি ধৰিছিল চাৰ আৰু ক'ভিদ মহামাৰীয়ে যেতিয়া আমি দেখিছো আমেৰিকা, ইটালী, ফ্ৰাঞ্চ, জাৰ্মানীত যি ভয়াৱহ পৰিস্থিতি, আমাৰ পৰিয়ালে কয় বাহিৰত নাযাবা ক'ভিড হ'ব । কিন্তু সেই সময়ত মাননীয় স্বাস্থ্য মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু মাননীয় পিযুষ হাজৰিকা ডাঙৰীয়াৰ নেতৃত্বত মুখ্যমন্ত্ৰীৰ পৰামৰ্শত আজি গোটেই অসমত ইমুৰৰ পৰা সিমুৰলৈ গৈ আজি আমাৰ স্বাস্থ্য বিভাগক যেনেকৈ উজ্জীৱিত কৰি সময়ৰ উপযোগী যি ব্যৱস্থা ল'লৈ তাৰ কাৰণে অসমৰ জনসাধাৰণে চাৰ আজি ক'ভিদৰ এই ভয়াৱহ পৰিস্থিতিত সকাহ পাবলৈ সক্ষম হ'ল । চাৰ মোৰো ক'ভিদ হৈছিল । মই প্ৰায় ১২ দিন বৰপেটা মেডিকেল কলেজত আছিলো। স্বাস্থ্য বিভাগৰ যি চিকিৎসা ব্যৱস্থা এখন নাৰ্চিহোমৰ নিচিনা । আমি শলাগ ল'ব লাগিব। গতিকে স্বাস্থ্য বিভাগে যিখিনি কাম কৰিলে সেই সময়চোৱাত আমি সকোলোৰে ধন্যবাদ দিব লাগিব কিন্তু বিৰোধী পক্ষই সেই ধন্যবাদটো নিদিয়ে চৰকাৰক। আমি সেই কাৰণে কৈছো ৰাইজৰ আস্থা আছে এই চৰকাৰৰ প্ৰতি আৰু মই ক'ব পাৰো যে আগন্তুক সময়তো এই চৰকাৰখন আহিব। আজি আপুনি কৈছে চাৰ এই লেখানুদান বাজেট তিনি মাহৰ কাৰণে । জুলাই মাহত এই চৰকাৰেই এই বাজেট কৰিব। গতিকে সেই কাৰণে আমি দাবী কৰিব পাৰো চাৰ আজি অসম দৰ্শণৰ কাৰণে প্ৰতিটো নামঘৰত, আজি ১০ লাখ টকা কৰি দিছে বিভিন্ন ধৰ্মীয় অনুষ্ঠানত। মন্দিৰ, মচজিদ ত ২.৫ লাখকৈ প্ৰতিটো সমষ্টিতে দিছে। এনেকুৱা বলিষ্ঠ পদক্ষেপ কোনো চৰকাৰে কৰা নাছিল। কাৰণ এই চৰকাৰক ৰাইজে খুজিব নালাগে চাৰ । আমাৰ সাহিত্য, সংস্কৃতি আদি ধৰ্মীয় পৰম্পৰা ৰক্ষা কৰাৰ কাৰণে চৰকাৰে অহৰহ কাম কৰি আহিছে। মাত্ৰ মই এইটো কথা উল্লেখ কৰিব খুজিছো যে আমাৰ সমষ্টিবাসীৰ ডিমাণ্ড যে আজি আমাৰ চৰকাৰে বটদ্ৰৱা সত্ৰত প্ৰায় ২০০ কোটি টকা আঁচনি দিছে চাৰ ভাল কথা হৈছে, যি খন আমাৰ গুৰুজনাৰ আবিৰ্ভাৱৰ ঠাই। কিন্তু চাৰ তাৰ লগে লগে চাব লাগিব যে আমাৰ গুৰুজনাৰ যি তেওঁৰ তীৰ্থস্থান, কৰ্মস্থান বৰপেটাৰ গণককুচি, পাটবাউসী সত্ৰ । গতিকে পৰৱৰ্তী সময়ত বৰপেটা সত্ৰ, গণককুচি সত্ৰ, পাটবাউসী সত্ৰৰ গুৰুত্ব দিয়াৰ কাৰণে মই চৰকাৰক আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো । এটা কথা ক'ব লাগিব যে স্বাস্থ্য বিভাগে আজি বিভিন্ন হৃদৰোগী শিশুসকলক অসমৰ বিভিন্ন স্থানলৈ উন্নত চিকিৎসাৰ বাবে পঠাইছে । ই এটা সচাঁই শলাগ ল'বলগীয়া কথা । আৰু চাৰ দেখা যায় ১৪ বছৰৰ তলৰ শিশু সকলক তেওঁলোকৰ স্বাস্থ্যজনিত কাৰণত ৫০ হাজাৰ টকাকৈ অনুদান দিছে যিটো আমি স্বীকাৰ কৰিব লাগিব। গতিকে চাৰ আজি স্বয়ম আঁচনিত যথেষ্ট হিতাধিকাৰীক সহায় কৰিছো লগতে অনুৰোধ কৰিছো চৰকাৰক এই হিতাধিকাৰীৰ যিটো সংখ্যা সেইটো বঢ়াব লাগে । এতিয়া অসমৰ বিভিন্ন ঠাইৰ লগতে মোৰ সমষ্টিটো বহুতে পাব বাকী আছে। গতিকে এই ক্ষেত্ৰত চৰকাৰে কিবা এটা ব্যৱস্থা ল'ব লাগে আৰু চৰকাৰে বাজেট ঘোষণাত কৈছে যে অৰুণোদয় আঁচনিৰ অনুদান ৩ হাজাৰলৈ বঢ়াব মই চৰকাৰক ধন্যবাদ দিছো কিন্তু এটা কথা চাব লাগিব চাৰ যিটো ১৮ লাখ গোটেই অসমত দিলে কিন্তু মই ভাৱো এতিয়াও অসমত বহুত হিতাধিকাৰী বাকী আছে । বহুতো

দুখীয়া পৰিয়ালে পাবলৈ বাকী আছে । গতিকে মই চৰকাৰক অনুৰোধ কৰো আমি ৩ হাজাৰ নহয় চাৰ আমি ১ হাজাৰ কৰো কিন্তু সংখ্যাটো ৪-৫ গুণলৈ বঢ়ায় দিব লাগে এই চৰকাৰলৈ মোৰ অনুৰোধ । গতিকে চাৰ আপোনাৰ জৰিয়তে মই চৰকাৰক ধন্যবাদ দিছো আৰু পৰবৰ্তী সময়তো এই চৰকাৰৰ দিনত গোটেই অসমত আমাৰ উন্নয়নমূলক কাম হ'ব তাকেই কামনা কৰি মোৰ বক্তব্য সামৰণি মাৰিছো । ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কমল সিং নাৰ্জাৰি।

**শ্ৰী কমল সিং নাৰ্জাৰি (বিজনী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে মই আজি ধন্যবাদ জ্ঞাপন কৰিছো যে আপুনি আজি অসম বিধান সভাৰ চলিত যি বিধান সভা তাৰ অন্তিম দিনাখন স্থানান্তৰ কৰি ইয়াত কথা ক'বৰ সুযোগ দিয়া বাবে। অসমৰ মাননীয় বিত্তমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই Vote on Account ৰ বাবে তেখেতে যি বাজেট দাখিল কৰিছে সেই বাজেটত তেখেতে যিবোৰ উল্লেখ কৰিছে তাৰে স্বাস্থ্য বিভাগত যিটো কথা উল্লেখ কৰিছে সচাকৈ প্ৰংশসনীয় বুলি আমি ক'ব লাগিব । কাৰণ ক'ভিড-১৯ ৰ সময়ত যিখিনি তৎপৰতাৰে যুদ্ধংদেহী মনোভাৱ লৈ দিন ৰাতি তেখেতে অক্লান্ত পৰিশ্ৰম কৰি স্বাস্থ্য বিভাগৰ ফালৰ পৰা ICU বিলাক বা গোটেই অসমত ক'ভিড-১৯ ৰ লগত যুজিবৰ কাৰণে যিখিনি ব্যৱস্থাপনা কৰিছে ইয়াত সুন্দৰকৈ তেখেতে উল্লেখ কৰিছে । এই কথাটো আমি সকলোৰে হৃদয়ঙ্গম কৰিব লাগিব । আৰু তাৰ বাবে আমি অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া লগতে স্বাস্থ্য বিভাগৰ মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে যিখিনি সহকৰ্মী আছে তেওঁলোকক আমি বিশেষকৈ ধন্যবাদ জ্ঞাপন কৰিছো । মই নিজে ক'ভিড-১৯ ত ভুক্তভোগী হিচাপে তাত গৈ যিখিনি সুযোগ সুবিধা পাইছে ই সচাকৈয়ে অতুলনীয় বুলি ক'বই লাগিব। ইয়াৰ পিছত আমি শিক্ষা বিভাগত যদি আহো, শিক্ষা বিভাগত যিখিনি স্কুল আমি প্ৰাদেশীকিকৰণ কৰিছো, কৰাৰ বিনিময়ত এম ই স্কুল বিলাক য'ত ৫-৬ টা শিক্ষক দিব লাগিছিল ইয়াত কিন্তু আমি তিনিজনকৈ শিক্ষক দিয়াৰ ব্যৱস্থা কৰা হৈছে । তিনি জনকৈ শিক্ষক নিযুক্তি দিয়াৰ পিছত তেওঁলোকৰ পদটো প্ৰাদেশীকিকৰণ কৰাৰ পিছত সেই সকল শিক্ষকক য'ত কাম কৰি আছিল তাত কাম কৰিবৰ সুযোগ নিদি তেওঁলোকক বেলেগ স্কুললৈ বদলিকৰণ কৰা হৈছে ফলত যিবোৰ স্কুলক প্ৰাদেশীকিকৰণ কৰা হৈছিল সেইবোৰ স্কুলক তলা বন্ধ কৰা হৈছে । ইয়াৰ বাবে অসমৰ যি সকল ৰাইজ, যি সকলে সেই স্কুল সমূহক খুব কষ্টৰে চলাই আহিছিলে। ৬ কিলোমিটাৰ দুৰত্বত থকা স্কুলসমূহকো সেই একে অৱস্থা কৰা হৈছে । ফলত সেই সকলৰ ল'ৰা-ছোৱালী যিটো অৱস্থা, অভিভাৱক সকলৰ যিটো অৱস্থা একেবাৰে শোচনীয় হৈ গৈছে । তলা বন্ধৰ কৰাৰ লগে লগে হাহাকাৰ হৈ গৈছে। গোটেই বি টি চি এলেকাত এই অৱস্থাটো হোৱাৰ পিছত আজি বিটিচি এলেকাৰ যি সকল ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকলৰ এই অভাৱনীয় অৱস্থা দেখি বেছিকৈ দুখিত হৈছো । গতিকে তাৎক্ষণিকভাৱে নিশ্চয় আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াই ইয়াৰ কিবা এটা ব্যৱস্থা কৰিব। কাৰণ যি সকল শিক্ষকক প্ৰাদেশীকিকৰণ কৰা হৈছে তেওঁলোকক আগৰ যিবিলাক স্কুল তাতো যদি নিযুক্তি দিলেহেঁতেন স্কুলখন চলিলেহেঁতেন । আকৌ কিছুমান এম ই স্কুলত প্ৰধান শিক্ষকৰ পদটো প্ৰাদেশীকিকৰণ কৰা হোৱা নাই । অথচ সহকাৰী শিক্ষক সকলৰ পদটো প্ৰাদেশিকীকৰণ কৰা হ'ল। প্ৰধান শিক্ষকৰ পদটো প্ৰাদেশিকীকৰণ নকৰাৰ ফলত সেই প্ৰধান শিক্ষকৰ মানসিক যিটো অৱস্থা আৰু প্ৰধান শিক্ষক নোহোৱাকৈ সেই স্কুলখন কেনেকৈ চলিব এই কথাটো নিশ্চয় চিন্তা কৰিবলগীয়া বিষয় আৰু এই কথাটো শিক্ষা বিভাগৰ দায়িত্বত থকা আমাৰ শিক্ষামন্ত্ৰী ডাঙৰীয়াই এই কথাটো নিশ্চয় অনুধাৱন কৰিব বুলি মোৰ আশা থাকিল । তাৰ পিছত কেইটামান কথা ক'ব

বিচাৰিছো আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যেতিয়া ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত উত্তৰ দিছিল তেতিয়া মই কথাটো কৈছিলো। জনজাতিসকলৰ বাবে এই চৰকাৰ খনে যথেষ্ট কাম কৰিছে, মই নকৰা বুলি নকওঁ। কিন্তু কৰাৰ বিনিময়ত আজি আমাৰ জনজাতি সকলে চাকৰি কৰাৰ পিছত বা চৰকাৰী নিযুক্তি পোৱাৰ ক্ষেত্ৰত তেওঁলোকে পদোন্নতি পোৱাৰ ক্ষেত্ৰত যি হেঙাৰ হৈ ঠিয় হৈ আহিছে সেই হেঙাৰটো গুচোৱাৰ কাৰণে আমি অসম বিধান সভাত আপোনাৰ নেতৃত্বত গঠন কৰি দিয়া SC/ST Welfare Committee হৈছিল । আমি ২০১৮ চনৰ পৰা বাৰম্বাৰ মিটিং কৰাৰ পিছত OM সম্পৰ্কত ন্যায় বিভাগ, কৰ্মচাৰী বিভাগ, WPT&BC আদিকে কৰি সকলোৰে লগত আলাপ আলোচনা কৰি সিদ্ধান্ত কৰাৰ পিছত সেই OM খন উলিয়াই দিবৰ কাৰণে যি ব্যৱস্থা কৰি দিছিল আজিলৈকে কিন্তু সেই OM খন উলিয়াই দিব নোৱাৰিলে। এইটো এটা আমাৰ কাৰণে অতি দুৰ্ভাগ্যজনক কথা বুলি ক'ব পাৰি । কাৰণ আমি জনজাতি সকলক যেনেকৈ নহওঁক সকলো সুযোগ-সুবিধা কৰি দি তেওঁলোকক আগুৱাই লৈ যাব বিচাৰিছো । কিন্তু এই OM খন নথকাৰ ফলত ই এখন হেঙাৰ হিচাপে ঠিয় দিছে কাৰণে উন্নয়নৰ কাম খিনি সম্পূৰ্ণকৈ পুৰণ কৰিব নোৱাৰিলো । বিভিন্ন বিভাগত কাম কৰি থকা আমাৰ বিষয়া কৰ্মচাৰীসকলক পদোন্নতিৰ ক্ষেত্ৰৰ কাম খিনি আমি ভালদৰে ঠিক কৰি দিব নোৱাৰিলো। গতিকে মই আপোনাৰ জৰিয়তে বিভাগীয় কৰ্তৃপক্ষ বা মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই অনুৰোধ কৰিব বিচাৰিছো যে এই সম্পৰ্কত অতি সোনকালে যাতে ১৫ তাৰিখৰ ভিতৰত যদি এই OM খন তাৎক্ষনিক ভাবে উলিয়াই দিব পাৰে আৰু যাতে আমাৰ জনজাতি লোক সকল উপকৃত হ'ব পাৰে। এই ক্ষেত্ৰত ক্ষীপ্ৰতাৰে কাম খিনি ওপৰত দায়িত্ব লয় তাৰ বাবে আপোনাৰ ওচৰত মোৰ অনুৰোধ থাকিল । ইয়াৰ পিছত আমাৰ এই মিত্ৰজোঁট চৰকাৰ খনে সবকা চাথ, সবকা বিকাশ এই শ্লোগানটো সদায় গাই আহিছে । আমি মিত্ৰজোঁট চৰকাৰত আছো আৰু বি পি এফ দলৰ পৰা আমি ১২ জন বিধায়ক আৰু বৰ্তমান যি ১১ জন বিধায়ক আছো আমি এই মিত্ৰজোঁট চৰকাৰৰ অধীনত থকাৰ পিছতো সবকা চাথ, সবকা বিকাশ এই আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত আমাক যি টকা পইচা দিয়ে বাকী মিত্ৰজোঁটৰ বিধায়ক সকলে যেনেকৈ পাইছে বা বিৰোধী দলৰ বিধায়ক সকলে যি ধৰণে পাইছে আমিও টকা পইচা পোৱাটো বিচাৰিছো । কিন্তু এই ক্ষেত্ৰত মাহীমাকৰ দৃষ্টিৰে চোৱাৰ নিচিনা আমি অনুভৱ কৰিছো। বিভিন্ন শিতানত আঁচনিবোৰৰ পৰা পাবলগীয়া ধন সমূহ আছিল বা বিধায়ক সকলে পাবলগীয়া ধন আছিল সেই ধনবোৰ আমি পোৱাৰ পৰা বঞ্চিত হৈছো। কিন্তু আমি এই ধনৰাশিৰ পোৱাৰ পৰা বঞ্চিত হ'বলগীয়া হ'ল কিয়? মুখমন্ত্ৰী মহোদয়ে তেতিয়া কৈছিল যে মূল্যবোধৰ ৰাজনীতি বুলি কৈছিল । গণতান্ত্ৰিক শাসনৰ কথাটো তেওঁ উল্লেখ কৰিছিল, ন্যায়ৰ কথাটো তেওঁ উল্লেখ কৰিছিল তাৰ পিছত তেখেতে কৈছিল সমঅধিকাৰৰ কথা উল্লেখ কৰিছিল । সবকা চাথ, সবকা বিকাশৰ কথা উল্লেখ কৰিছিল । মুল্যবোধৰ ৰাজনীতি আমি নিশ্চয় কৰিব লাগিব য'ত মুল্যবোধৰ ৰাজনীতি থাকিব, গণতন্ত্ৰৰ শাসন ব্যৱস্থা থাকিব, য'ত সুস্থিৰ চৰকাৰৰ কথা চিন্তা কৰিব পাৰো। এই শ্লোগানটো তেতিয়াহে আমি কাৰ্য্যকৰী কৰিব পাৰিম । গতিকে এই ক্ষেত্ৰত আমি যেন বাস্তৱ ফালৰ পৰা ফালৰি কাটি অন্য গতিৰে যোৱা যেন অনুভৱ হয় । এই ক্ষেত্ৰত মই বিশেষকৈ মুখ্যমন্ত্ৰী ডাঙৰীয়া লগতে মন্ত্ৰী ডাঙৰীয়াকো অনুৰোধ কৰিব বিচাৰিছো যে এই সবকা চাথ, সবকা বিকাশ শব্দটো যাতে পুৰ্ণাংগ ভাবে ব্যৱহাৰ কৰি সকলোকে এই সুযোগ-সুবিধা দিয়াৰ ব্যৱস্থা কৰে । তাৰ বাবে মোৰ অনুৰোধ থাকিল । লগতে মই অন্য আঁচনিৰ কথা তেতিয়া উল্লেখ কৰিছিলো এইবাৰো উল্লেখ কৰিম । বি টি চি এলেকাত অন্তত যি সকল আমাৰ কেৱল বি পি এ ফ দলৰে বিধায়ক নহয়,

বিজেপি দলৰ, কংগ্ৰেছ দলৰ, এ আই ডি এফ দলৰ, এ জি পি দলৰ যি সকল বিধায়ক আছে আৰু যি সকলৰ বিটিচি এলেকাৰ পৰা প্ৰতিনিধিত্ব কৰিছে সেই সকল বিধায়কে আনকি অৰুণোদয় আঁচনিৰ ফালৰ পৰা বঞ্চিত হৈছে । এইটো বিধায়ক সকলক দিয়া আঁচনি আছিল। এই আঁচনিবোৰৰ বি টি চিৰ যিজন চীফ তেওঁক দায়িত্ব দিয়াৰ ফলত আজি সেই সকল বিধায়কেও বঞ্চিত হৈছে। আজি আমাৰ ৰঙিয়াৰ এজন বিধায়ক, তেওঁ এজন মন্ত্ৰী, ভবেশ কলিতা ডাঙৰীয়াই অলপ আগতে আমি ফটো চেচনলৈ গৈছিলো তেতিয়া মোক কৈছিল কমল দা আপুনি যিটো কৈছে সেইটো ঠিকেই কৈছিল অৰুণোদয় আঁচনিৰ পৰা আমি বি টি চি এলেকাত বঞ্চিত হৈছো । *সবকা চাথ, সবকা বিকাশ* এই শব্দটো যদি বিধায়কসকলৰ ক্ষেত্ৰতো প্ৰযোজ্য, সদ্যহতে আমাক এইখিনি কাম কৰিব দিব লাগিছিল। কিন্তু কিয় নিদিলে, কি কাৰণে দিয়া নহ'ল ? মই মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিত্তমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছোঁ, ইয়াৰ পৰা যাতে আমাৰ বিধায়ক সকলক বঞ্চিত নকৰে।

**মাননীয় অধ্যক্ষ ঃ** সমাপ্ত কৰক।

**শ্ৰী কমল সিং নাৰ্জাৰী (বিজনী) ঃ** ইয়াৰ পিছত মই কব বিচাৰিছোঁ বি টি চি এলেকাত যি সকলে বিৰোধী দলত আছে বা আমাৰ বি পি এফ দলৰ যি সকল নিষ্ঠাবান কৰ্মী আছে তেওঁলোকৰ বিৰূদ্ধে পুলিচৰ বৰবৰতা কি কাৰণে, কি কাৰণে তেওঁলোকে নিৰ্যাতন ভুগিব লগা হৈছে মই কব নোৱাৰো। মুখ্যমন্ত্ৰী ডাঙৰীয়া গৃহবিভাগৰ দায়িত্বত আছে, এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী ডাঙৰীয়াক বাৰে বাৰে অনুৰোধ কৰিছিলোঁ যে বি পি এফ ৰ যি সকল নিষ্ঠাবান কৰ্মী আছে এই কৰ্মীসকলক কি কাৰণত নিৰ্যাতন কৰা হৈছে? কি কাৰণত ইমান তেওঁলোকক নিষ্ঠুৰভাৱে বলি হ'ব লগা হৈছে তাৰ পৰা অন্তত ৰেহাই দিয়াৰ ব্যৱস্থাটো কৰক বুলি অনুৰোধ কৰিছিলোঁ। গতিকে আজি আপোনাৰ জৰিয়তে এই হাউচত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছোঁ কাৰণ তেখেত যিহেতু গৃহ বিভাগৰ দায়িত্বত আছে। এই ব্যৱস্থাৱলী কাৰণ আমি ভাৰতৰ নিচিনা বৃহত্তৰ যিটো গণতান্ত্ৰিক দেশ এই গণতান্ত্ৰিক দেশত আমি বসবাস কৰি আছোঁ, এই গণতন্ত্ৰত যিয়ে যিটো দলত থাকিব বিচাৰে যি কাম কৰিব বিচাৰে সেইটো কৰিব পাৰে। কাৰণ ভাৰতবৰ্ষৰ যিখন সংবিধান বি আৰ আম্বেদকাৰৰ নেতৃত্বত ৰচনা কৰা হৈছিল, সেই সংবিধানে আমাক গণতান্ত্ৰিকভাৱে সুৰক্ষা প্ৰদান কৰিব বিচাৰিছে, আমাৰ গণতান্ত্ৰিক দল কৰাৰ যিটো অধিকাৰ সেই অধিকাৰ আমাক দিছে। গতিকে সেই অধিকাৰৰ পৰা নিশ্চয় বঞ্চিত কৰিব নালাগে। মডেল স্কুলসমূহক আজিৰ পৰা প্ৰায় ৩ বছৰ ৪ বছৰ আগতে দিয়া হৈছিল। সেই মডেল স্কুল সমূহত ৮০ শতাংশ কাম হয়, ৬০ শতাংশ কাম হোৱাৰ পিছত সেই স্কুলবোৰত যি সকলে নিৰ্মাণ কাৰ্য্যত লিপ্ত হৈ আছিল তেওঁলোকে কাম কৰাৰ বিনিময়ত যিখিনি পাবলগীয়া ধন সেই ধন মোকোলাই নিদিয়াৰ ফলত আজি সেই স্কুলসমূহ সম্পূৰ্ণ নোহোৱাকৈ ৮০ শতাংশ হোৱাৰ পিছত সমাপ্ত কৰিব লগা হৈছে। তাৰ ফলত সেই স্কুলসমূহ আজিলৈকে উদ্বোধন কৰি তাত ক্লাছ আৰম্ভ কৰিব পৰা নগ'ল। গতিকে কি কাৰণত বিত্তবিভাগৰ ফালৰ পৰা দিয়া নহ'ল আপোনাৰ জৰিয়তে সেই মডেল স্কুল সমূহ পুনৰ কাৰ্য্যক্ষম হোৱাকৈ সম্পূৰ্ণকৈ নিৰ্মাণ কৰিবৰ বাবে বিত্ত বিভাগক পুঁজি যোগান ধৰিবলৈ অনুৰোধ থাকিল আৰু যিবিলাক পলিটেকনিক স্কুল ২১ খন, ভাৰত চৰকাৰৰ স্পনচৰত যি ২১ খন পলিটেকনিক স্কুল গঠন কৰা হৈছিল, সেইসমূহ আজি সম্পূৰ্ণ নোহোৱাকৈ তাত ক্লাছ আৰম্ভ কৰিব লগা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** সমাপ্ত কৰক।

**শ্ৰী কমল সিং নাৰ্জাৰী (বিজনী)ঃ** সেই স্কুলবোৰ যিসকলে নামভৰ্তি কৰিবলৈ গৈছে সেইসকলে আজি জীয়াতু ভূগিব লগীয়া হৈছে। কাৰণ সম্পূৰ্ণ নোহোৱাকৈ ক্লাছ কেনেকৈ আৰম্ভ কৰিব ? গতিকে

ইয়াৰ ক্ষেত্ৰতো নিশ্চয় চাব লাগে। মই যেতিয়া শিক্ষা বিভাগৰ সঞ্চালকালয়ত খবৰ লবলৈ গৈছিলো তেতিয়া তেওঁলোকে কৈছে যে আমাক অসম চৰকাৰে যদি আমাক ফাণ্ডৰ পুঁজি যোগান নধৰে বিত্ত বিভাগে যদি পুঁজি যোগান নধৰে সেই পলিটেকনিক স্কুলবিলাক আমি কেনেকৈ সম্পূৰ্ণ কৰিব পাৰিম। সেই ফাণ্ড নিদিয়াৰ ফলত, ঠিকাদাৰসকলে এই ফাণ্ড নোপোৱাৰ ফলত কাম কৰাৰ পৰা বিৰত হৈ বহি আছে, গতিকে সেইবোৰ স্কুলত যাতে অতি সোনকালে পুঁজি যোগান ধৰে তাৰ কাৰণে মই আপোনাৰ জৰিয়তে বিত্তবিভাগক আৰু শিক্ষা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছোঁ। স্বয়ম আঁচনিৰ জৰিয়তে যি পুঁজি যোগান ধৰা হৈছে সেই পুঁজিৰ ক্ষেত্ৰতো আমি বিধায়ক সকলে যিসকল বেনিফিচাৰীৰ লিষ্ট দিছিল তাৰ পৰা নিদি কি কৰিছে আকৌ বি টি চি কৰ্তৃপক্ষক দায়িত্ব দিয়াৰ ফলত আজি আমাৰ সেই বিধায়ক সকল কেৱল বি পি এফ দলৰ নহয়, গোটেই বিটিচি এলেকাৰ বিধায়কসকল ইয়াৰ পৰা বঞ্চিত হ'ব লগীয়া হৈছে। মই বিজনী সমষ্টিৰ ৭০ শতাংশ বিটিচি এলেকা ৩০ শতাংশ ননবিটিচি এলেকাৰ যি সকল হিতাধিকাৰীসকল আছে সেই সকলে কি পাপ কৰিছিল যাৰ ফলত তেওঁলোকে সেই ননবিটিচিৰ এলেকাৰ লিষ্ট দিয়াৰ পিছতো বিটিচিত আকৌ দিব লগা হৈছে। আপোনাৰ জৰিয়তে মই বিত্তবিভাগক, মুখ্যমন্ত্ৰীক ডাঙৰীয়াক অনুৰোধ কৰিছোঁ, এনেকুৱা যি বিসংগতি আছে সেইবোৰ দূৰ কৰি যাতে আমি সুন্দৰকৈ সব কা সাথ সব কা বিকাশ এই বাক্যটো প্ৰয়োগ কৰি কাম কৰিব পাৰো। তাৰ কাৰণে মই আপোনাক অনুৰোধ কৰিছোঁ, ক'বলগীয়া বহুত আছিল, আপুনিও বাৰে বাৰে মোক তাগিদা দি আছে গতিকে মই এই বাজেটখন সঁচা অৰ্থত আমাৰ বিত্তবিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যি বাজেট দাখিল কৰিছে সেই বাজেটখন ভাল হোৱা বুলি কব বিচাৰিছোঁ। কাৰণ ইয়াত জনসাধাৰণৰ কল্যাণৰ বাবে বহুতখিনি আঁচনি প্ৰস্তুত কৰি উলিয়াইছে তাৰ কাৰণে মই তেখেতক সেই বাজেটখনত ভোট অৱ একাউন্টচ দাখিল কৰাৰ বাবে তেখেতক ধন্যবাদ জনাই মই বক্তব্য সামৰণি মাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** মোৰতো পুৰা ইচ্ছা আছে কথা শুনাৰ, কিন্তু সময়ৰ অভাৱ হৈছে কাৰণ এতিয়া ১.৩০ বাজিবৰ হ'ল, আপোনালোকৰ বিভিন্ন জনে ক'ব বিচাৰিছে। মই কব খুজিছো যে প্ৰত্যেকে যদি কয় ৮ জনক ৫ মিনিটকৈ ৪০ মিনিট লাগিব। তেতিয়া ৫ মিনিটকৈ যদি কয় মই দিবলৈ আছো, প্ৰত্যেকৰ নাম কম। কিন্তু ৫ মিনিট হোৱাৰ লগে লগে বেল মাৰিলে আৰু আগবাঢ়ি নাযাব। সেইকাৰণে যি কেইটা কথা কব লিখি লওঁক। এতিয়া দূৰ্গা ভূমিজ, ৫ মিনিট, ঘড়ীটো নিজেই চাব আৰু বহিব।

**শ্ৰীদুৰ্গা ভূমিজ (ডুমডুমা)ঃ** অধ্যক্ষ মহোদয়, আজি বাজেটৰ ভাষণৰ ওপৰত দু-আষাৰ কব দিয়াৰ কাৰণে ধন্যবাদ জনাইছোঁ। প্ৰথম আৰু প্ৰধানভাৱে কব লাগিব যে এতিয়া ঢলা শদিয়া দলং কংগ্ৰেছৰ বাবে হৈছে, বগীবিল দলঙো হৈছে আৰু নতুন এই এচেমব্লীখনো স্বীকাৰ কৰিব লাগিব কংগ্ৰেছৰ দিনতে হৈছে। মেডিকেল কলেজৰ কথা কোৱা হ'ল জানি আচৰিত হ'ব অধ্যক্ষ ডাঙৰীয়া, ৫ খন মেডিকেল কলেজ কংগ্ৰেছ চৰকাৰে কৰিছিল, এতিয়া বিজেপি চৰকাৰে কিছু কলেজ কৰা বুলি কৈছে, হাফডাউন হৈ আছে। প্ৰথম কথাটো হ'ল যেতিয়া জনসাধাৰণ কম আছিল তেতিয়া ৫ মেডিকেল কলেজ পৰ্য্যাপ্ত বুলি আমি ভাৱিছিলোঁ। যি নহওঁক, এই মেডিকেল কলেজত চাহ জনগোষ্ঠীৰ কাৰণে ১৮ খন আসন আছে, এই ১৮ খন আসনৰ ভিতৰত আপোনালোকে জানি আচৰিত হ'ব তাৰ চাহ জনগোষ্ঠীৰবাবে ৬ খন আসনহে আছে। বাকী সকলো চাহজনগোষ্ঠীৰ লোক। এতিয়া চাহ শ্ৰমিকৰ দৰমহাৰ কাৰণে অসম চাহ জনগোষ্ঠী ছাত্ৰ সন্থা, আটছা সকল, চাহ মজদুৰ সংঘই তীব্ৰ আন্দোলন চলাই আছে। আজিও চাহ শ্ৰমিকৰ দৰমহা ১৬৭ টকা, কিন্তু চৰকাৰৰ তৰফৰ পৰা নিৰ্বাচনৰ সময়ত কোৱা হৈছিল ৩৫১ টকা দিয়াৰ কথা। কিন্তু প্ৰতিশ্ৰুতি প্ৰতিশ্ৰুতি

ভাগে থাকি গ'ল। শ্ৰমিকৰ কাৰণে বহুত কথা কব বিচৰা হৈছে, কিন্তু শ্ৰমিকৰ যিখিনি সমস্যা আছে সেই সমস্যা সমধান কৰাৰ বাবে চৰকাৰখনে যেনেকৈ আগবাঢ়িব লাগিছিল, সেই পৰ্য্যায়টো আমি দেখা নাই, আগতো দেখা নাই। চাহ শ্ৰমিকৰ প্ৰথম এইখন চৰকাৰে এটা ইতিহাস ৰচনা কৰিলে যে এই সৰ্বানন্দ সোনোৱালৰ চৰকাৰ খনে চাহ জনগোষ্ঠীৰ এজন কেবিনেট মন্ত্ৰী নিদিলে। এজন কেবিনেট মন্ত্ৰী নিদিয়াৰ কাৰণে ইয়াক এটা বৈষম্য বুলি আমি কব বিচাৰিছো। ইয়াৰ পিছত বাজেটত নিবনুৱাৰ কাৰণে কোনো ধৰণৰ সমস্যা সমধান নাই। বাজেটত চাহ জনগোষ্ঠীৰ নিবনুৱাৰ কাৰণে ২৫ হাজাৰ টকা দিছে। আজিকালি ২৫ হাজাৰ টকাৰে এখন পানদোকান কৰি খাব নোৱাৰে। গতিকে ২৫ হাজাৰ টকা পৰ্য্যাপ্ত নহয়। এতিয়া তামোলৰ পোনে ৫০০-৬০০ টকা হৈ গ'ল কেনেকৈ তামোল পানৰ দোকান দি খাব পাৰিব। গতিকে এইটো এটা ললিপপ। এই এটা অকল আমাৰ চাহ জনগোষ্ঠীৰ নিবনুৱাক ঠগিছে। গতিকে এই যে এইবিলাক তেওঁলোকে কৰিছে সেইখিনি যথেষ্ঠ পৰ্য্যাপ্ত নহয়। ৫০০ ত কৈ অধিক এল পি স্কুল চাহ বাগিচাত আছে। চৰকাৰ খনৰ আজি ইমান আন্তৰিকতা চাহ জনগোষ্ঠীৰ প্ৰতি আছিল তেন্তে কি কাৰণে প্ৰাদেশিকীকৰণ নকৰিলে। তেওঁলোকে পদসমূহ কি কাৰণে প্ৰাদেশীকৰণ নকৰিলে? এতিয়া তিনিচুকীয়া জিলাত ২ খন মান এল পি স্কুল দিছে, কিন্তু তাত প্ৰধান শিক্ষক দিয়া নাই আৰু এম ই স্কুলবোৰত কোনো ধৰণৰ সহকাৰী শিক্ষক দিয়া নাই। আৰু আচৰিত হ'ব চাহ শ্ৰমিকৰ লৰা-ছোৱালী সকল যি বাগিচাৰ এল পি স্কুলত পঢ়ে যে তাত ইউনিফৰ্ম দিয়া নহ'ল। ইউনিফৰ্ম নিদিয়াৰ কাৰণে এই চাহ শ্ৰমিকৰ সন্তানক বৈষম্য কৰা হৈছে এইটো দৃঢ়তাৰে কব বিচাৰিছোঁ। মোৰ সমষ্টিত এচ ও পি ডি ত ২০১৯-২০ দিয়া হোৱা নাই। সেয়েহে আমি ক'ব পাৰো যে মাহিআইৰ চকুৰে চোৱা হৈছে। সেয়েহে *সব কা সাথ সবকা বিকাশ* ডুমডুমা সমষ্টিত হোৱা নাই। আমাৰ তাত যি বৰদুবি চাহ বাগিচা দলং আছে, সেই দলঙৰ বাবে বহুবাৰ আন্দোলন হৈছে আৰু চৰকাৰক আমি বহুবাৰ অনুৰোধ কৰিছিলোঁ কিন্তু দলংখন আজিও নহ'ল। যাৰ ফলত তাত ৩ জন মানুহৰ মৃত্যু হৈছে। এতিয়া ৬ জনগোষ্ঠী জনজাতিকৰণ কৰিব বিচৰাৰ পিছত ৩ টা জনগোষ্ঠীক জনজাতিকৰণ কৰাৰ বাবে মই চৰকাৰক ধন্যবাদ জনাইছো। কিন্তু ৩ টা জনগোষ্ঠীক কিয় জনজাতিকৰণ কৰা নহ'ল সেইটো মই বুজি পোৱা নাই। গতিকে এই চৰকাৰ খনে যে আমাৰ হকে একো কাম কৰা নাই এইবোৰে প্ৰমাণ।

**মাননীয় অধ্যক্ষ ঃ** সমাপ্ত কৰক।

**শ্ৰীদুৰ্গা ভূমিজ (ডুমডুমা)ঃ** মহাশয়, চাহ শ্ৰমিক সকলক মজুৰি হিচাপে ৩৫১ টকাৰ দিয়াৰ পৰিবৰ্তে চৰকাৰে যি ৩০০ টকা দিয়াৰ ব্যৱস্থা কৰিছে তাত মই একমত নহয়। যদি চৰকাৰখনৰ সাহস আছে আজিয়ে ৩৫১ টকা তেওঁলোকৰ বেংক একাউন্টত দিয়াৰ ব্যৱস্থা কৰক আৰু এইটো অকল কোম্পানীৰ চাহ বাগিচা বুলি নহয়, ক্ষুদ্ৰ চাহ বাগিচাৰ শ্ৰমিকৰ কাৰণেও এইটো সমবিতৰণ হোৱাটো বিচাৰো।

**মাননীয় অধ্যক্ষ ঃ** সমাপ্ত কৰক। এতিয়া শ্ৰী ভৰেন্দ্ৰ নাথ ভড়ালী, আপুনিও মাত্ৰ ৫ মিনিটহে পাব।

**শ্ৰীদুৰ্গা ভূমিজ (ডুমডুমা) ঃ** মহাশয়, আধা মিনিট দিয়ক। ৰেচন কাৰ্ড সকলো শ্ৰমিকৰ হাতত নাই, যাৰ বাবে বিনামূলীয়া চাউল পোৱা নাই। গতিকে মই আশা কৰিছোঁ যে যি খিনি বৈষম্য বা অন্যায় আমাক কৰা হৈছে সেই খিনিৰ বাবে আমি প্ৰতিবাদ কৰিবই লাগিব। সেয়েহে মই ভাবো যে এইখন বাজেট আচলতে ললিপপ, নিৰ্বাচন কেন্দ্ৰিক আৰু অসমৰ জনসাধৰণক হতাশ আৰু নিৰাশ কৰা এখন বাজেট।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী ভৰেন্দ্ৰ নাথ ভড়ালী, আপুনিও মাত্ৰ ৫ মিনিটহে ক'ব।

**শ্ৰী ভৱেন্দ্ৰ নাথ ভড়ালী (দেৰগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমে আপোনাক ধন্যবাদ জনাইছো যে আজি এই নবনিৰ্মিত নতুন ঘৰটোত চতুৰ্দশ অসম বিধান সভাৰ শেষৰ দিনা আমি ইয়াত সমবেত হৈ পবিত্ৰ সদনৰ কাম-কাজ আৰম্ভ কৰাৰ বাবে আপোনাক পুনৰবাৰ ধন্যবাদ জনাইছো। মই আশা কৰিছোঁ যে আহিবলগীয়া নতুন বিধান সভাৰ কাৰ্য্যকাললৈ ইয়াৰ কাম-কাজ সম্পূৰ্ণ হৈ উঠিব।

**মাননীয় অধ্যক্ষ ঃ** আপুনি পইন্টলৈ আহক।

**শ্ৰী ভৱেন্দ্ৰ নাথ ভড়ালী (দেৰগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অকল পইন্টকেইটামানৰ ওপৰতহে কম। বৰ্তমান আমাৰ চৰকাৰৰ এই ৫ বছৰীয়া কালছোৱাত যিখিনি কাম কৰিছে সেই আটাইখিনি কামেই মানুহৰ প্ৰত্যেক স্তৰৰ মানুহৰ বাবে কৰা হৈছে। কেঁচুৱাৰ পৰা আৰম্ভ কৰি বৃদ্ধলৈকে, অবিবাহিত মহিলাৰ পৰা বিবাহিত মহিলা আৰু বিধৱা মহিলালৈকে সকলোকে একত্ৰিত কৰি জনহিতাৰ্থমূলক কাম-কাজ কৰা হৈছে। বিশেষকৈ বিধৱা মহিলা, নিবনুৱা যুৱক-যুৱতী বোৰ সাধাৰণতে সমাজত অলপ অৱহেলিত হয়, তথাকথিত অৱহেলিত বিধৱা আৰু অবিবাহিত মহিলা সকল। তেওঁলোকৰ কাৰণে বিশেষভাৱে চিন্তা কৰি আমাৰ পেঞ্চন আঁচনি আৰু যুৱক সকলৰ বাবে স্বয়ম আঁচনিৰ জৰিয়তে আত্মনিৰ্ভৰশীল হবলৈ যিখিনি ব্যৱস্থা কৰিছে আমি ভাল পাইছো। লগে লগে মাননীয় সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত আৰু বিত্তমন্ত্ৰীৰ অধীনত আজিলৈকে এই ৫ বছৰ কালচোৱাত সকলো স্তৰৰ মানুহৰ বাবে কৰা আঁচনিৰ বাবে মই চৰকাৰক ধন্যবাদ জনাইছো। দ্বিতীয়তে, প্ৰত্যেকটো বিভাগতে বিশেষকৈ লোকনিৰ্মাণ বিভাগ, কৃষি বিভাগ, জলসম্পদ আদি বিভাগত আগৰ চৰকাৰৰ দৰে নহৈ সুন্দৰ ভাবে অতি জৰুৰী আঁচনিসমূহ, উন্নয়নমূলক আঁচনি সমূহ ৰূপায়ণ কৰা হৈছে। বিশেষকৈ লোকনিৰ্মাণ আৰু কৃষি এনেধৰণৰ বিভাগবিলাকত সুন্দৰ ভাৱে সকলো বিলাক সমস্যা সমাধান কৰা হৈছে। আজি এই লেখানুদান ভাষণত এই গোটেই কথাখিনি স্পষ্টভাৱে প্ৰতিফলিত হৈছে। বিশেষভাৱে আমাৰ সমষ্টিৰ গাঁৱৰ পথ বিলাক আৰু বাগানৰ বস্তিৰ পথ বিলাক সাধৰণতে বোকাময় হৈ থাকে। কিন্তু ইয়াৰ পৰিৱৰ্তন কৰি লোকনিৰ্মাণ মন্ত্ৰীয়ে বাগান বস্তিঅঞ্চলৰ বোকা নাইকীয়া কৰি তাত আজি পকা পেভাৰ ব্লকৰ ৰাস্তা দি সাধাৰণ মানুহৰ লগত বাগিচা লোকৰ পাৰ্থক্যটো নাইকীয়া কৰিছে। যাৰ ফলত তেওঁলোকক দ্বিতীয় শ্ৰেণীৰ নাগৰিকৰ পৰা প্ৰথম শ্ৰেণীৰ নাগৰিকলৈ পৰিবৰ্তন কৰা হৈছে। আগতে কিন্তু এইটো সম্ভৱ হোৱা নাছিল। আনকি ভাৰত স্বাধীন হোৱাৰ ৭২ বছৰ পিছতো এইটো সম্ভৱ হোৱা নাছিল। কিন্তু আমাৰ চৰকাৰে দৃঢ়তাৰে এই কামখিনি আগবঢ়াই লৈ যোৱাত আমাৰ বিভিন্ন স্তৰৰ সমাজখন আগবাঢ়ি গৈছে। ঠিক সেইদৰে শিক্ষা বিভাগতো যিবোৰ অপ্ৰাদেশীকৃত স্কুল আছিল সেইবোৰৰ ক্ষেত্ৰত শেহতীয়াকৈ যিটো ঐতিহাসিক সিদ্ধান্ত লোৱা হৈছে যে স্কুল বিলাক প্ৰাদেশিকীকৰণ কৰি আৰু শিক্ষকৰ পদ চৰকাৰী কৰণ কৰি সমাজখনত মানৱ সম্পদ সৃষ্টি কৰাত যি সহায় কৰিছে তাত আমি সন্তোষ প্ৰকাশ কৰিছোঁ। আশা কৰিছো যে সেই শিক্ষক সকলৰ জৰিয়তে সমাজ খনৰ ভৱিষ্যৎ প্ৰজন্মক আগুৱাই লৈ যোৱাত নিশ্চয় সহায়ক হ'ব।

**মাননীয় অধ্যক্ষ ঃ** আপুনি শেষলৈ আহক ।

**শ্ৰী ভৱেন্দ্ৰ নাথ ভড়ালী (দেৰগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই শেষলৈ আহিছো, মাত্ৰ এটা বিভাগৰ কথা কম। কৃষি বিভাগত মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ জৰিয়তে সমগ্ৰ কৃষকৰ উপকাৰ কৰিছে আৰু সাধৰণতে এনে উন্নয়ন আমি আগতে দেখা নাছিলোঁ। মোৰ সমষ্টিৰ নামদেউৰী বুলি এখন গাঁও আছে আৰু সেই গাওঁখনত ১১ জন নিবনুৱা লৰাই একেলগ হৈ ২০০

বিঘা মাটিত কৃষি বিভাগৰ জৰিয়তে ট্ৰেক্টৰ, বীজ, সাৰ আদি আটাইবোৰ বস্তু সহায় হিচাপে লৈ খেতি কৰিছে। বৰ্তমান তেওঁলোকে প্ৰায় ২.৫০ লাখ টকাৰ কৃষি সামগ্ৰী বিক্ৰী কৰি নিজৰ ভৰিত নিজে থিয় দিব পৰা হৈছে, এই কৃষি বিভাগৰ সহযোগিতাত। মই শেষ কৰিব বিচাৰিছো, শেষত মই এটা কথা ক'ব বিচাৰিছো যে যোৱা ১৯ আগষ্ট, ২০২০ তাৰিখে মই ক'ভিডত আক্ৰান্ত হওঁ আৰু প্ৰথমতে মই যোৰহাট মেডিকেল কলেজ এণ্ড হাস্পাটালত ভৰ্তি হওঁ। মোৰ বেমাৰ বেছি হোৱাৰ বাবে গুৱাহাটী মেডিকেল কলেজ এণ্ড হাস্পাটাললৈ স্থানান্তৰিত হওঁ। তাত মোৰ সহকৰ্মী শ্ৰীকমল সিং নাৰ্জাৰী ডাঙৰীয়াৰ লগত মই একেটা ৰুমতে আই চি উ ত আছিলো। মোৰ বেমাৰ বেছি হোৱাৰ বাবে মোক ভেন্টিলেচনত ৰাখিবলগীয়া হৈছিল।

**মাননীয় অধ্যক্ষ ঃ** আপুনি শেষলৈ আহক ।

**শ্ৰী ভৱেন্দ্ৰ নাথ ভড়ালী (দেৰগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২ মিনিটতে শেষ কৰিম। মই ক'ভিডৰ পৰা ঘূৰি আহিলো মাত্ৰ অসম চৰকাৰৰ স্বাস্থ্য মন্ত্ৰী আৰু দেৰগাঁও সমষ্টিৰ বিভিন্ন মন্দিৰ, মছজিদ, গীৰ্জাত মোৰ আশু আৰোগ্য কামনা কৰি ৰাইজে চাকি-বন্তি জ্বলাইছিল। ইয়াৰোপৰি, স্বাস্থ্য বিভাগৰ মন্ত্ৰীকে ধৰি বিভিন্ন বিষয়া কৰ্মচাৰী, নাৰ্চ আদিৰ পৰা যিখিনি মই সহযোগিতা পালো তাৰ কাৰণেহে মই পুনৰ জনম পালো। অৱশেষত মই সকলো স্বাস্থ্য কৰ্মীলৈ ধন্যবাদ জনোৱাৰ লগতে স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়ালৈও মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী নজৰুল হক। ইয়াৰ পিছত আছে চক্ৰধৰ গগৈ। কিন্তু মাত্ৰ ৫ মিনিটহে ক'ব।

**শ্ৰী ভবেন্দ্ৰ নাথ ভড়ালী (দেৰগাঁও) ঃ** কোনোমতে মই ঘূৰি আহিছো। স্পীকাৰ আৰু মই ক্লাচমেট। সৰুৰ পৰা কলেজলৈকে আমি একেলগে পঢ়িছিলো। মই কৰ'ণাৰ পৰা ঘুৰি আহিলো যিটো নেকি অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ স্বাস্থ্যমন্ত্ৰী আৰু দেৰগাঁও সমষ্টিৰ ৰাইজৰ নামঘৰ, মন্দিৰ, মছজিদ,গীৰ্জাত বিধায়কৰ আশু আৰোগ্য কামনা কৰি যিমানখিনি চাকি, সেৱা, মৰম আগবঢ়ালে স্বাস্থ্য বিভাগৰ মন্ত্ৰীকে ধৰি, স্বাস্থ্য বিভাগৰ বিভিন্ন বিষয়া, কৰ্মচাৰী আৰু নাৰ্চকে যিখিনি আমি সহযোগিতা পালো তাৰকাৰণে মই আঁচলতে পুনৰ জনম পালো। মই মাননীয় মুখ্যমন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰীকে ধৰি সকলো স্বাস্থ্যকৰ্মীলৈ ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী নজৰুল হক। তেখেতে অনুপস্থিত। এতিয়া শ্ৰী চক্ৰধৰ গগৈ।

**শ্ৰী চক্ৰধৰ গগৈ (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজনৈতিক জীৱনৰ প্ৰথমটো কাৰ্য্যকালৰ সদনৰ মজিয়াত অন্তিমটো দিন। এই দিনটোত আৰু আমাৰ নতুন সভাকক্ষৰ ভিতৰত ঠিয় হৈ সমষ্টি আৰু চৰকাৰৰ সপক্ষত দুই-আষাৰ ক'বলৈ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো আৰু আমাৰ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াকো বিগত দিনকেইটাত আমাক যথেষ্টখিনি উৎসাহ-উদ্দীপনা দিয়াৰ বাবে ধন্যবাদ জনাইছো। আজি আমাৰ এই যিখন লেখানুদান Vote on Account এই বাজেটৰ ওপৰত আমাৰ শাসক-বিৰোধী দুয়োপক্ষৰ মাননীয় বিধায়ক সকলে আলাপ-আলোচনা কৰিছে আৰু আমিও এই আলোচনাত ভাগ ধৰি দুটিমান কথা উল্লেখ কৰিব খুজিছো এইকাৰণেই যে কেইবা গৰাকীও শাসকীয় বিধায়কে আমাৰ এই বাজেটখনক (অৱশ্যে এইখনক বাজেট বুলি ক'ব পৰাই নাযায় যিহেতু এইখন পূৰ্ণাংগ বাজেট নহয় এইখন এটা interim period ৰ কাৰণে লোৱা বাজেট) গতিকে এই যিখিনি আমাৰ Vote on Account ৰ বাবে যিখন বাজেট প্ৰস্তুত কৰা হৈছিল, এইখনৰ ওপৰত কোনোবাই বক্তব্য ৰাখিছে যে এইখন ইলেকশ্যন অৰিয়েণ্টেড বাজেট, কিছুমানে কৈছে আকৌ ৰাইজৰ প্ৰতি আন্তৰিকতাহীন বাজেট।

এতিয়া মই তেখেত সকলকে প্ৰশ্ন কৰিব খুজিছো যে বাজেটখনত যিখিনি জনকল্যাণমূলক আঁচনিৰ কথা কোৱা হ'ল সেইবাবেই এই বাজেটখনক আন্তৰিকতাহীন বাজেট বুলি কোৱা হৈছে নেকি বা ইলেকশ্যন অৰিয়েণ্টেটেড বাজেট বুলি কোৱা হৈছে নেকি কাৰণ আমি এই যোৱা পাঁচোটা বছৰত এইখন চৰকাৰে যিমানখিনি জনকল্যাণমূলক আঁচনি শুদ্ধ ৰূপত কাৰ্যান্বিত কৰিছে আমি যোৱা পোন্ধৰ বছৰীয়া ইতিহাসত কাহানিও দেখিবলৈ পোৱা নাছিলো। এই কথাখিনি কিন্তু আপোনালোকে মনত ৰখা উচিত। আপোনালোকৰ দিনবোৰত যিবোৰ আঁচনি লোৱা হৈছিল সেই আঁচনিবিলাকত কোনো ডি বি টি চীচটেম নাছিল আৰু ডি বি টি চীচটেম নথকাৰ কাৰণে আপোনালোকৰে একালৰ প্ৰধানমন্ত্ৰী স্বৰ্গগত ৰাজীৱ গান্ধী দেৰে কোৱাৰ দৰে এটকা পইচাৰ কেই পইচা ৰাইজে পাইছিল আপোনলোকে নিজে নিশ্চয় হিচাপ ৰাখিছে। পোন্ধৰ বছৰৰ দহ বছৰ আপোনালোকে ডি বি টি নোহোৱাকৈ চলিল। যি নহওঁক আমাৰ কথা হ'ল আমাৰ চৰকাৰখনৰ যিখিনি জনকল্যাণমূলক আঁচনি লোৱা হ'ল বা কৰা হ'ল তাক আপেনালোকে প্ৰশংসা কৰাৰ বিপৰীতে কেৱল মাত্ৰ জনকল্যাণমুখী আঁচনি হোৱাৰ বাবেই সমালোচনা কৰি আছে। এই কথাটো ইয়াত স্পষ্ট হৈছে কাৰণ আপোনালোকৰ নিশ্চয় মনত আছে পি এম জি এচ ওৱাই আঁচনিৰ অধীনত আপোনালোকৰ চৰকাৰৰ দিনত যেতিয়া ঘৰ নিৰ্মাণ কৰা হৈছিল সেই ঘৰবিলাক এতিয়া আপোনালোকৰ সমষ্টিত কি হৈছে মই নাজানো কিন্তু মোৰ সমষ্টি মৰাণত এতিয়া কেৱল মাত্ৰ পাঁচ-ছটা খুটা থিয় হৈ আছে। কোনো মানুহে এইবিলাক ঘৰত থাকিব পৰা নাছিল। কিন্তু মই আজি আপোনালোকক প্ৰত্যাহ্বান জনাই কৈছো যে ভাৰতীয় জনতা পাৰ্টীৰ এই পাঁচ বছৰীয়া চৰকাৰৰ কাৰ্য্যকালত মোৰ সমষ্টিত যিমান ঘৰ বনোৱা হৈছে আটাইখিনি মানুহ থাকিব পৰাকৈ নিৰ্মাণ কৰা হৈছে। গতিকে সেইবিলাক কথা আপোনালকে মনত ৰাখিব। আজি হাজাৰ হাজাৰ কৃষকক কৃষি সঁজুলিৰ বাবে পইচা দিয়া হৈছে। আজি হাজাৰ হাজাৰ কৃষকক কিষান সন্মান নিধিৰ জৰিয়তে পইচা দিয়া হৈছে। এইবিলাক কি কেৱল ইলেকশ্যনৰ কাৰণে কৰা হৈছে বুলি আপোনালোকে জ্ঞান কৰে নেকি ? কাৰণ এইবিলাক কৃষকৰ মূলধনৰ বাট। এটা নাঙল বনাবৰ বাবে আজিৰ দিনত তিনি হাজাৰ টকাৰ প্ৰয়োজন হয়। এজন কৃষকৰ বাবে এটা নাঙলেই যথেষ্ট। আপোনাৰ মোৰ কাৰণে পাঁছ হাজাৰ টকা কম হ'ব পাৰে কিন্তু এজন কৃষকৰ বাবে পাঁচ হাজাৰ টকাও যথেষ্ট। গতিকে এইবিলাক হৈছে জনকল্যাণমূলক কাম। আজি আপোনালকে চাহ বাগিচাৰ কথা কৈ আছে। এই চাহ বাগিছাৰ কাষতেই মই বাস কৰো। মোৰ সমষ্টিতো ওঠৰ খনতকৈ অধিক চাহবাগিচা আছে, কেইবাখনো বস্তি আছে। বহু হাজাৰ চাহবাগিচাৰ লোক মোৰ সমষ্টিত বাস কৰে। আজি মৰাণ সমষ্টিৰ প্ৰত্যেক গৰাকী চাহ জনগোষ্ঠীৰ ৰাইজে আজি সুখ-শান্তি আৰু সমৃদ্ধিৰে জীৱনৰ বাটত আগুৱাই গৈছে। আজি এইখন চৰকাৰৰ দিনত ওঠৰখন চাহবাগিচাৰ ভিতৰত পোন্ধৰখন চাহবাগিচাৰ ৰাস্তা পকী কৰণ কৰাৰ ক্ষেত্ৰত মই সফল হৈছো। কুৰি খনতকৈ অধিক বস্তিত বৈদ্যুতিকৰণৰ ব্যৱস্থা কৰি নতুন দিশেৰে আলোকিত কৰিবৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্ব্বানন্দ সোণোৱাল চৰকাৰৰ দিনত আমি সক্ষম হৈছো। এইবিলাক কাম কৰাৰ কাৰনে আপোনালোকে কোৱাৰ দৰে এই বাজেটখন আন্তৰিকতা বিহীন বাজেট হ'ল নেকি ? এই কথা বিলাক আপোনালোকে মন কৰিব। আজি আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে এইখন চৰকাৰে বিনামূলীয়া এডমিশ্যনকে ধৰি বিনামূলীয়া কিতাপ পৰ্য্যন্ত বিতৰণ কৰিছে। সৌ সিদিনা শ শ শিক্ষকক প্ৰভিনচিয়েলাইশ্যন কৰা হৈছে, বহুকেইখন স্কুল-কলেজ প্ৰভিনচিয়েলাইজেশ্যন কৰা হৈছে আৰু আপোনালোকৰ চৰকাৰৰ দিনত একেটা পদত তিনিজনলৈকে মানুহ এপইণ্টমেণ্ট দিয়াৰ পাচত তেওঁলোকে অবৈধ ভাৱে শিক্ষক নিযুক্তি প্ৰদান কৰি সেই শিক্ষক সকলক ইমানদিনে

আপোনালোকে গেবাৰী খটুৱালে । সেইবিলাক চাকৰি আমাৰ চৰকাৰৰ দিনত আমি দিবৰ কাৰণে সন্মত হৈছো আৰু চৰকাৰে কাৰ্য্যন্বিত কৰিছে। এই কথাবিলাকৰ বিপৰীতে কেৱল ৰাজনীতিৰ বাবে ৰাজনীতি নকৰি আপোনালোকে উন্নয়নৰ স্বাৰ্থটো দু-আষাৰ কথা কোৱাটো আমি বিচাৰো। আজি যেতিয়া বাগিচাৰ উন্নয়ণৰ কথা কয়, আজি বাগিচাৰ ধন-পুৰস্কাৰ মেলা পাতি হাজাৰ হাজাৰ অসমৰ সাত লাখ চাহবাগিচাৰ শ্ৰমিকক তিনি হাজাৰকৈ টকা আমি কিছুদিন আগতে দিছো। যোৱা বছৰ আঢ়ৈ হাজাৰ আঢ়ৈ হাজাৰকৈ পাঁচহাজাৰ টকা দিছো। এইয়া কি উপঢৌকন? মানুহক ইমান নীচ জ্ঞান কৰে নেকি যে তিনি হাজাৰ টকা দিয়াৰ কাৰণে তেওঁলোকৰ মন-মগজুটো ক'ৰবাত বিক্ৰী কৰি দিব। ৰাইজে ভোট কাক দিব সেয়া নিজেই সিদ্ধান্ত ল'ব? পইচাৰে মানুহৰ মন-মগজু কিনিব পৰা নাযায়, ছাগলীৰ মূৰ, গাহৰিৰ মুৰ, গৰুৰ মূৰ কিনিব পৰা যায়। কিন্তু পইচাৰে আপুনি মানুহৰ মূৰ কিনিব নোৱোৰে। নিজৰ বিবেচনাৰে মানুহেভোট দিব। মই নিশ্চিতভাৱে ক'ব পাৰো আপোনালোক অহা বাৰ ও বিৰোধীৰ আসনতে আসন গ্ৰহণ কৰাৰ বাবে সাজু থাকক ।

..............................................সদনত হুলস্থূল....................................

বহু কেইজন বিধায়কে *সব কা সাথ, সব কা বিকাশ* হোৱা নাই বুলি কৈছে। মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াৰ অফিচলৈ আপোনালোকে ডাঙৰ ডাঙৰ প্ৰজেক্ট দিবলৈ যায় আৰু পাচ কৰি আনে। আপোনালোকে নহয় বুলি ক'ব নোৱাৰে। আমাৰ উপস্থিতিত, মই নিজে দেখিছো। সম অধিকাৰ, সমতাৰ ভিত্তিত এইখন চৰকাৰ চলিল আৰু যেতিয়া পাঁচ বছৰৰ পিছত এই চৰকাৰ শেষ হ'বলৈ হ'ল আপোনালোক আজি সমালোচনাত মুখৰ হৈ পৰিছে।

..............................................সদনত হুলস্থূল....................................

**শ্ৰী চক্ৰধৰ গগৈ (মৰাণ) ঃ** মই আপোনালোকক ধন্যবাদ জনাইছো। বিগত দিনবিলাকত আমি সহযোগিতাকে কাম কৰিলো। ভৱিষ্যতৰ দিনতো আপোনালোকে বিৰোধীৰ আসনত বহিবলৈ সাজু থাকক ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী ৰফিকুল ইছলাম।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এই নতুন বিল্ডিঙত চেচনৰ শেষ দিনটো কৰিবৰ বাবে সুবিধা কৰি দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো আৰু মই প্ৰাক্তণ মুখ্যমন্ত্ৰী তৰুণ গগৈ দেৱক স্মৰণ কৰিছো। এইটো তেখেতৰ সপোন আছিল আৰুতেখেতে আৰম্ভ কৰিছিল। আমাৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী শ্ৰী সৰ্ব্বানন্দ সোনোৱাল ডাঙৰীয়াকো ধন্যবাদ জ্ঞাপন কৰিছো। তেখেতে এই নতুন ভৱনৰ ফিটা কাটি আমাৰ লগত আহি একেলগে বহিছে। মাননীয় অধ্যক্ষ মহোদয়, আজি মই আচৰিত হৈছো যে আমাৰ কিছুমান বিধায়কে এই ভেঞ্চাৰ স্কুল সম্পৰ্কে কেই হাজাৰ মান পোষ্টৰ যি প্ৰশংসা কৰি আছে, এই শিক্ষক সকলে গৈ বেলেগ এখন স্কুলত জইন কৰিলে আৰু গোটেই অসমত নিজৰ স্কুলত এতিয়াও চাৰিলাখৰ অধিক ছাত্ৰ-ছাত্ৰী বহি আছে আৰু অহা মাহত পৰীক্ষা আৰম্ভ হ'ব। মই যোৱাকালি পোন্ধৰ মিনিট উত্থাপন কৰিছিলো। মই বিচাৰিছিলো মাননীয় মুখ্যমন্ত্ৰীৰ মুখৰ পৰা এই বিষয়ত এটা বাক্য শুনিম। তেখেতে হয়তো বেলেগ গুৰুত্বপূৰ্ণ কথা কৈছে কিন্তু এই কথাটো শুনা নাই। এতিয়া যিগৰাকী মাননীয় মন্ত্ৰীয়ে উত্তৰ দিব তেওঁক আমি ৰিপ্লাই বিচাৰিম এই যে চাৰিলাখ ছাত্ৰ-ছাত্ৰী যিসকল শিক্ষক অবিহনে বিদ্যালয়ত আছে তেখেত সকলৰ বাবে কি ব্যৱস্থা লব? তেওঁলোকৰ বিদ্যালয় জাগাত থাকিব লাগিবকোনো প্ৰপাৰটি হস্তান্তৰ হ'ব নোৱাৰিব। এই বিষয়ে বিধান সভাত কোনোধৰণৰ সিদ্ধান্ত হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই এইটো দাবী কৰিলো। এই বিদ্যালয় বিলাকত তিনিটা পোষ্ট দিছে য'ত

পাঁচ-ছটা পোষ্ট হ'ব লাগিছিল। চতুৰ্থ বৰ্গৰ কোনো পোষ্ট এতিয়ালৈকে দিয়া নাই। বিদ্যালয়ৰ চতুৰ্থ বৰ্গৰ মানুহখিনি এই বিষয়ে এতিয়াও চিন্তিত আৰু আশা কৰো নিশ্চয় চৰকাৰে এইবিষয়ে কোনো সিদ্ধান্ত লব। ১০৪ খন হাইয়াৰ চেকেণ্ডাৰী স্কুলৰ মাত্ৰ চাৰিখন হাইয়াৰ চেকেণ্ডাৰী স্কুল ললে। এশ হাইয়াৰ চেকেণ্ডাৰী স্কুলৰ আগতে পাৰমিশ্যন কনডিশ্যন আছিল কিন্তু এভিলিয়েশ্যনৰ কনডিশ্যন দি এইখিনি বাদ পেলালে। গতিকে মই ভাৱো এইক্ষেত্ৰত সিদ্ধান্ত লব লাগে। বাকী কথাখিনি যিহেতু মই যোৱা কালি কৈছিলো ৰিপিট নকৰো। আমাৰ মাননীয় বিধায়ক সকলৰ সমষ্টিতে া এই সমস্যাটো আছে। যদি আগত স্কুল আছিল তেন্তে এইক্ষেত্ৰত পজিটিভলি আমি চৰকাৰক হেঁচা প্ৰয়োগ কৰি এই সিদ্ধান্তটো বাহাল ৰাখিব লাগে । মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাৰ কথা কোৱা হৈছে। বহুত কেইখন বিশ্ববিদ্যালয় স্থাপনৰ কথা ঘোষণা হৈছে। হোজাই, বৰপেটা, নলবাৰী আদিত বিশ্ববিদ্যালয় ঘোষনা হৈছে। তাত কেইটা বিভাগ হৈছে। আজি কলেজ আপগ্ৰেড কৰি ইউনিভাৰচিটি বনালে। কটন বিশ্ববিদ্যালয় হ'ল। বানাৰস হিন্দু বিশ্ববিদ্যালয়ত তিনিশ চাবজেক্ট আছে। আলিগড় মুছলিম বিশ্ববিদ্যালয়ত তিনিশ চাবজেক্ট আছে। আমি অসম খনক বহুত আগুৱাই লৈ যাব বিচাৰিছো কিন্তু দহ-বাৰটা চাবজেক্ট introduce কৰিব পৰা নাই। মই চৰকাৰক অনুৰোধ জনাম অকল ইউনিভাৰচিটি ঘোষণা কৰিলেই নহ'ব ইউনিভাৰচিটি ঘোষণাৰ লগে লগে এই যুগৰ লগত মিলাই চাবজেক্ট বিলাক দিলে আমাৰ ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব। আমাৰ গুৱাহাটী বিশ্ববিদ্যালয়ত এশৰো অধিক চাবজেক্ট introduce কৰাব লাগে আৰু নতুন বিশ্ববিদ্যালয় বিলাকত চাবজেক্ট introduce কৰাই অতি সোনকালে শিক্ষক নিযুক্তি দিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, Tea Tribe ৰ লেবাৰ সকলে ৩৫১ টকাৰ দাবী কৰিছে, মাত্ৰ ৩০০০ ৰ ঘোষণা কৰিছে। তেখেত সকলে পায় ১৬৭ টকা গতিকে তেখেত সকলে দাবী কৰিছে মাত্ৰ ৩৫১ টকা পায়। এই ৩৫১ টকা তেখেত সকলক নিদি বছৰত প্ৰায় সত্তৰ হাজাৰ টকাৰ পৰা বঞ্চিত কৰিছে। আমি যদি ৩৫১ টকা প্ৰদান কৰি তেখেত সকলৰ দাবী পূৰণ কৰো বছৰত প্ৰায় সত্তৰ হাজাৰ টকা তেখেত সকলে পাব। সত্তৰ হাজাৰ টকা নিদি মাত্ৰ ৩০০০ টকাৰ এই ললিপপ দিছে আৰু বাগানৰ বিধায়ক সকল সন্তুষ্ট হৈ বহি আছে। মই গোটেই অসমৰ বাগানৰ লেবাৰ সকলৰ হৈ কৈছো এতিয়াও দহ দিনৰ সময় আছে চৰকাৰে সিদ্ধান্ত লৈ চাহবাগানৰ লেবাৰ সকলক এই ৩৫০ টকা দিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, মাত্ৰ চৰকাৰী বাগানত থকা লেবাৰসকলক হে এই ৩০০০ টকা দিছে কিন্তু বাকী যিবিলাক সৰু-সুৰা বাগান আছে তাত লাখ লাখ লেবাৰ আছে। সেই সকলে এই ৩০০০ টকাটো নাপায়। কোনোবাই যদি সন্তুষ্ট থাকে থাকক। আমি সন্তুষ্ট নহয়। চৰকাৰে এই দহদিনৰ ভিতৰত সিদ্ধান্ত লব লাগে। লগতে আমাৰ দুটা উদ্যোগ আছিল। কাছাৰ কাগজ কল আৰু নগাওঁ কাগজ কল। দিল্লীত কৰ্ট কেছ চলি আছে, এন চি আৰ টি য়ে দহ বাৰ বিচাৰিলে এফিড এফিড কিন্তু চৰকাৰে নিদিয়ে। পলায়ন বাদী মনোভাৱ লৈ অসম চৰকাৰ বেলেগ ফালে গৈ আছে। তাৰ যিসকল কৰ্মচাৰী আছিল আত্মহত্যা কৰি আছে, ল'ৰা-ছোৱালীয়ে পঢ়িব পৰা নাই। এই দুটা উদ্যোগৰ কাৰণে যথেষ্ট ক্ষতি হৈছে। চৰকাৰে উত্তৰ দিয়ক কিয় ক'টলৈ যোৱা নাই, কিয় এই দুটা উদ্যোগ জীৱিত নকৰিলে। এম এচ এম ই চেক্টৰৰ কথা কয়। কাগজে কলমে হাজাৰ হাজাৰ আছে কিন্তু প্ৰেক্টিকেল ফিল্ডত নাই। এম এচ এম ই চেক্টৰটো যদি টনকিয়াল হ'লহেঁতেন কৰ'ণা কালত যি চৈধ্য লাখতকৈও অধিক ল'ৰা-ছোৱালীয়ে বাহিৰৰ ষ্টেটৰ পৰা আহি এম্পলয়মেণ্ট হেৰুৱাইছে সেইখিনিৰ নিয়োগৰ ব্যৱস্থা কৰিব পৰা গ'লহেঁতেন। অসমত আহি যিসকল আন এম্পলইড হৈছে এই চৈধ্য লাখৰ কাৰণে আমি কোনো চিন্তা কৰা নাই। বাজেটত তেনেকুৱা ধৰণৰ কোনো কথা

কোৰা নাই। নিৰ্ব্বাচন আহিছে এই কথাবিলাক ক'ব। আমি এইটো বেয়া পোৱা নাই। ইয়াত যিসকল হিতাধিকাৰীৰ সৃষ্টি কৰিছে অকল হিতাধিকাৰীত একো নহয়। কংগ্ৰেছে আগত কৰিছিল হোৱা নাই। এইবাৰো একো নহ'ব। গতিকে পাৰমানেণ্ট infracstructure ৰ কাৰণে এই চৈধ্য লাখৰ কাৰণে ২৫ লাখ যুৱক-যুৱতীক চাকৰি দিম বুলি কৈছিল। তাৰ কাৰণে ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰি, গৰাখহনীয়া, বেকী, মানাহ নিয়ন্ত্ৰণ কৰি ভূমিহীন মানুহক মাটি দি, তিনি লাখ মানুহক অকল দিলেই নহ'ব যি গৰাখহনীয়াত জনিয়া, বাঘবৰ, শালমাৰা, ধুবুৰী, গোৱালপাৰা, বৰপেটাৰ উব্বাচ মানুহ বিলাককো মাটি দিয়াৰ কাম কৰক। যদি নকৰে আমাৰ এই দহ টকীয়া কলমেৰে অহাবাৰ আমি আহিম আমি সেইসকল দুখীয়া, সেইসকল erroted people, ভূমিহীন মানুহ, সেইসকল চাহ মজদুৰ, সেই সকল unemployed যিসকলৰ প্ৰতিশ্ৰুতি আপোনালোকে পূৰণ কৰিব পৰা নাই, দহ দিনত আৰু কি কৰিব। আমি আশা নকৰো। অহাবাৰ আহি তাত বহিম। অসমৰ সেইসকলৰ ভাগ্য আমি লিপিবদ্ধ কৰিম। এইখিনি কৈ আপোনাক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰনি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী নুৰুল হুডা।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি যিখন লেখানুদান পাঠ কৰিলে তাৰ ভিতৰত কি আছে তাৰ মুখ্যপত্ৰতে গম পোৱা যায়। ইয়াত এই কথা স্পষ্ট যে আমি উত্তৰাধিকাৰী সুত্ৰে এখন ৰাজ্য লাভ কৰিছিলো য'ত ৰাজকোষ অৰক্ষয়লৈ গতি কৰিছিল আৰু চৰকাৰী কৰ্মচাৰীক দৰমহা দিবলৈ পুঁজিৰ অভাৱ ঘটিছিল। এইটো সম্পূৰ্ণ সত্যৰ আধাৰত নহয়। তেতিয়া মই এটা প্ৰশ্ন কৰিছিলো আৰু প্ৰশ্নৰ উত্তৰত দিছিলে যে তৰুণ গগৈ ডাঙৰীয়া যেতিয়া ২০০১ চনত মুখ্যমন্ত্ৰীৰ আসন গ্ৰহণ কৰে সেইসময়ত ৰাজকোষৰ অৱস্থা কি আছিলে ? মোক উত্তৰ দিছিলে যে ১০ হাজাৰ ৬৭.২ কোটি টকাৰ ঋণৰ বোজা লৈ তৰুণ গগৈ ডাঙৰীয়াই মুখ্যমন্ত্ৰীৰ আসন লৈছিলে আৰু যেতিয়া ২০১৬ চনত তেওঁ মুখ্যমন্ত্ৰীৰ আসন এৰি যায় এই নতুন বি জে পি, অগপ দলে শাসন লয়, সেই সময়ত ১০ হাজাৰ ৫৬.৪৪ কোটি টকা ৰাজকোষত জমা থৈ গৈছিলে। ৰাজকোষত জমা থোৱাৰ পিছতো আজি যি কথা লেখানুদানত কোৱা হৈছে এইটো সত্যৰ আধাৰত নহয়। মাননীয় অধ্যক্ষ মহোদয়, এই যিখন লেখানুদান বাজেট, এই বাজেট মাত্ৰ কবিতা ইয়াত ছন্দ নাই। ইয়াত পেট্ৰোল, ডিজেলৰ দাম পাঁচ টকা কমাইছে কিন্তু ৫৬ টকাৰ ডিজেল ২৯ টকাত বিক্ৰী কৰি ৮৫ টকা কৰিছিলে আৰু সেই ৮৫ ৰ পৰাহে ৫ টকা ৰেহাই কৰিছে। কিন্তু আচৰিত কথা মদৰ দাম ২৫ টকা, ২৫ শতাংশ ৰেহাই দিছে মদৰ দামত। কিন্তু নিত্য প্ৰয়োজনীয় যি খাদ্য সামগ্ৰী পিয়াঁজ,তেল, দালি,চেনী এই অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী সমূহৰ দাম বজাৰত আকাশ লংঘী হৈছে। এইখিনি কথা কিন্তু চৰকাৰে চিন্তা নকৰিলে। গতিকে এই বিষয়ত আমি ভাবিব লাগিব। দেখা যায় চৰকাৰখনে এনেকুৱা বক্তব্য ৰাখে, এই বক্তব্য শুনিলে আমি গম পাওঁ যে অসমত কোনো সমস্যাই নাই। অসম একেবাৰে প্ৰগতিৰ দিশত আকাশ চুই গৈছে। কিন্তু যোৱা ২০১৮-১৯ চনৰ বাজেটত তেওঁলোকে কৈছিলে যে সংখ্যালঘু অঞ্চলত দহখন মহিলা মহাবিদ্যালয় দিব। কিন্তু চৰকাৰখনে এখনো মহাবিদ্যালয় নিদিলে। আজি বহিঃৰাষ্ট্ৰৰ নেতাক আমি গামোচাৰে আদৰিছো, গৌৰৱ অনুভৱ কৰিছো। কিন্তু অসমত জন্ম গ্ৰহণ কৰা সংখ্যালঘু সম্প্ৰদায়ক অসমীয়া হিচাপে স্বীকৃতি দিয়াটো কিছুমানে টান পায়। মাননীয় অধ্যক্ষ মহোদয়, মই ক'ব বিচাৰিছো ওচমান আলী ***....১৮.১০...*** ৰ ১৮৯৬ চনত আলী টাঙনিত এশ শতাংশ সংখ্যালঘু সম্প্ৰদায়ৰ মানুহ থকা বহুত অঞ্চলত অসমীয়া মাধ্যমৰ বিদ্যালয় স্থাপন কৰি অসমীয়া মাধ্যমৰ শিক্ষা আৰম্ভ কৰিছিলে । ১৯১৭ চনত শিৱসাগৰত সাহিত্য সভাৰ যি অধিৱেশন হৈছিলে এই অধিৱেশনত ওচমান আলী ডাঙৰীয়াৰ নিৰীক্ষণত থকা কাৰণে

ৰত্নকান্ত বৰকাকতি আৰু **মুছলিম উদ্দিন** চাহাব এই দুজনক প্ৰতিনিধি হিচাপে পঠাই দিছিলে। প্ৰস্তাৱ দিছিলে যে অসমৰ ব্ৰহ্মপুত্ৰ ভেলীৰ মুছলমান সকল, বংগৰ মুছলমান সকল অসমীয়া আৰু আমাৰ ভাষা অসমীয়া বুলি অসমীয়া সাহিত্য সভাই স্বীকৃতি দিছিলে। প্ৰত্যেকজন মুছলমান অসমীয়া আৰু ভাষা অসমীয়া। ১৯৭২ চনৰ ভাষা আন্দোলন, এই ভাষা আন্দোলনত আমি জানো যে মুছলমান সকল আৰু অনিল বৰা ডাঙৰীয়া ভাষাৰ কাৰণে শ্বহীদ হৈছে। মাননীয় অধ্যক্ষ মহোদয়, দুখৰ বিষয় দৰং জিলাৰ ওমৰ আলী শ্বহীদ হৈছিল।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী সত্যব্ৰত কলিতা।

**শ্ৰী সত্যব্ৰত কলিতা (কমলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমে আজি আমাক এই নতুন ভৱনটো আৰু এই কাৰ্য্যকালৰ শেষৰ দিনৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো, লগতে আপুনি অধ্যক্ষৰ আসন গ্ৰহণ কৰাৰ পৰাই আমাক যি ভাৱে সদন পৰিচালনা কৰিছে তাৰ কাৰণেও আমি সকলোৱে মই ভাৱো শাসক বিৰোধী সকলোৱে ইয়াৰ কাৰণে ধন্যবাদ দিয়া উচিত আৰু বিৰোধীক বেছি সুযোগ দিছে অধ্যক্ষ মহোদয়ে মই ভাৱো আৰু তাতকৈ আমি যিসকল নতুন বিধায়ক হিচাপে আহিছিলো, তেখেতসকলৰ কাৰণে আমাৰ বিধায়ক কাল বা members time দি আপুনি যি এটা সুযোগ দিলে তাৰ কাৰণে আমি বিধায়ক সকলে আপোনাক ধন্যবাদ দিছো। আপুনি ধন্যবাদৰ পাত্ৰ। তাৰ কাৰণে আমি ভাৱো যে, আমি এগৰাকী ভাল অধ্যক্ষৰ তত্বাৱধানত বিধান সভাত থকাৰ সুযোগ পালো। তাৰ কাৰণে আপোনাক আকৌ পুনৰবাৰ ধন্যবাদ জনাইছো, যোৱাকালি যি লেখানুদান ইয়াত দাখিল কৰা হ'ল, এই লৈ বহুত বিতৰ্ক হৈছে। আমি আচলতে বিতৰ্কৰ শেষত আহিছো। আজি ইয়াত ইমান কোনেও উত্তেজিত হ'বলগীয়া নাই। কাৰণ শেষৰ দিন। আপোনালোক সকলোৱে নিজৰ সমষ্টিৰ চিন্তা হৈ আছে। গতিকে সমষ্টিৰ চিন্তা হৈ থকা অৱস্থাত এতিয়া ইমান বেছি ভাষণ দিলেও গাওঁৰ মানুহে নেদেখিব। গতিকে মই ভাৱো যে, এতিয়া আৰু বৰ বেছি উত্তেজিত হোৱাৰ সময়টো পাৰ হৈছে। আপোনালোকে উত্তেজনাটো অলপ কমোৱাই ভাল। এতিয়া অসমীয়া কোন, আমি কোন, অসমীয়া, এইবিলাক কথালৈ বহুত বিতৰ্ক, বহুতবাৰ আগতে হৈ গ'ল। মই আগতেও কৈছো যে, কোনো ইয়াত অসমীয়াৰ সংজ্ঞাটো আমি নিৰূপণ কৰিব নালাগে, আমি সকলোৱে যিহেতু অসমীয়া, মই কাৰোপৰা চাৰ্টিফিকেট নলও আৰু আপোনালোকেও কাৰোৰপৰা চাৰ্টিফিকেট ল'ব নালাগে। তাৰ কাৰণে আমি বিধান সভাৰ মজিয়াত নক'লেও হ'ব। আমাক কিয় চাৰ্টিফিকেট লাগে। আমাৰ সাহসটো থাকিব লাগে আৰু এইটো বাজেটৰ লগত বৰ বেছি সম্পৰ্ক থকা কথাবুলি মই বিশ্বাস নকৰো। ইয়াত বহু কথাই আলোচনা হৈছে। শাসক-বিৰোধীয়ে আমি বহু কথাই ইয়াত আলোচনা কৰিছো। বাজেট খনত আমি দেখিছো ইয়াত কৈছে যে, নিৰ্বাচনমুখী বাজেট। মই আগৰ বাজেট ভাষণতো কৈছো প্ৰত্যেক গৰাকী বিত্তমন্ত্ৰী বা চৰকাৰখনে যদি প্ৰতিখন বাজেটেই নিৰ্বাচনমুখী কৰি তুলিলে হয়, তেতিয়াহ'লে জনসাধাৰণৰ কাম হয়। আমি যদি সকলোৱে ভাৱো যে, নিৰ্বাচনটো আহি আছে, তেতিয়া চৰকাৰে ভাল কাম কৰিব। গতিকে নিৰ্বাচনমুখী বাজেট হোৱাত কোনো অপৰাধ থাকিব নোৱাৰে। কিন্তু মই ভাৱো যে, এই বাজেটখনৰ যোগেদি পৰৱৰ্তী দিন কেইটা কেনেকৈ আমি চলিব পাৰিম। সেই কথাটো ইয়াত নিশ্চয় আভাস থাকিব লাগে আৰু এই আভাস খিনি ইয়াত উল্লেখ কৰা হৈছে। আমি বাজেটত নথকা বহু কথাই ইয়াত টানি আনিবলৈ চেষ্টা কৰো যে, শ্ৰী ওয়াজেদ আলী চৌধুৰী ডাঙৰীয়া যথেষ্ট জ্যেষ্ঠ বিধায়ক, মন্ত্ৰীও হৈছে। তেখেতে এই বাজেটৰ লগতে আকৌ গুপ্তহত্যাটো টানি আনিলে, সেইটো কেনেকুৱা ধৰণৰ প্ৰসংগ মই বুজি নাপালো। আমিতো নকও যে, ২০০৪ চনত আপোনালোকৰ নেতৃত্বত Operation Blue all

clear হৈছিল, Rhino হৈছিল, সেইবিলাক কথাৰ আজি আলোচনাৰ কোনো প্ৰয়োজন নাই বুলি মই ভাৱো। (সদনত হুলস্থুল)

**माननीय অধ্যক্ষ ঃ** আপোনাক মই ক'বলৈ দিম। This is not the way. এইবিলাক কথা গাত লাগিলে দিগদাৰ। গাত লগাই নল'ব।

**শ্ৰী সত্যব্ৰত কলিতা (কমলপুৰ) ঃ** এই কথাবোৰ কাৰোবাৰ গাত লাগিব পাৰে, সেইকাৰণে মই কওঁতে আপুনি কিয় react কৰিছে। মইতো junior, মইতো react কৰা নাই। গতিকে ইমান নকৰিব আৰু মোৰ বন্ধু শ্বেৰমান আলী ডাঙৰীয়াই কৈছে যে, সন্দেহযুক্ত বিদেশীৰ কথাটো যিটো কৈছে গুৰুত্বপূৰ্ণ কথা। ঠিকেই কৈছে, মই বেয়া পোৱা নাই। আপুনি forest department ত কাম কৰা মানুহ আছিল। সন্দেহযুক্তই হওঁক বা ভাৰতীয় নাগৰিকেই হওঁক, চৰকাৰৰ মাটি বে-দখল কৰাৰ কাৰোবাৰ অধিকাৰ আছে নেকি? গতিকে আমি বে-দখল বিলাকক উচ্ছেদ কৰিছো। সেইটোতো চৰকাৰৰ দায়িত্ব।

(সদনত হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** Please, Please

**শ্ৰী সত্যব্ৰত কলিতা (কমলপুৰ) ঃ** এইটো সকলোৱে বুজা উচিত যে, কোনোবা ভাৰতীয় হওঁক বা অবৈধ বিদেশীয়েই হওঁক, কাৰো চৰকাৰী মাটিত বে-দখল কৰাৰ অধিকাৰ নাই আৰু সেই কামটো চৰকাৰে কৰি দেখুৱাইছে। কাজিৰঙাৰ মাটি বে-দখল কৰিব নোৱাৰে। সেই কথাটো কোৱাত আপোনালোকে কিয় আপত্তি কৰে? গতিকে এই ধৰণৰ কথাবিলাকত বিতৰ্ক নকৰিলে ভাল। ডাঃ নোমল মোমিনে এটা গান আৰম্ভ কৰিছিল-

মানুহে মানুহৰ বাবে যদিহে অকণো নাভাবে,
অকণো সহানুভূতিৰে, ভাবিব কোনেনো কোৱা।

তাত এটা গুৰুত্বপূৰ্ণ লাইন আছে। বাজেটখনত সেইটোহে আমি বিচাৰিছিলো। সেইটো হ'ল দুৰ্বল মানুহে যদি জীৱনৰ কোবাল নদীত, পাৰ হৈ তোমাৰে সাহস, তুমি হেৰুৱাবানো কি? আমাৰ হেৰুৱাবলগীয়া নাই। আমাক দায়িত্ব দিছে। সেই দুৰ্বল মানুহ সকলৰ কাৰণে যি কাম কৰা আছে এই লেখানুদান বা আজি ৫ বছৰীয়া বাজেটত উল্লেখ কৰা আছিল। দুৰ্বল মানুহ সকলক জীৱনৰ কোৱাল নদীত উদ্ধাৰ কৰিবলৈ ড০ ভূপেন হাজৰিকাৰ সেই গীতৰে উদ্বিগ্ন হৈ এই বাজেটবিলাক প্ৰস্তুত হৈছে, সেই কথাটো আপোনালোকে অনুধাৱন কৰিলে বাজেটখন ভাল দেখিব। মই বেছি দীঘলকৈ নকও। মই একমিনিট লৈছো।

**মাননীয় অধ্যক্ষ ঃ** আমি দিব পাৰিলে ভাল পাও। কিন্তু Vote on Accounts ইমান details discussion নহয়। মইহে allow কৰিছো।

**শ্ৰী সত্যব্ৰত কলিতা (কমলপুৰ) ঃ** চাহ গোষ্ঠীৰ পৰা কেবিনেট মন্ত্ৰী নাই বুলি মোৰ বন্ধু দুৰ্গা ভূমিজৰ আজি মনত পৰিল। এই কথাবিলাক আমি কোৱাতকৈ কোন কেবিনেট মন্ত্ৰী হৈছে, কোন বিধায়ক হৈছে তাতকৈ ডাঙৰ কথাটো হ'ল যে চাহ জনগোষ্ঠীৰ কাৰণে এইখন চৰকাৰে কি কাম কৰিছে। মই এটা জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰো কাৰণে কলিতা জনগোষ্ঠীৰে উন্নয়ন কৰিম, মোৰ অসমৰ প্ৰতি দায়িত্ব নাই এইধৰণৰ মানসিকতা আমাৰ কোনো এজন বিধায়কৰে উচিত নহয়। কি বামুণেই হওঁক বা সুদিৰেই, হিন্দু, মুছলমান হওঁক, আমাৰ প্ৰত্যেকজন বিধায়কৰ প্ৰতিটো জনগোষ্ঠীৰ প্ৰতি দায়িত্ব আছে আৰু সেই দায়িত্ব পালন কৰিবলৈ আমাক বিধান সভাৰ মজিয়ালৈ প্ৰেৰণ কৰিছে। সেইখিনি দায়িত্ব আমি পালন কৰা উচিত। গতিকে মই আশা কৰো আমাৰ সকলোৱে নিৰ্বাচন

সন্মুখত, আমি সকলোৱে বিধায়ক হিচাপে আহিছো, কাম কৰাৰ সুযোগ পাইছো, ৫ বছৰে সুন্দৰকৈ কৰিছো। আজি এই ৫ বছৰত আমি যেতিয়া কাম কৰিছিলো, মোৰ সমষ্টিত ৪৫০ কিলোমিটাৰ ৰাষ্টা পকীকৰণ কৰিবলৈ বাকী আছিল। আজিৰ তাৰিখত মই সগৌৰৱে কওঁ, ৭০ শতাংশ অৰ্থাৎ ৩৭০ কিলোমিটাৰ ৰাষ্টা মোৰ সমষ্টিত পকীকৰণ হৈছে। মই এটা উদাহৰণ দিছো। হয়, আমাৰ কিছুমান কাম কৰিবলৈ আছে। শ্ৰীৰকিবুল ইছলাম ডাঙৰীয়াই কেইটামান গুৰুত্বপূৰ্ণ কথা কৈছে। এতিয়া প্ৰায় ২৯ হাজাৰ শিক্ষক নিযুক্তি দিছে। ভেঞ্চাৰ স্কুলৰ মাষ্টৰ বিলাক আমাৰ ওচৰতো আহি আছে। এইটো গুৰুত্বপূৰ্ণ কথা। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আমি ধন্যবাদ দিব লাগিব যে, সেই কথাটো অনুধাবন কৰিছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে, এই সকলৰো ব্যৱস্থা কৰা হ'ব। সেই কথাটোক গুৰুত্ব দিয়া উচিত। এটা গুৰুত্বপূৰ্ণ কথা মাননীয় অধ্যক্ষ মহোদয়, আমাৰ পশ্চিম গুৱাহাটী সমষ্টিৰ সন্মানীয় শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াৰ সমষ্টিত, তেওঁ মেঘালয় আৰু অসম বোৰ্ডাৰ চেয়াৰ কৰে। তাত ৪ খন বিদ্যালয় জালুক পাহাম, নতুন ভঙাগড়, লংচাই আৰু হানাপাৰা সেই খিনি স্কুল সকলো norms থকাৰ পাছতো নোসোমাল। কিন্তু তেওঁলোকক যদি বেছিদিন নোসোমাই তেওঁলোকক কিন্তু মেঘালয় চৰকাৰে recognise কৰি দিব। গতিকে সেইটো এটা serious কথা। মোৰ সমষ্টিটো তেনেকৈ কেইবাখনো শিক্ষানুষ্ঠান norms থকাৰ পাছত বাদ পৰি আছে। এই কথাবিলাক নিশ্চয় মই ভাবো consider কৰিব। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া, শিক্ষামন্ত্ৰী ডাঙৰীয়াই যিটো আশ্বাস ব্যক্তিগত ভাবে বা ৰাজহুৱা ভাৱে দিছে নিশ্চয় আমি ভাৰো বাস্তৱ ক্ষেত্ৰত কৰিব।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** Sir, Hon'ble Member has mentioned my name, so I should be given my opportunity to clear my stand.

**মাননীয় অধ্যক্ষ ঃ** নাম কাৰো নাথাকে। Minister please. আমাৰ বিল আছে। আমি পাৰিলে সোনকালে শেষ কৰিব লাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Now Item No. 2 should I move then appropriation bill will come.

**মাননীয় অধ্যক্ষ ঃ** Do you want to say anything.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** I don't want to say. Should I move or not.

**মাননীয় অধ্যক্ষ ঃ** That is up to you. You have to give a small answer atleast.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** I will give answer that is not my point. My point is whether I should move Item No. 2.

**মাননীয় অধ্যক্ষ ঃ** Item No. 2 discussion on Vote on Accounts Budget that is going on. You have to give some answer here.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** I will give my answer but before that should I move the motion.

**মাননীয় অধ্যক্ষ ঃ** What is the motion. You tell me.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** The motion is that on the recommendation of the Governor of Assam on behalf of our Hon'ble

Finance Minister I would like to move on the recommendation of the Governor of Assam I beg to move that the amount of Rs. 55 thousand 3 hundred 97 crore 19 lakhs 34 thousand lakhs be granted in advance to defray the charges in respect of the different departments during the first six months of the year 2021-2022 beginning from first of April 2021 to 30th September 2021.গতিকে এইখিনি মই move কৰিলো মাননীয় অধ্যক্ষ ডাঙৰীয়া আৰু আমাৰ মাননীয় সদস্য সকলে বিভিন্ন কথা ইয়াত কৈছে, আমাৰ নিয়মটো এনেকুৱা ঠিক আছে আপুনি allow কৰিছে। বেয়া হোৱা নাই, সকলোৱে সকলোৰ কথাখিনি কৈছে। কিন্তু আচলতে আমাৰ সকলোৱে কথা কৈ থাকোতে বাজেটখন নিৰ্বাচনমুখী, বাজেটখন এনেকুৱা। This is not the budget. এইটো হৈছে চৰকাৰৰ এটা commited কিছুমান expenditure থাকিব, election আহিব। নতুন চৰকাৰ আহিব, নতুন নতুন বাজেট দিব।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নি) ঃ** মন্ত্ৰী মহোদয়ে কিন্তু তেওঁৰ ভাষণত বাজেট বুলি উল্লেখ কৰিছে।

**মাননীয় অধ্যক্ষঃ** Let him speak.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ ভিতৰতো বাজেটৰ কথা উল্লেখ আছেই। বাজেট মানে আগৰ বাজেট বিলাকৰ কথা উল্লেখ আছে। কিন্তু আজিৰ এইখন হ'ল লেখানুদান।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নি) ঃ** সেইবোৰ আপুনি বুজাইছে আমি বুজিছো। কিন্তু মন্ত্ৰী মহোদয়ে যোৱাকালি আৰু পৰহিদিনা ভাষণ দিছিল, তেওঁ কিন্তু নিজেই কৈছিল যে মই সৌভাগ্যবান এইখন অন্তিমখন বাজেট প্ৰস্তুত কৰিবলৈ মই সুবিধা পাইছো। আমি চকুৰে দেখি পাইছো। এইটো vote of account. (সদনত হুলস্থূল)

**মাননীয় অধ্যক্ষঃ** আপোনাক ক'লে record হ'ল। আপোনালোকে interfere নকৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** কিবা আছে নেকি ক'বলৈ। মাননীয় অধ্যক্ষ ডাঙৰীয়া, গতিকে ইয়াত আপুনি সকলোকে আলোচনা কৰিব দিছে, যিটো Vote on Account হয় তাৰ ওপৰত আচলতে আলোচনা নহয়। যদি আমি As per Constitutution. এতিয়া হোৱাটো হৈ গ'ল। Vote of Accounts ত আপুনি আলোচনা কৰিবলৈ দিছে তাৰ কাৰণে মই আপোনাক ধন্যবাদ দিছো, মাননীয় সদস্য সকলকো ধন্যবাদ দিছো যে তেখেতসকলে এই গোটেই কথাখিনি perticipate কৰিছে। তেখেত সকলে দুই চাৰিটা কথা ইয়াত উল্লেখ কৰিছে। সেই দুই-চাৰিটা কথা মই মাত্ৰ touch কৰি যাম। মই দীঘলীয়া বক্তব্য নাৰাখো। মাননীয় অধ্যক্ষ ডাঙৰীয়া, প্ৰথম কথা, আমাৰ এজন জ্যেষ্ঠ সদস্য মন্ত্ৰীও আছিল তেখেত শ্ৰীওয়াজেদ আলী ডাঙৰীয়া, তেখেতে কৈছে যে, corruption মাননীয় মুখ্যমন্ত্ৰীৰ অফিচৰ পৰাই আৰম্ভ হৈছে, এইটো কথা মই সমৰ্থন কৰা নাই। এইকাৰণেই সমৰ্থন কৰা নাই যে, এইটো তথ্যৰ ভিত্তিত আপুনি কথাখিনি কোৱা নাই। দ্বিতীয়তে, মাননীয় মুখ্যমন্ত্ৰীৰ অফিচৰ পৰা এই কথাটো যেতিয়া উঠিছিল, সদনত মই নিজে এটা কথা কৈছিলো যে মই with all resposibility, Minister's resposibility যে মই এইটো কথা কৈছো মাননীয় মুখ্যমন্ত্ৰীৰ অফিচত এইবিলাক হোৱা নাই, হ'ব নোৱাৰে আৰু তাৰ responsibility মই লৈছিলো আৰু responsibility টো লোৱাৰ উপৰিও কোনো চৰকাৰে, কোনো মন্ত্ৰীয়ে without discussing with Chief Minister

কেতিয়াও নকয় যে এই বিষয়টো চি আই ডি য়ে এনকুৱেৰী কৰক। সেইখিনিও কৈছো মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোক বিৰাট প্ৰশংসা কৰিছে যে, ভাল কৰিছে আপুনি। এনকুৱেৰী দিব লাগে আৰু একদম tuff enquiry হ'ব লাগে এইটো কথা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে। গতিকে এই কথাটো মই অধ্যক্ষ ডাঙৰীয়া আপোনাৰ জৰিয়তে ক'ম যে আজি এইখন নতুন পবিত্ৰ সদন, আমি ইয়াতে আৰম্ভ কৰিলো মুখ্যমন্ত্ৰী ডাঙৰীয়াই খুব আন্তৰিকতাৰে তেখেতৰ বক্তব্যখিনি ইয়াত দাঙি ধৰিলে আৰু শ্বেৰমান আলী ডাঙৰীয়াক চাহ মেলৰ সময়ত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেখেতসকলক কৈছে যে আপোনালোকে য'ত বসবাস কৰে, সেই মানুহখিনিক ৰাস্তা দেখুৱাব লাগিব। ধুনীয়াকৈ কথাখিনি আৰু কৈছে, তেখেতে বহুত পঢ়াশুনা কৰে, ভাল পাও আপোনাৰ কথা, নাৱবৈচাৰ বিধায়কজনকো কৈছে এইখিনি কথা। কিন্তু আপোনালোকে এতিয়া ৰাস্তা দেখুৱাওক যিখিনি মানুহ চৰ অঞ্চলত আছে। অকল আমি বক্তৃতা দি থাকিলে নহ'ব, ৰাস্তা দেখুৱাওক, এটা ৰাস্তা উলিয়াই দিয়ক, কি কৰা উচিত হ'ব। তেনেকৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে। তেওঁ by heart তেখেতৰ কথাখিনি কৈছে আৰু তেখেতে বাৰম্বাৰ প্ৰথম কথা কৈছে যে দুনীৰ্তিমুক্ত অসম আৰু এই দুনীৰ্তিমুক্ত অসমত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আজি শ্বেৰমান আলী ডাঙৰীয়া, নাৱবৈচাৰ বিধায়ক ডাঙৰীয়া,তাত ব্যক্তিগতবাৰে যেতিয়া চাহ মেলৰ সময়ত কথা পাতিছিল, এটা ডাঙৰ কথা কৈছিল যে, কিছুমানে বক্তৃতা দিয়ে, হাত তালি পোৱাৰ কাৰণে আৰু আচলতে হাত তালিৰ বক্তৃতাৰ কোনো কাম নাই। আমি কৰিব লাগে যে যিটো কওঁ, সেইটো practical হ'ব লাগে। এই কথাটো এওঁলোক দুজনক কৈছে। মইও আছো তাত। গতিকে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইয়াত যিখিনি কথা কৈছে, সেইখিনি কথা বাহিৰত informaly এই দুজন মাননীয় সদস্যক কৈছে। তাৰমানে তেওঁ কৈছে যে মই যিটো কথা কওঁ, I speak from the heart and I do it. গতিকে এই ধৰণৰ কথা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অকল কোৱাই নহয়, আজি এ পি এচ চিৰ কিমান পৰ্য্যায়লৈকে গৈছে আমি দেখিছো। মই সিমান আলোচনা নকৰো। তাৰপিছত পুলিচৰ কথাটো কিমান পৰ্য্যায়লৈকে গ'ল sitting SP পৰ্য্যন্ত arrest হৈ গ'ল ধেমালী কথাটো নহয়। Ex DIG arrest হৈছে। তাৰ আগতে যেতিয়া কৰিমগঞ্জ জিলাখনত আমাৰ মাননীয় সদস্যসকলে কিবা কয়লাৰ কথা উলিয়াইছিল, তাত মেজিষ্ট্ৰেট পৰ্য্যন্ত arrest হৈছে, ACS officer arrest হৈছে। গতিকে বিভিন্ন ধৰণে arrest কৰিছে, তাতকৈ ডাঙৰ কথা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সেই গোটেই কথাখিনি, Opposition য়ে বিচাৰিছিল যে, এইটো CID ৰ দ্বাৰা enquiry হৈ লাভ নাই CBI ৰ enquiry হ'ব লাগে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তৎমূৰ্হুতত CBI ক দি দিছে সেই গোটেই কেলেংকাৰীখিনি। এজন মুখ্যমন্ত্ৰীয়ে যেতিয়া ইমান transparent ভাৱে খুব honestly আৰু দৃঢ়তাৰে ৰাজ্যখনৰ প্ৰতি এটা committed মনোভাৰ লৈ আগবাঢ়ি আহে গতিকে তেওঁৰ এই কথাটোত এনেকুৱা ধৰণৰ কথা এটা ক'লে it does not look nice. ৰাজনীতি আমি কৰিম, আমি নীতিত ৰাজনীতি কৰো, বিজেপিয়ে অমুক কৰিলে, এই নীতিত আমি বি জে পিৰ সমৰ্থন নকৰো। আমি কংগ্ৰেছৰ এই নীতি সমৰ্থন নকৰো। আমি নীতিত ৰাজনীতি কৰো, নীতিত আমি বিৰ্তক কৰো। কিন্তু আমি ব্যক্তিগত ভাৱে যদি কোনোবা কাৰোবাৰ যদি integrity ঠিক আছে, কোনোবাৰ যদি dedication আছে, honesty আছে সেই কথাখিনি আমি question mark আনিব নালাগে। সেইটো বহুত ভুল কথা আছিল। গতিকে মাননীয় অধ্যক্ষ মহোদয় আজি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ কথাটো মই অলপ আগতে শ্ৰী শ্বেৰমান আলী ডাঙৰীয়া আৰু নাওঁবৈচাৰ বিধায়ক ডাঙৰীয়াৰ কথাটো মই উদাহৰণ স্বৰূপে দিলো। মাননীয়

মুখ্যমন্ত্ৰী ডাঙৰীয়াই কি কৈছে হাত তালি দিয়া কথা কৈ লাভ নাই যিটো ক'ব সেইটো কৰক। আমি সকলোৱে এই লাইনত যাব লাগে। মইও আছিলো। তাৰমানে শূণ্য সহনশীলতা বুলি যে কৈছে corruption ৰ ক্ষেত্ৰত তেওঁ হাত তালি পোৱাৰ কাৰণে কোৱা নাই । তেওঁ কৈছে যে শূণ্য সহনশীলতা হ'ব লাগিব। একদিনতে নহয়, একদিনত হ'ব নোৱাৰে। কিন্তু শূণ্য সহনশীলতাৰ ফালে আমি সকলোৱে লগ হৈ আগবাঢ়ি যাব লাগিব। তেতিয়াহে হ'ব। আজি ধৰক বিজেপিৰ মানুহ বিলাকে বা যদি আমি ভাবো যে শূণ্য সহনশীলতা কৰিম, আপোনালোকে নকৰে, আপোনালোকে যদি ভাবে আমি কৰিম, আমি নকৰো তেতিয়া শূণ্য সহনশীলতা নহ'ব। আমি সকলোৱে মিলি শূণ্য সহনশীলতা আনিব লাগিব। দ্বিতীয় কথা, (সদনত হুলস্থুল).. মই এটা কথা কওঁ এদিন বিধান সভাত শ্বেৰমান আলী ডাঙৰীয়াই কৈছে যে জনসংখ্যা ট্ৰাইবেলৰ বেছি হৈছে। তেখেতে এটা তথ্য দিলে। মই তেখেতৰ তথ্যটোৰ ওপৰত Census Report দাখিল কৰিলো। আপুনি কলে যে ট্ৰাইবেল পপুলেশ্যনটো ইমান পাৰচেন্ট বৃদ্ধি হৈছে। তাৰ পিছত মই আমাৰ Census Report আনি দেখুৱাই দিলো যে ট্ৰাইবেল পপুলেশ্যন বৃদ্ধি হোৱা নাই। এইটো Census এ কৈছে। সিদিনাখন আবেলি আপুনি মুখ্যমন্ত্ৰীৰ কমত আপোনাৰ কিবা সমষ্টিৰ কামত গৈছিল। মইও বহি আছো। সিদিনা আপুনি মুখ্যমন্ত্ৰী ডাঙৰীয়াক এটা কথা কৈছিল যে হয়, আমাৰ মাইন'ৰিটি পপুলেশ্যন অলপ বৃদ্ধি হৈছে,নোহোৱা নহয়, গতিকে শিক্ষাৰ প্ৰসাৰতা আমি বঢ়াব লাগিব। সিদিনা মুখ্যমন্ত্ৰী ডাঙৰীয়াই আপোনাক কৈছিল 'হ'ব'। আজি ভগৱানৰ ইচ্ছাত, আপোনালোক সকলোৰে আশীৰ্বাদত মুখ্যমন্ত্ৰীয়ে আপোনাক হ'ব বুলি কোৱা কথাটো কৰি দেখুৱালে। মুখ্যমন্ত্ৰীয়ে আজি ২১ খন মাইন'ৰিটি এলেকাত ছাত্ৰ-ছাত্ৰীৰ কাৰণে ২১ খন স্কুল হোষ্টেলৰ সৈতে স্থাপন কৰিলে আপোনাৰ অনুৰোধ মৰ্মে। কথাটো হ'ল মুখ্যমন্ত্ৰী ডাঙৰীয়াই এইটো কৰিলে। তাৰ মানে কি? What he say, he does. এইটোৱে কথা। গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াই শূন্য সহনশীলতাৰ কথা কৈছে। তেওঁ যিটো কৈছে,সেইটো কৰিছে। গতিকে এই ক্ষেত্ৰত মই ভাৱো যে আমাৰ এনেকুৱা ধৰণৰ এটা ***কোৰেশ্বন মাৰ্ক*** ইয়াত থাকিব নালাগে। অধ্যক্ষ ডাঙৰীয়া, আপোনাক এইটো কথাও কম যে আমি বিধান সভাত যেতিয়া কথা কম আমি ৰাজনৈতিক কথা বহুত কৈ দিব পাৰিম কিন্তু কিবা এটা specific alligation যদি মই আজি শ্বেৰমান আলীৰ বিৰুদ্ধে আনো i have to proof with documents। গতিকে মুখ্যমন্ত্ৰীৰ অফিচৰ কথা যিহেতু আহিছে, তেখেতৰ কোনো document নাই। তেখেতৰ যিহেতু documents নাই, গতিকে মই ভাৱো that word should be expunged from the House । এইটো এটা কথা । অধ্যক্ষ ডাঙৰীয়া, এই যিটো লেখানুদান, এই লেখানুদান সম্পৰ্কত কালি আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই খুব ধুনীয়াকৈ উপস্থাপন কৰিছে। মই এইটোৰ ওপৰত আৰু বক্তব্য নাৰাখো। কাৰণ এনেকুৱা ধৰণৰ লেখানুদান আপোনালোকে আগতে পাইছেনে নাই মই নাজানো। এইখন এখন আচলতে লেখানুদান যদিও it is details like budget and not a single page is here where there is no statistics। ( এইখিনি সময়তে বিৰোধীয়ে Vote on Accounts বুলি কয়)

**মাননীয় অধ্যক্ষঃ** আপোনালোকে Vote on Accounts বুলি লওঁক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ**.অধ্যক্ষ ডাঙৰীয়া, মই এইটো কথা কোৱা নাই। মই কৈছো যে যিহেতু **Vote on Accounts**, আমি এটা statement দি **Vote on Accounts** কৰি থ'ব পাৰিলোহেঁতেন এই Appropriation bill খন আনি। কিন্তু আমি কৰা নাই কিয় জানেনে? আমি স্বচ্ছতাটো বিচাৰিছো। তেওঁলোকেও জানক। এইখন ইমান ex-

cellent ভাৱে with facts বনাইছে যে ইয়াত এনেকুৱা এটা page নাই যিটো pageত facts নাই। তাৰ মানে this is supported by the facts। গতিকে এই যে **facts**ৰ দ্বাৰাএইখিনি support কৰা হৈছে, এইটোৰ দ্বাৰা প্ৰমাণ হৈছে যে চৰকাৰৰ সদিচ্ছাটো আছে। এইখন কিছুদিন চলিব। Election যেতিয়া শেষ হ'ব নতুন চৰকাৰ আহিব। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে আমিয়ে আহিম বুলি। গতিকে আমি আকৌ আহিলে আমাৰ যিজন বিত্তমন্ত্ৰী হ'ব তেখেতে ডিটেইলচ্ নতুন বাজেট দিব। তেতিয়া আপোনালোকে এই গোটেই কথাবিলাক সামৰি ল'ব পাৰিব। অধ্যক্ষ ডাঙৰীয়া, স্কুলৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা কথাই কৈছে যে যিবিলাক স্কুল কৰবাত বাদ পৰি গ'ল, প্ৰভিন্সিয়েলাইজ হোৱাৰ পৰা কৰবাত বাদ পৰি গৈছে তাৰ বাবে কোনো ধৰণৰ চিন্তা কৰিব নালাগে,সেইখিনি আমাৰ চাব। শিক্ষামন্ত্ৰী ডাঙৰীয়াই কৈছে যে তেওঁলোকে এখন কমিটী কৰি দিছে আৰু এই কমিটীখনে গোটেইখিনি পৰীক্ষা কৰি চাব। (সদনত হুলস্থূলৰ সৃষ্টি হয়) গতিকে অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী ডাঙৰীয়াই গোতেই কথাখিনি ধুনীয়াকৈ কৈছে। আমিও অনুভৱ কৰিছো অধ্যক্ষ মহোদয় যে যিখন স্কুলত ৭, ৮জন শিক্ষকে আৰম্ভণীৰে পৰা কাম কৰি আছে তাৰে দুজন বা তিনিজনৰ হ'ল বাকী বিলাকৰ নহ'ল এইটো বেয়া লগাটো স্বাভাৱিক। শিক্ষা মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাইও এইটো অনুভৱ কৰিছে।এটা ক্ৰাইটেৰিয়া, এটা ৰুলৰ মাজত কিবা এটা হৈছে,সেইখিনি আকৌ পৰ্যালোচনা কৰি কিবা এটা ব্যৱস্থা লব। এইটো লৈ পেলাই আমি সকলোৱে কনচাৰ্ণ।এইটো অকল আপোনালোকৰে ইচ্ছা নহয়, এইটো সকলোৰে ইচ্ছা। মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে কৈছেই। গতিকে অধ্যক্ষ ডাঙৰীয়া আজি চৰকাৰ এখনৰ সফলতা বা বিফলতা নিৰ্ণয় কৰে কিছুমান ইনডেক্স থাকে। মই ইক'নমিষ্ট নহয়, ইক'নমিক্সৰ ছাত্ৰ। ইনডেক্স কিছুমান থাকে আৰু সেই ইনডেক্সবিলাক দুটা perspective ত চায় micro and macro perspective । আমাৰ ইনডেক্সবিলাকত যদি আমি চাওঁ তেতিয়াহ'লে আমি দেখিবলৈ পাওঁ যে আমাৰ ৰাজ্যখনত আজিৰ দিনটোত যিখিনি ইনকাম আমি কৰো , আমি ২৬ পাৰচেন্ট নিজেই ইনকাম কৰো, অথচ এই ৰাজ্যখন কেনেকুৱা দুখীয়া ৰাজ্য হৈ গৈছিল। তাতকৈ ডাঙৰ কথাটো হ'ল আমাৰ যিটো নেশ্যনেল জি,ডি,পি হয়, তাতকৈ আজিৰ দিনটোত অসমৰ জি,ডি,পি ওপৰত আছে। তাৰ মানে কি ? তাৰ মানে আমাৰ ইক'নমিটো move কৰিছে towards upwards। অসমৰ ইক'নমিটোৰ upwards movement এটা হৈছে। গতিকে এই Assam's Economy যে আপৱাৰ্ডচ মোভমেন্ট এটা হৈছে গতিকে এইটো এটা ইনডেক্সএ কয়। দ্বিতীয় ইনডেক্সএটাই কয় যে (মই আগৰ তুলনাবিলাক কৰিব নাযাও) আমাৰ ২০১৬-১৭ চনত per capita income was Rs 66,330। আজিৰ দিনটোত ২০১৯-২০ চনত আমাৰ per capita income হৈছে ৯০ হাজাৰ ৬শ ৯২ টকা। তাৰ মানে এইটোৱে কি বুজাইছে? তাৰ মানে ইক'নমিটো ওপৰৰ ফালে লিফ্ট কৰিছে। মানুহৰ অৱস্থা ভাল হৈছে। এইচ,ডি,আই ফেক্টৰ এটা আছে। আমাৰ বিধান সভাত কোনো মাননীয় সদস্যই কিন্তু সেই বস্তুটো উল্লেখ কৰা নাই। এইচ,ডি,আই মানে হ'ল Human Development Index আৰু এইটোৰ দ্বাৰা এখন ৰাজ্যৰ, এখন সমাজৰ গোটেইখিনি নিৰ্ণয় কৰে। সেই এইচ,ডি,আই ফেক্টৰৰ ক্ষেত্ৰত আমি ওপৰত আছো। আমাৰ ৰিজাৰ্ভ বেংকৰ যিটো financial Buoyancy থাকে, থাকে,এই Buoyancyআজি আমাৰ Comfortable। Buoyancy টো comfortableহোৱাৰ কাৰণে Budget খন sustain কৰিছে, development টোও sustain কৰিবলৈ আগবাঢ়িছে। যদি সেই নিৰ্দিষ্ট শতাংশৰ Buoyancyনাথাকিলেহেতেন, less than one হৈ গুচি গ'লহেতেন, তেতিয়া এইখন Sus-

tainable Budget নহ'লহেঁতেন। এইটো sustain কৰিছে কিয়? আমাৰ Buoyancyও ভাল । গতিকে economic front, economic times সকলো গোটেইখিনি ভাল। শেষত অধ্যক্ষ ডাঙৰীয়া, মই এটা কথা ক'ম, মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা কথা কৈছে যে ভাৰতবৰ্ষৰ পাঁচখন ধনী ৰাজ্যৰ ভিতৰত অসমখনো এখন ধনী ৰাজ্য হ'ব লাগিব। তাত আমাৰ Team Assam হিচাপে সকলোৰে দায়িত্ব আছে, আপোনালোকৰো দায়িত্ব আছে। গতিকে সেইটো হ'বলাগিব, কাৰণ স্বাধীনতাৰ আগত আমি ধনী ৰাজ্য আছিলো। আমাৰ per capita income, national per capita income ৰ ওপৰত আছিল কিয়নো বৃটিছৰ শাসনৰ সময়ত আমি বহিঃবিশ্বৰ লগত বৰাক-ব্ৰহ্মপুত্ৰত থকা তেল, কয়লা, চাহপাত, কাঠ আদিৰ বাণিজ্য কৰিছিলো। কিন্তু স্বাধীনতাৰ পিচত আমি দুখীয়া ৰাজ্য হৈ গলো। আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াই উল্লেখ কৰিছে যে Hydro Carbon sector ত we are leader, as on today also we are leader, যদিও এতিয়া আমাৰ গেচ, তেল কমি গৈছে। সেইবাবে বৃটিছে ১৯০১ চনত ০.৬৫ মিলিয়ন টনৰ পৃথিৱীৰ ভিতৰত দ্বিতীয় আৰু এছিয়াৰ প্ৰথমটো ৰিফাইনেৰী ডিগবৈত স্থাপন কৰিছিল। কিন্তু 'মংলা' আৰু 'চিতাগঞ্জ' বন্দৰৰ access বন্ধ হোৱাৰ ফলত আমাৰ বেপাৰ-বাণিজ্য বন্ধ হৈ গ'ল। অধ্যক্ষ ডাঙৰীয়া, আজি যদি আমি macro দিশত আলোচনা কৰো তেতিয়াহ'লে ..

**শ্ৰীওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)ঃ** অধ্যক্ষ ডাঙৰীয়া, তেখেতে আচলতে আমাৰ সদস্য সকলৰ প্ৰশ্নৰ উত্তৰ দিব লাগে। এই বিলাক কথা কোনো সদস্যই উত্থাপন কৰা নাই।

**মাননীয় অধ্যক্ষঃ** তেখেতে কৈছে, তেখেতক মই শেষ কৰিবলৈ কৈ আছো। আপুনি বহক।

(সদনত হুলস্থূলৰ সৃষ্টি হয়)

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** তেখেতে কাছাৰ পেপাৰ মিলৰ কথা ক'ব লাগে, নগাঁৱৰ পেপাৰ মিলৰ কথা কব লাগে। এই পেপাৰ মিল কেইটা কেনেকৈ revive কৰিব সেইবিলাক কথা কব লাগে। প্ৰায় ডেৰ শ মানুহ মৰিলে। নগাঁৱৰ পেপাৰ মিল কি হ'ল? revive নহয়, আপোনালোকে নোৱাৰে। আপোনালোকে অৰুণোদয় দিব পাৰিব কিন্তু পেপাৰ মিল কেইটা revive কৰিব নোৱাৰিব।

**মাননীয় অধ্যক্ষঃ** আমি শেষ কৰিব বিচাৰিছো,আপোনালোকে বহক, কিয় হুলস্থুল কৰি আছে?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই তেখেতসকলৰ প্ৰশ্নৰ উত্তৰেই দি আছো।

**মাননীয় অধ্যক্ষঃ** তেখেত সকলৰ প্ৰশ্নৰ উত্তৰ দিব নালাগে, ইমান দৰকাৰ নাই, যি হ'ল হ'ল, general discussion ৰ ফালে আহক।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, মই তেওঁলোকৰ প্ৰশ্নৰ উত্তৰে দি আছো, তেওঁলোকে কোৱা কথাবিলাকে কৈ আছো। আপোনালোকে যে মোৰ তাত ৰাস্তা এটা হোৱা নাই, মোৰ তাত দলং এখন হোৱা নাই কথাবিলাক কৈ আছে, micro level ত সেইটো আছে, অহা বাজেটত হ'ব এইবিলাক কিন্তু কথাটো হৈছে কি micro level ত যদি আমি ৰাজ্যখন আগৰফালে লৈ যাবপাৰো তেতিয়াহ'লে আপোনালোকৰ সমষ্টিও এই ৰাজ্যখনৰ ভিতৰতে থাকিব। বাজেটখনে এইটো এটা দিশ নিৰ্ণয় কৰিছে যে আমি...( হুলস্থূলৰ সৃষ্টি হয়)

**শ্ৰীৰফিকুল ইছলাম,বিধায়কঃ** অধ্যক্ষ মহোদয়, ৪ লাখ ছাত্ৰ-ছাত্ৰীৰ ৮ জুনৰ পৰা শিক্ষক নাই। চৰকাৰে উত্তৰ দিব লাগিব। (সদনত হুলস্থূল)

**মাননীয় অধ্যক্ষঃ** এনেকৈ হাউচ চলাব পাৰি নেকি ?Vote on Accounts সেইকাৰণে আপুনি

বুজাব নালাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, আপুনি ঠিকেই কৈছে, ভাল কথা শুনিবলৈ যাৰ ইচ্ছা নাই তেওঁলোকক ভাল কথা শুণোৱাটো উচিত নহয়। (হুলস্থূল চলিয়েই থাকে)

**মাননীয় অধ্যক্ষঃ** শুনক, এইটো Vote on Accountsৰ simple discussion, গতিকে উত্তৰবিলাকো simple হ'ব লাগে। আমি ইয়াত আহিছো Vote on Accounts পাছ কৰিবৰ কাৰণে, debate কৰিবৰ কাৰণে অহা নাই।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, মই বুজি পালো আৰু নকওঁ। মই এইখিনি কথা কৈ শেষ কৰিম ।আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই যোৱাকালি যিটো Vote on Accounts দিছে, এইটোত ৰাজ্যখনৰ গোটেইখিনি কথা সামৰি লৈছে আৰু ৰাইজেও এই কথাখিনি বুজি পাইছে ।এই বছৰটোৰ কাৰণে এইখন লাষ্ট বিধানসভা। অলপ পিচতে সামৰণি পৰিব। ৰাইজে যিহেতু বুজি পাইছে, ৰাইজে ইয়াৰ সমুচিত ৰিজাল্ট দিব, ৰাইজে বুজাই দিব।

**Hon'ble Speaker :-** I now put the motion before the House for approvel. The motion is that - A sum of Rs 5539719.34 Lakhs be granted to the Minister-in-charge, Finance for the demand for advance grants to defray charges in respect of different departments during the first six months for the Financial Year 2021-22.

Those who in favour say "Ayes".

Those who are against say "Noes".

I think Ayes have it, Ayes have it, Ayes have it . And the resolution is passed, the Motion is passed..

মই আপোনালোকক এটা কথা কও, Rule 150 ত চাব লিখিছে - A motion for vote on accounts shall state the total sum required and the various amount needed for each Department or service or item of expenditure which compose the sum shall be stated in schedule appended in the motion . Discussion of a general charecter should be allowed on the motion but the details of the grant shall not be discussion of a general character shall be allowed on the motion. But, the details of the grant shall not be discussed. আমি বেছি কথা পাতিবলগীয়া নহয়। মই ভাৰো এই কথাটো আপোনালোকে বুজিব লাগে যে আমি এতিয়া election face কৰিম। Code of Conduct লাগিলে কিছুমান কাম আমি কোনেও কৰিব নোৱাৰো। Government machinery চলাৰ বাবে minimum যিখিনি টকাৰ প্ৰয়োজন, সেইখিনি টকাহে ইয়াত সোমাই আছে ..... ব্যৱধান......এতিয়া প্ৰায় ০২-৪০ বাজিছে, আজি শেষৰ দিনটোত মোকো অকণমান শান্তি দিয়ক। বিগত বছৰত যি হ'ল সেয়া বাদ দিয়ক। আগন্তুক চাৰিমাহৰ পিছত নিৰ্বাচনৰ ফলাফল আহিলে তাত যি হয় দেখা যাব । গতিকে মই ভাৰো এইটো general character হ'ব লাগিছিল, কথাখিনি এজন এজনকৈ ক'ব লাগিছিল। আপোনালোক গোটেইখিনিয়ে কোৱাৰ বাবে মন্ত্ৰীয়েও উত্তৰ দিব লগীয়া হ'ল। এতিয়া, Appropriation Bill খন আছে, মই ভাৰো, এইখনত

আলোচনাৰ প্ৰয়োজন নাই।

'অসম বিনিয়োজন (লেখানুদান) বিধেয়ক, ২০২১' সদনৰ মজিয়াত বিতৰণ কৰি দিয়ক।

(সদনত সদস্যসকলৰ মাজত 'অসম বিনিয়োজন (লেখানুদান) বিধেয়ক, ২০২১' বিতৰণ কৰা হয়)।

এতিয়া মই বিত্তমন্ত্ৰীক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচৰাৰ বাবে অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় বিত্ত মন্ত্ৰীৰ হৈ 'অসম বিনিয়োজন (লেখানুদান) বিধেয়ক, ২০২১' সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

(সদনে সন্মতি জনায়)।

উক্ত বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ে ৰাজভৱনৰ পৰা ১২-০২-২০২১ তাৰিখে এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো- Under the provision of Article 207 (1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of "The Assam Appropriation (Vote on Accounts) Bill, 2021" in the Assam Legislative Assembly.

এতিয়া বিত্তমন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীক মই বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় বিত্ত মন্ত্ৰীৰ হৈ "অসম বিনিয়োজন (লেখানুদান) বিধেয়ক, ২০২১" সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**সচিব ঃ** বিধেয়কখনৰ শিৰোনাম -'অসম বিনিয়োজন (লেখানুদান) বিধেয়ক, ২০২১'।

**মাননীয় অধ্যক্ষঃ** ৰাজভৱনৰ পৰা মাননীয় ৰাজ্যপাল মহোদয়ে আৰু এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো- Under the provision of Article 207 (3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend that "The Assam Appropriation (Vote on Accounts) Bill, 2021" be taken into consideration by the Assam Legislative Assembly.

এতিয়া বিত্তমন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীক মই বিধেয়কখন সদনত বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, "অসম বিনিয়োজন (লেখানুদান) বিধেয়ক, ২০২১" বিবেচনাৰ বাবে মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া প্ৰস্তাৱটো হৈছে-

'অসম বিনিয়োজন (লেখানুদান) বিধেয়ক, ২০২১' বিবেচনাৰ বাবে লোৱা হওঁক।

যি সকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়',

যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক ‘নহয়’।

(সদনে সন্মতি জনায়)।

মই ভাৰো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত হৈছে।

এতিয়া মই বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগত অনুসূচীখনো সদনৰ মজিয়াত দাঙি ধৰিলো।

বিধেয়কখনৰ ২ নং আৰু ৩নং দফাৰ লগত অনুসূচীখনো বিধেয়কৰ অংশ হ’ব।

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক ‘হয়’, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক ‘নহয়’।

(সদনে সন্মতি জনায়)।

মই ভাৰো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, বিধেয়কখনৰ ২ নং আৰু ৩নং দফাৰ লগত অনুসূচীখনো বিধেয়কৰ অংশ হ’ল।

এতিয়া মই বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম সদনৰ মজিয়াত উত্থাপন কৰিলো।

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম বিধেয়কৰ অংশ হ’ব।

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক ‘হয়’, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক ‘নহয়’।

(সদনে সন্মতি জনায়)।

মই ভাৰো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম বিধেয়কৰ অংশ হ’ল বুলি মই ঘোষণা কৰিলো।

এতিয়া মই বিত্ত মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, **‘অসম বিনিয়োজন (লেখানুদান) বিধেয়ক, ২০২১’** পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া প্ৰশ্নটো হৈছে,

‘অসম বিনিয়োজন (লেখানুদান) বিধেয়ক, ২০২১’ পাৰিত কৰা হওঁক।

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক ‘হয়’, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক ‘নহয়’।

(সদনে সন্মতি জনায়)।

মই ভাৰো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, প্ৰস্তাৱ পাৰিত হৈছে, বিধেয়কখন পাৰিত হৈছে।

মই আমিনুল ইছলামকে ধৰি সন্মানীয় সদস্যসকলক ক’ব বিচাৰিছো যে লেখানুদান দাখিল কৰা পূৰ্বৰ ৩ বা ৪টা বছৰ চাব, লেখানুদানত কিমানখিনি সময় আলোচনা কৰিছে, ই কেনেকৈ পাৰিত হৈছে চাব। আজি নতুন বিল্ডিঙত House বহাৰ বাবে মই আপোনালোকক ইমানখিনি কোৱাৰ সুবিধা দিছো। সাধাৰণতে, ইয়াৰ ওপৰত বিশেষ আলোচনা কৰা নহয়। কিয়নো এই সময়চোৱাত চৰকাৰৰ সাংঘাটিক authority নাথাকে।

এতিয়া The Assam Municipal Employees Bill খন আছে। ইয়াৰ ওপৰত চমুকৈ আলোচনা কৰিলে মই ভাল পাম। সদনৰ কাৰ্য্যসূচী ৩ বজাত শেষ কৰাৰ মোৰ ইচ্ছা আছিল।

এতিয়া মই নগৰ উন্নয়ন মন্ত্ৰীক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচৰাৰ বাবে অনুৰোধ কৰিলো।

**শ্ৰী পিযুষ হাজৰিকা (ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী, নগৰ উন্নয়ন ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Municipal Employees Bill, 2021' সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

(সদনে সন্মতি জনায়)।

উক্ত বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ে ৰাজভৱনৰ পৰা এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো- Under the provision of Article 207 (1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of 'The Assam Municipal Employees Bill, 2021'in the Assam Legislative Assembly. এতিয়া নগৰ উন্নয়ন মন্ত্ৰীক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী পিযুষ হাজৰিকা (ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী, নগৰ উন্নয়ন ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Municipal Employees Bill, 2021' সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ সচিবে বিধেয়কখনৰ শিৰোনাম পঢ়ি দিব।

**সচিবঃ** বিধেয়কখনৰ শিৰোনামা -'The Assam Municipal Employees Bill, 2021'.

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ ৰাজভৱনৰ পৰা ৰাজ্যপাল মহোদয়ে এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো-Under the provision of Article 207 (3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend that 'The Assam Municipal Employees Bill, 2021' be taken into consideration by the Assam Legislative Assembly.

এতিয়া মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক বিধেয়ক খন সদনত বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী পিযুষ হাজৰিকা, (ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী, নগৰ উন্নয়ন ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Municipal Employees Bill, 2021' বিবেচনাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** যিখিনি সদস্যই এই বিধেয়কখনৰ ওপৰত ক'ব বিচাৰিছে তেওঁলোকে চমুকৈ ক'লে ভাল। বেছি বহলাই নকৈ আপোনালোকৰ মূল কথাখিনি ক'ব যাতে মই সোনকালে শেষ কৰিব পাৰো। After all, ভোটত গ'লে আপোনালোকে এনেও নিজিকে। কিন্তু, democratic tradition টো মই সন্মান কৰোঁ। সেই কাৰণে কোনেও বহলাই নকৈ মূল কথাখিনি ক'ব। লগতে, এটা কথা ক'ব বিচাৰিছো যে যিসকলে সংশোধনী আনিছে তেওঁলোকে এইটো পৰ্যায়তে আলোচনা কৰি ল'ব। সময়ৰ প্ৰতি লক্ষ্য ৰাখি মই বেলেগকৈ আৰু আলোচনা নকৰো।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** অধ্যক্ষ মহোদয়, এই বিধেয়কখনৰ Statement of Objects and Reasons ত কোৱা হৈছে যে- Third Assam State Finance Commission ৰ মতামত অনুসৰি Urban Local Bodies ৰ অৰ্থনৈতিক অৱস্থা অত্যন্ত বেয়া আৰু এওঁলোকৰ অৰ্থনৈতিক অৱস্থা বেয়া হোৱাৰ বাবে আমাৰ মূলতঃ কৰ্মচাৰীখিনিক দৰমহা

দিয়াৰ বাবে যিমানখিনি বাজেট ধৰা হয়, সেই গোটেইখিনিয়েই খৰচ কৰা হয়। যাৰ ফলত Urban Local Bodies ৰ কল্যাণমূলক কাম বিশেষ একো নহয়। গতিকে, এই backdrop সমূহ আগত ৰাখিয়েই আজি এই বিধেয়কখন introduce কৰি বিবেচনাৰ বাবে ল'ব বিচৰা হৈছে যাতে Urban Local Bodies ৰ যিবোৰ কৰ্মচাৰী আছে তেওঁলোকৰ চাকৰি প্ৰাদেশিকীকৰণ কৰি Urban Local Bodies বোৰক আৰ্থিক ভাৱে কিছু সকাহ দিব পৰা যায় আৰু ইয়াৰ ফলত যি টকা উৎপন্ন হ'ব তাৰ পৰা তেওঁলোকে যাতে ভৱিষ্যতে উন্নয়নমূলক কামত খৰচ কৰিব পাৰে।

অধ্যক্ষ মহোদয়, আমি এনেবোৰ aims and objectives ত একমত। কিন্তু, ইয়াত এটা বৰ গুৰুত্বপূৰ্ণ কথা আছে। চৰকাৰে কোৱা মতে Urban Local Bodies ত মুঠ ৫১৭০ গৰাকী কৰ্মচাৰী আছে, তাৰে মাত্ৰ ১৬৫৩ গৰাকীক প্ৰাদেশিকীকৰণ কৰিব বিচাৰিছে আৰু ৩৫১৭ গৰাকী, অৰ্থাৎ যিমানখিনিক প্ৰাদেশিকৃত কৰিব বিচৰা হৈছে তাতকৈ দুগুণ কৰ্মচাৰী বাদ পৰিছে। So, I want to know what is the real intention of the Government ? যদি প্ৰাদেশিকীকৰণ কৰিবই বিচাৰিছে, তেন্তে, গোটেইখিনি কৰ্মচাৰীকে কৰিব লাগিছিল। মই শব্দটো উচ্চাৰণ কৰিবলৈ ভাল পোৱা নাই যদিও চৰকাৰে নিৰ্বাচনৰ আগত এই ১৬৫৩ গৰাকী কৰ্মচাৰীক প্ৰাদেশিকীকৰণ কৰি ললিপপ দিব বিচাৰিছে নেকি ? Sir, under Rule 73(2)(A), I would like to request you that since it will not serve the purpose, it will not serve the aims and objectives of the Bill, this Bill should be referred to a Select Committee and whenever it is done, let the services of all employees be provincialized, not only 1653.

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। কমলাক্ষ দে'পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে'পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** মহোদয়, একেলগে কৈ দিম নে ?

**মাননীয় অধ্যক্ষঃ** হয়, একেলগে কওঁক।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** Point of Order. অধ্যক্ষ মহোদয়, যদি বিধেয়কখন বিবেচনা কৰাই নহয়, তেন্তে, সংশোধনী কেনেকৈ আহিব ?

**মাননীয় অধ্যক্ষঃ** তেখেতে কথাখিনি consideration stage ত কৈ আছে, সংশোধনী হিচাপে নহয়।

**শ্ৰী কমলাক্ষ দে'পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, আমি consideration stage ত ক'ম নে বিধেয়কখনৰ সংশোধনীটো ক'ম ? মোৰ তিনিটা সংশোধনী আছে।

**মাননীয় অধ্যক্ষঃ** আপোনালোকৰ দুটা প্ৰশ্ন আছে । আপোনালোকৰ মাজতে কথাবোৰৰ contradiction হৈছে। শ্বেৰমান আলী ডাঙৰীয়াই কৈছে বিধেয়কখন আলোচনাই কৰিব নালাগে আৰু আপুনি কৈছে যে আপোনাৰ সংশোধন আছে। আমি এতিয়া কোনটো ল'ম ?

**শ্ৰী কমলাক্ষ দে'পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, consideration stage তে গোটেইখিনি কৈ দিওঁ।

**মাননীয় অধ্যক্ষঃ** সেইবোৰ নক'ব। আপোনালোকে যদি বুজা নাই তেন্তে মোক নক'ব। যদি বিধেয়কখন আনিবই নালাগে তেনেহ'লে এইবোৰ কথাৰ কোনো প্ৰয়োজন নাই আৰু যদি বিধেয়কখন আহে তেতিয়া আপুনি সংশোধনীৰ কথা ক'ব।

**শ্ৰী কমলাক্ষ দে'পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, বিধেয়কখনৰ consider-

ation stageত মই মোৰ কথাখিনি কৈ দিব বিচাৰিছো। শ্বেৰমান আলী ডাঙৰীয়াই যিটো ক'লে যে- ২০১৩ চনত যেতিয়া কংগ্ৰেছ চৰকাৰ আছিল, তেতিয়া কেবিনেটত ৫১৭০ গৰাকী কৰ্মচাৰীৰ প্ৰদেশিকীকৰণৰ বাবে অনুমোদন জনোৱা হৈছিল। এই কামখিনি সম্পূৰ্ণ হোৱাৰ বাবে আমি মাননীয় মুখ্যমন্ত্ৰী তথা মাননীয় মন্ত্ৰীকো লগ কৰিছিলো আৰু বিধান সভাতো ইয়াৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছিলো। কিন্তু, অধ্যক্ষ মহোদয়, এতিয়া দেখিবলৈ পাইছো যে ৫১৭০ টা পদৰ ভিতৰত মাত্ৰ ১৬৫৩ টা পদ প্ৰাদেশিকীকৰণ কৰা নহয়, বৰঞ্চ ইয়াত কোৱা হৈছে যে -All the appointment shall made on contractual. আমি যেতিয়া এখন বিধেয়ক আনো সেইখন কোনো কৰ্মচাৰীৰ চাকৰি নিয়মীয়া কৰাৰ বাবে আনো। য'ত কৰ্মচাৰীসকলৰ Service Rule থাকিব, প্ৰয়োজন সাপেক্ষে disciplinary actionও ল'ব বা চৰকাৰৰ যি  কৰণীয় আছে কৰিব পাৰিব। কিন্তু, মোৰ কথাটো হৈছে যে ঠিকা ভিত্তিক নিযুক্তি  কিয় ? তেওঁলোকৰ নিযুক্তি স্থায়ী কৰক। দ্বিতীয়তে, আপোনালোকে কৈছে যে- all employees shall get such salary and allowances as admissible to the Govt. employees of similar category. অৰ্থাৎ, চৰকাৰৰ বাকী কৰ্মচাৰীৰ নিচিনাই তেওঁলোকৰো একেই  হ'ব। যদি এনেকুৱাই হয়, তেন্তে তেওঁলোকে পেঞ্চন কিয় নাপায়?  তৃতীয়তে, বিধেয়খনত Good Faithৰ কোনো সংজ্ঞাই দেখা পোৱা যোৱা নাই। আপোনালোকে বিধেয়কখন অনাত আমি বেয়া পোৱা নাই, বৰঞ্চ আমি ভাল পাইছো আৰু চৰকাৰক ধন্যবাদ জনাইছো। কিন্তু, অধ্যক্ষ মহোদয় আমাৰ অনুৰোধ যে কেৱল মাত্ৰ ১৬৫৩ গৰাকী কৰ্মচাৰীৰ নহয়, সম্পূৰ্ণ ৫১৭০ গৰাকী কৰ্মচাৰীৰ নিযুক্তি হ'ব লাগে; তেওঁলোকে সম্পূৰ্ণ pension benefit পাব লাগে; Good Faith ৰ সংজ্ঞা থাকিব লাগে; তেওঁলোকৰ নিযুক্তি ঠিকাভিত্তিক নহয় permanent হ'ব লাগে, যাতে প্ৰত্যেকগৰাকী কৰ্মচাৰীয়ে উপকৃত হয়। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এই বিধেয়কখন সম্পৰ্কে দুটা প্ৰশ্ন আহিছে। বিধেয়কখন Select Committee লৈ পঠিওৱাৰ সংক্ৰান্তত কিবা কথা আছে যদি মন্ত্ৰী ডাঙৰীয়াই ইয়াৰ উত্তৰ দিয়ক।

**শ্ৰী পিযুষ হাজৰিকা (ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী, নগৰ উন্নয়ন ইত্যাদি)ঃ** অধ্যক্ষ মহোদয়, আজিৰ তাৰিখত কংগ্ৰেছ দল যে এটা নিৰ্দিষ্ট গতিৰে গৈ থকা নাই সেয়া আজি প্ৰমাণ হৈছে। কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়াই সংশোধনী আনিছে আৰু শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই বিধেয়কখন Select Committee লৈ পঠিওৱাৰ কথা কৈছে। অৰ্থাৎ নিযুক্তি প্ৰক্ৰিয়া পিছুৱাই দিব লাগে, তেওঁলোকে দৰমহা পাব নালাগে          ....অস্পষ্ট ধ্বনি (অনুভাষৰ বিসংগতি).....

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** মাননীয় মন্ত্ৰী মহোদয়, আপোনাৰ বক্তব্যৰ পৰা ভুল বাৰ্তা যাব নালাগে। ....অস্পষ্ট ধ্বনি (অনুভাষৰ বিসংগতি.....

**মাননীয় অধ্যক্ষঃ** আপুনি ভুল বাৰ্তা বুলি কিয় কৈছে? Select Committee লৈ গ'লে এইখন ৬ মাহলৈ পিছুৱাই যাব।

**শ্ৰী পিযুষ হাজৰিকা (ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী, নগৰ উন্নয়ন ইত্যাদি )ঃ** অধ্যক্ষ মহোদয়, অৰ্থাৎ এই ১৬৫৩ গৰাকী কৰ্মচাৰীয়ে যে নিয়মিতভাৱে দৰমহা পাব, সেইটো কংগ্ৰেছ দলে যে বিচৰা নাই সেয়া প্ৰতিপন্ন হৈছে। পোনপ্ৰথমে, Assam Municipal Employees Bill খন ১৯৫৬ চনত আনিছিল, তাৰ পিছত ২০২১ চনত আজি আমি এই বিধেয়কখন আনিছো, অৰ্থাৎ ৬৫ বছৰ পিছত এই বিধেয়কখন অনা হৈছে। এই ৬৫ বছৰৰ, ২ বছৰ জনতা দলে, ১০ বছৰত অগপ দলে, ৫ বছৰ বিজেপি দলে আৰু বাকী ৪৮ বছৰ কংগ্ৰেছ দলে চৰকাৰ চলাইছে। কিন্তু,

কংগ্ৰেছ দলে এই মানুহখিনিক নিয়মীয়াকৈ দৰমহা দিয়াৰ বাবে কোনো বিবেচনা নকৰিলে। এওঁলোকে এই মানুহখিনিৰ পেটত গোৰ মাৰিব বিচাৰে .....অস্পষ্ট ধ্বনি (অনুভাষৰ বিসংগতি..... এতিয়া আমি কৰিব বিচৰাৰ কাৰণে তেওঁলোকৰ গা জ্বলিছে। .....অস্পষ্ট ধ্বনি (অনুভাষৰ বিসংগতি)..... অধ্যক্ষ মহোদয়, এই ১৬৫৩ গৰাকী কৰ্মচাৰীক ঠিকাভিত্তিত নিযুক্তি দি অসম চৰকাৰৰ অন্য কৰ্মচাৰীয়ে যি সুবিধা পায় সেই গোটেইখিনি দিয়াৰ ব্যৱস্থা আমি কৰিছো। যি ৫১৭০ গৰাকী কৰ্মচাৰীৰ নিযুক্তিৰ কথা কৈছে সেই বিষয়টোক লৈ মই নিজেও সচেতন, serious and sensitive. কিন্তু, এওঁলোকৰ এতিয়ালৈকে পদ সৃষ্টি হোৱা নাই। গতিকে, পৰৱৰ্তী সময়ত আমি এই কামখিনি সমাধান কৰিম বুলি সদনত প্ৰতিশ্ৰুতি দিলো।

অধ্যক্ষ মহোদয়, কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱ পেঞ্চনৰ ওপৰত আছিল। তেখেতে হয়তো NPS/OPS ৰ বিষয়ে নাজানে। ......অস্পষ্ট ধ্বনি (অনুভাষৰ বিসংগতি)..... ২০০৫ চনৰ পিছত new pension policy ৰ দ্বাৰা অসম চৰকাৰে কোনো কৰ্মচাৰীকে পেঞ্চন দিয়া নহয় বুলি স্বয়ং কংগ্ৰেছ চৰকাৰে কৰি থৈ গৈছে। আমাৰ চৰকাৰে কৰা নাই। আৰু কিবা উত্তৰ দিব লাগিব নেকি (বিৰোধীক উদ্দেশ্যি) ?

অধ্যক্ষ মহোদয়, আমি good faith তে কৰ্মচাৰীক অসম চৰকাৰৰ অধীনত চাকৰি দিওঁ গতিকে, Good Faith শব্দটো থকাতো কৰ্মচাৰীৰ বাবেও ভাল আৰু আমাৰ বাবেও ভাল। গতিকে, এই ক্ষেত্ৰত আৰু কিবা ক'বলগীয়া আছে বুলি মই ভৱা নাই। কিন্তু, এটা কথা কওঁ যে এসময়ত এই মানুহখিনিয়ে আন্দোলন কৰিছিল। আমাৰ চৰকাৰৰ দিনত, যোৱা ৩-৪ বছৰে এই কৰ্মচাৰীখিনিয়ে আন্দোলন কৰা নাই। আমি তেওঁলোকৰো সন্থাৰ লগত আলোচনা কৰিছো আৰু ১৬৫৩ গৰাকী কৰ্মচাৰীৰ নিযুক্তিৰ বিষয়টো তেওঁলোকে মানি লৈছে, ইয়াক সমৰ্থন কৰিছে। মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত যেতিয়া বিধেয়কখন কেবিনেটত পাছ কৰা হৈছিল তেতিয়া গোটেই অসমৰ পৌৰ নিগমৰ কাৰ্যালয়ত তেওঁলোকে ফট্‌কা ফুটাই স্ফুৰ্তি কৰিছে। গতিকে, এই কামটো সাধ্য হৈ উঠাৰ ক্ষেত্ৰত আমাক যথেষ্ট সহায় কৰাৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী আৰু মাননীয় বিত্ত মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো আৰু অসমৰ নগৰসমূহো উন্নত হ'বৰ বাবে আমি আজিৰ পৰাই পূৰ্ণদমে নতুনকৈ চেষ্টা চলাম। ধন্যবাদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** অধ্যক্ষ মহোদয়, বিধেয়কখনৰ consideration stage ত মাননীয় মন্ত্ৰী মহোদয়ে যিখিনি কথা ক'লে, আপোনালোকৰ যদি ইমানেই সততা আছিল, এই মানুহখিনিৰ প্ৰতি যদি ইমানেই মৰম আছিল, তেন্তে আজি এই ৫ টা বছৰৰ শেষত মাত্ৰ ১৬৫৩ গৰাকী কৰ্মচাৰীক কিয় নিযুক্তি দিব ওলাইছে? এয়া আপোনালোকৰ যদি ৰাজনীতি নহয়, তেন্তে কি? ললিলপ? ... অস্পষ্ট ধ্বনি (অনুভাষৰ বিসংগতি)......

**মাননীয় অধ্যক্ষঃ** আপুনি এইবোৰ কথা কিয় কৈছে? .....অস্পষ্ট ধ্বনি (অনুভাষৰ বিসংগতি)......

( সদনত হুলস্থূল)

এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিছো-

'The Assam Municipal Employees Bill, 2021' be taken into consideration.

যি সকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৰো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত হৈছে।

বিধেয়কখনৰ ২ নং দফাত সংশোধনী প্ৰস্তাৱ নাই। ২ নং দফাটো বিধেয়কৰ অংশ হ’ব।

বিধেয়কখনৰ ৩ নং দফাত কমলাক্ষ দে’ পুৰকায়স্থ আৰু হাফিজ বচিৰ আহমেদ ডাঙৰীয়াই দুটা সংশোধনী আছে। দুয়োটাৰে বিষয়-বস্তু একে। ইয়াৰ উত্তৰ ইতিমধ্যে দিয়া হৈছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথাটো হৈছে contractual যিটো word আছে, সেইটো permanent কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া, আপুনি কথাটো কৈ দিয়ক।

**শ্ৰী পিযুষ হাজৰিকা (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো ভৱিষ্যতে চিন্তা কৰিম।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ইয়াত অলপ বেলেগ আছে। আমাৰ কথাটো হ’ল আমি যিটো এমেণ্ডমেণ্ট আনিছো, তাত contracual বুলি আছে। contractual Appointment দিয়ক। কিন্তু আৰু এটা কথা লিখিব লাগে যে subject to be regularized as per norms. আজিকালি প্ৰথম appointment contracual হয়। তাৰ পিছত as per norms permanent কৰিব লাগে, নহ’লে গোটেই জীৱন contracual হৈয়েই থাকি যাব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আপোনালোকে এইটো প্ৰত্যাহাৰ কৰিব নে নকৰে?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** কৰিলো ছাৰ।

**মাননীয় অধ্যক্ষ ঃ** তেওঁ কৈছে যে ভৱিষ্যতে আমি এইটো কৰিম। On this assurance I think you should withdraw this for the time being.

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** ঠিক আছে। আমি এইটো কৰাটো বিচাৰিছো। যদি কৰে তেনেহ’লে হ’ব। নহ’লে আমাৰ চৰকাৰ আহিলে কৰি ল’ম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এইটো withdraw কৰা বুলি মই ঘোষণা কৰিছো আৰু এতিয়া মই ক’ব বিচাৰিছো দফা নম্বৰ তিনি বিধেয়কৰ অংশ হ’ব।

যিসকল মাননীয় সদস্য-সদস্যা
প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, ‘হয়’
যিসকল বিপক্ষে আছে কওঁক, ‘নহয়’
(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৰো ‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে ৩ নম্বৰ দফা বিধেয়কৰ অংশ হ’ল। এতিয়া ৪ নম্বৰ দফাত সংশোধনী প্ৰস্তাৱ নাই।গতিকে মই ক’ব বিচাৰিছো এই ৪ নম্বৰ দফাটো বিধেয়কৰ অংশ হ’ব।

যিসকল মাননীয় সদস্য-সদস্যা
প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, ‘হয়’
যিসকল বিপক্ষে আছে কওঁক, ‘নহয়’
(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৰো ‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে ৪ নম্বৰ দফাটো বিধেয়কৰ অংশ হৈছে।

৫ নম্বৰ দফাত পুনৰ কমলাক্ষ দে’ পুৰকায়স্থদেৱৰ এটা সংশোধনী আছিল। সংশোধনীটো আপুনি

ইতিমধ্যে উত্থাপন কৰিলে নেকি?

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** অধ্যক্ষ মহোদয়, ৩ নম্বৰ দফাত আছিল।

**माननीय অধ্যক্ষ ঃ** ৩ নম্বৰ দফা ইতিমধ্যে পাৰ কৰিলো। কমলাক্ষ দে এতিয়া আপুনি কওঁক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** অধ্যক্ষ মহোদয়, NPS, OPS ৰ বিষয়ে আমি গম পাইছো। ২০০৫ চনৰ পিছত NPS হ'ব। তেওঁলোকৰ কাৰণে NPS ৰ ব্যৱস্থা হ'ব নেকি? সেই বিষয়ে মই স্পষ্টকৈ জানিব বিচাৰিছো।

**শ্ৰী পিযুষ হাজৰিকা (ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেইটো নহ'ব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়,কিয় নহ'ব?

**শ্ৰী পিযুষ হাজৰিকা (ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি হ'লে কেনেকৈ OPS হ'ব? গোটেইখিনি NPS হ'ব? অসম চৰকাৰৰ কৰ্মচাৰী সকলে যিখিনি সুবিধা পাই আছে, সেই গোটেইখিনি সুবিধা তেওঁলোকে পাব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ঠিক আছে।

**মাননীয় অধ্যক্ষ** ঃ গতিকে withdraw হোৱা বুলি ধৰি লৈছো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সকলোখিনি সুবিধা পায়, যদি ঠিক আছে।

**মাননীয় অধ্যক্ষ ঃ** এই সংশোধনীটো withdraw হোৱা বুলি ধৰি ল'লো। সংশোধনীটো প্ৰত্যাহাৰ কৰিছে। গতিকে মই ক'ব বিচাৰিছো দফা নম্বৰ ৫ বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা
প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'
যিসকল বিপক্ষে আছে কওঁক, 'নহয়'
(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে ৫ নম্বৰ দফা বিধেয়কৰ অংশ হ'ল। এতিয়া বিধেয়কৰ ৬ ৰ পৰা ৯ নম্বৰ দফাত সংশোধনী প্ৰস্তাৱ নাই। সেয়েহে ৬ ৰ পৰা ৯ নম্বৰ দফাকেইটা বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা
প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'
যিসকল বিপক্ষে আছে কওঁক, 'নহয়'
(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে বিধেয়কৰ ৬ ৰ পৰা ৯ নম্বৰ দফাকেইটা বিধেয়কৰ অংশ হ'ব। বিধেয়কৰ ১ নম্বৰ দফা সংক্ষিপ্ত নাম, পৰিসৰৰ আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। মই সেয়েহে প্ৰস্তাৱটো কৰিছো সংক্ষিপ্ত, নাম, পৰিসৰৰ আৰম্ভণত বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা
প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'
যি সকল বিপক্ষে আছে কওঁক, 'নহয়'
(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে বিধেয়কৰ ১ নম্বৰ দফা সংক্ষিপ্ত নাম,

পৰিসৰৰ আৰম্ভণত বিধেয়কৰ অংশ হৈছে। মই মন্ত্ৰী ডাঙৰীয়াক এতিয়া বিধেয়কখনপাৰিত কৰিবৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো। Good Faith টা হৈ গ'ল। আপোনাৰ হৈ মই কৈ দিলো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি Good Faith টো এৰি দিছো।

**মাননীয় অধ্যক্ষ ঃ** ভাল কথা। বিলখন পাচ কৰিব লাগে বুলি মন্ত্ৰী ডাঙৰীয়াই উত্থাপন কৰক।

**শ্ৰী পিযুষ হাজৰিকা (ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী), ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দ্যা আসাম মিউনিচিপাল এমপ্লয়িজ বিল ২০২১" পাৰিত কৰাৰ বাবে মই অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** "দ্যা আসাম মিউনিচিপাল এমপ্লয়িজ বিল ২০২১" পাৰিত কৰিব লাগে।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যি সকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে প্ৰস্তাৱ পাৰিত হৈছে। বিধেয়কখনো পাৰিত কৰা হৈছে। মই এতিয়া শেষ কৰিছো। আজি দুপৰীয়াৰ ভাত এসাঁজৰ আয়োজন কৰা হৈছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পইণ্ট অফ অৰ্ডাৰ আছে।

**মাননীয় অধ্যক্ষ ঃ** আজি শেষ দিনা যাবৰ সময়ত কি পইণ্ট অফ অৰ্ডাৰ আছে?

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ শেষ দিন সেয়েহে কিছু কথা শ্বেয়াৰ কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** দুপৰীয়াৰ আহাৰৰ সময় হৈছে, এতিয়া শেষ কৰিব লাগে। কথাটো এনেকুৱা হৈছে যে বিলখন লৈ আলোচনা হোৱাত মই একো বেয়া পোৱা নাই। কিন্তু আপোনালোকৰ যিখিনি কথা আছিল, সেইখিনিৰ প্ৰায় খিনিয়েই তেখেতে কৈছে। মই ও ভাৱো যে মিউনিচিপালিটিৰ কৰ্মচাৰীখিনি য়ে সঁচাকৈয়ে বিপদত আছিল। আংশিকভাৱে হ'লেও তেওঁলোকে কিছু সুখী হ'ব। তেওঁলোকৰ কৰ্মচাৰীসকলৰ বাবে পোষ্ট ক্ৰিয়েট কৰিব লাগিব সেইখিনি কথা তেওঁলোকে ভালকৈ জানে। সময়ৰ অভাৱৰ কাৰণে মই আজি অকন মান খৰখেদা কৰিছো। নহ'লে আৰু অলপমান সময় আপোনালোকক দিলোহেঁতেন। যোৱা ৫টা বছৰে এই বিধান সভাত যিমান বিল আহিছে আমি ভালদৰে আলোচনা কৰিছো। মই ও আগতে বিধায়ক আছিলো আৰু বিলসমূহ ভালদৰে আলোচনা কৰিবলৈ কেতিয়াবা পোৱা নাছিলো। কাৰণ বহুতে বুজি পোৱা নাছিল। বিল সমূহ আলোচনা কৰি পাচ কৰিলে জাতিটোৰ কাৰণে ভাল হয়। আপোনালোকৰ কিবা যদি পইণ্ট অফ অৰ্ডাৰ দিছে, সেই সমূহ পইণ্ট অফ অৰ্ডাৰ বুলি আলোচনা নকৰি এক মিনিট এক মিনিট কৈ কওঁক।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এটা আবেগিক মূহুৰ্ত যে যোৱা পাঁচ বছৰে আমি শাসক-বিৰোধী সকলো দলে একেখন পৱিত্ৰ সদনত সময় কটালো আৰু আজি এটা ঐতিহাসিক মূহুৰ্ত্ত এই কাৰণেই যে আমি এই নতুন বিল্ডিঙত যিটো যোৱা দহ বছৰতকৈ অধিক কাল নিৰ্মাণ কাৰ্য্য চলি আছিল, ইয়াত আমি এই শেষ দিনটো এই চৰকাৰৰ কাৰ্য্যকালত একেলগে বহি এই শেষ দিনৰ কাৰ্য্যসূচী পালন কৰিলো। আমি প্ৰথমতে ধন্যবাদ জনাম আমাৰ

মাননীয় অধ্যক্ষ মহোদয়ক। আপোনাৰ সৰল নেতৃত্বত আমাৰ সদনৰ মুৰব্বী হিচাপে বিগত পাঁচ বছৰত আপুনি যথেষ্ট এটা সুস্থ গণতান্ত্রিক ব্যৱস্থাক জীয়াই ৰখাৰ বাবে শক্তিশালী ভূমিকা পালন কৰিলে। পৰাপক্ষত এই সদনৰ মজিয়াৰ পৰা যাতে এটা ভাল বাৰ্তা ৰাজ্যখনলৈ যায় আৰু তাৰ লগতে ৰাজ্যখনৰ সামগ্রিক উন্নয়ন যাতে হয়, সদনত সুস্থ আলোচনাৰ পৰিৱেশ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনালো। তাৰ লগতে আমাৰ মাননীয় উপাধ্যক্ষ মহোদয় আৰু অন্যান্য জেষ্ঠ্য সদস্য সকলক, যিসকলে বিভিন্ন সময়ত আমাৰ সভাপতিৰ আসন গ্ৰহণ কৰি সদন পৰিচালনা কৰাত সহায় কৰিছিল, সেই সকলোকে ধন্যবাদ, কৃতজ্ঞতা জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, ক'বলৈ দুখ লাগে যে হয়তো আমাৰ সতীৰ্থ বিধায়কসকলৰ বহুতৰ কাৰণে আজিৰ দিনটো বিধায়ক হিচাপে শেষ দিন। আমি আশা কৰো যে সকলোৱে পুনৰবাৰ আহক, কিন্তু বহুতে হয়তো আৰু নাহিবও পাৰে। তথাপিও বিগত পাঁচ বছৰীয়া কাৰ্য্যকালত আমি ইয়াত হয়তো বিতৰ্কও কৰিছো সুস্থ গণতন্ত্ৰৰ স্বাৰ্থত। কেতিয়াবা শাসক বিৰোধীৰ মাজত কথা কটা-কটিও হয়। এইটো এটা গণতান্ত্রিক পৰম্পৰা। সেই হিচাপে কেতিয়াবা আমাৰ মাজত বিতৰ্ক হৈছিল বা কথা কটা-কটি হৈছিল। সেইটো জনসাধাৰণ বা ৰাইজৰ স্বাৰ্থত হৈছিল। সেই কথাবিলাক সকলোৱে পাহৰি এখন বিদ্যালয়ত সহপাঠি সকলে বিদায় মূহুৰ্ত্তত সকলোৱে যেনেকৈ আবেগিক হয়, তেনেকৈ আমিও ভাৱো আৰু আমাৰ সকলোৰে প্ৰতি শুভ কামনা থাকিল আৰু থাকিব। ভৱিষ্যতে সকলোৱে সুস্থ আৰু ভালে থাকক। প্ৰত্যেকে বাকী জীৱনত বিধায়ক হৈ আহক বা নাহক অন্ততঃ জনসাধৰণৰ স্বাৰ্থত বা ৰাজ্যখনৰ স্বাৰ্থত নিজকে আত্মনিয়োগ কৰক আৰু যাতে কোনেও কাৰো কাৰণে বেয়া ভাৱ নাৰাখে তাৰ বাবে মোৰ ফালৰ পৰা অনুৰোধ জনাই সকলোৰে সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো আৰু অধ্যক্ষ মহোদয় পুনৰবাৰ আপোনাক ধন্যবাদ জনালো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি খুব ভালকৈ কথাখিনি কৈছে। ধন্যবাদ।

**শ্ৰী কমল সিং নাৰ্জাৰী (বিজনী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আজি অন্তিম দিনাখন আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। লগতে অসম চৰকাৰে আমাৰ মিউনিচিপালিটিৰ কৰ্মচাৰীসকলৰ স্বাৰ্থত যে চিন্তা কৰিছে তাৰ বাবে মই কৃতজ্ঞ। মই যোৱা ২০০৬ চনৰ পৰা ২০১৬ চনলৈকে ১০ বছৰ বিধায়ক হৈ থকালৈকে মিউনিচিপালিটি বোৰ্ডৰ চেয়াৰমেন হৈ আছিলো। তেতিয়া তেওঁলোকৰ দৰমহা নোপোৱাৰ ফলত অভাৱ-অভিযোগ, মনৰ যি দুখ-বেদনা সেইটো আমাৰ তেতিয়াৰ মন্ত্ৰী অজন্তা বাইদেউ আৰু দীনেশ প্ৰসাদ গোৱালা দেৱৰ লগত তেওঁলোকৰ চাকৰি সমূহৰ বাবে অন্তত কিছু পৰিমাণে সকাহ দিবৰ বাবে বহুবাৰ কথা পতিছিলো। কিন্তু সেই সময়ত কৰিব পৰা নগ'ল। কিন্তু আজি আমাৰ সন্মানীয় মন্ত্ৰী পিযুষ হাজৰিকা দেৱৰ সময়ত অসম চৰকাৰে যি এটা ভাল পদক্ষেপ গ্ৰহণ কৰিলে তাৰ বাবে মই আপোনাৰ জৰিয়তে অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া, বিত্তমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু বিভাগীয় মন্ত্ৰী পিযুষ হাজৰিকা ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিলো। মই আশা কৰিছো এনেকৈ যদি অসমৰ সকলো কৰ্মচাৰী, জনসাধাৰণৰ যিসমূহ অভাৱ-অভিযোগ সেই সমূহ লাহে লাহে যাতে সমাধান কৰি দিব পাৰো সেইটো আমাৰ বাবে এটা ডাঙৰ পদক্ষেপ হ'ব। অন্তিম দিনাখন এই বিলখন আনি সকলো বিধায়কে একমতে পাচ কৰি দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। আমিনুল ইছলাম ডাঙৰীয়াই কোৱাৰ দৰে কিছুমান বিধায়কৰ জীৱনত এইটোৱেই হয়তো অন্তিম হ'ব। কিছুমানে হয়তো আকৌ আহিব। মই সকলোলৈ ধন্যবাদ জ্ঞাপন কৰিলো আৰু সকলো যাতে আহক তাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰি মই মোৰ চমু বক্তব্য সামৰিছো। ধন্যবাদ।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, পোনপ্ৰথমে কংগ্ৰেছ বিধায়িনী দলৰ ফালৰ পৰা আজি শেষৰ দিনা হ'লেও নতুন বিল্ডিংত যিখিনি কাৰ্য্য ইয়াত সম্পন্ন কৰিলে তাৰ বাবে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। মই যোৱা পাঁচটা বছৰে নিয়মিতভাৱে সদনত উপস্থিত আছিলো। মই হয়তো এদিন বা দুদিন কোনো কাৰণত অনুপস্থিত আছিলো। যোৱা পাঁচটা বছৰে আপুনি এই সদনখন পৰিচালনা কৰোতে আমি আপোনাক সঁচাকৈয়ে অভিভাৱক হিচাপে মানিছিলো। আমাৰ বহুতো সদস্যই কেতিয়াবা হুলস্থূল কৰি থাকিলেও আপুনি তাৰ মাজেৰে কেনেকৈ নিয়ন্ত্ৰণ কৰি সদনখন চলাই আহিছে তাৰ বাবে আপোনাৰ ওচৰত চিৰ কৃতজ্ঞ হৈ থাকিম। মই মাননীয় উপাধ্যক্ষ মহোদয়কো ধন্যবাদ জ্ঞাপন কৰিলো। সদনৰ প্ৰত্যেকজন মন্ত্ৰী, বিধায়ক-বিধায়িকাক পুনৰবাৰ জিকি আহিবলৈ কামনা কৰিলো। আমি যিমানেই তৰ্ক-বিতৰ্ক নকৰো কিয় এইটো আমাৰ বিৰোধীৰ নিয়ম হিচাপে কিছুমান কথা ক'ব লাগে। মাননীয় চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়া যেতিয়া বিৰোধী পক্ষত আছিল তেতিয়া কেতিয়াবা অধ্যক্ষৰ আসনতো উঠি গৈছিল। কিন্তু আমিতো ইমানখিনি কৰা নাই। এইখিনি কৈ মই মোৰ বক্তব্য সামৰিলো। ধন্যবাদ।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি এই সুন্দৰ নতুন বিল্ডিংত অন্তিম দিনাখন সদনখন চলালে আৰু আমি ইয়াতে থাকি সদনখন চলোৱাটো চাবলৈ পাইছো তাৰ বাবে আপোনাক যেনেকৈ সকলোৱে ধন্যবাদ জ্ঞাপন কৰিছে, মই ও ধন্যবাদ জনাইছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দ্বাৰা এইটো উদ্বোধন কৰা হ'ল। তাৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকো আন্তৰিক ধন্যবাদ আৰু শ্ৰদ্ধা জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, আপুনি যোৱা পাঁচটা বছৰে যেনেকৈ আপোনাৰ তীক্ষ্ণ, মেধা আৰু দক্ষতাৰে এই সদনখন চলাই আহিছে তাৰ বাবে আমি সকলোৱে আপোনাক প্ৰশংসা কৰা দেখা পাইছো আৰু সঁচাকৈ আপুনি প্ৰশংসাৰ পাত্ৰ। আপোনাৰ নেতৃত্বত আমাৰ সদনৰ সকলো সন্মানীয় সদস্য সকলে বিভিন্ন সমস্যাৰ কথা ক'বলৈ সুবিধা পাইছে আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ সমস্যাসমূহ উপস্থাপন কৰি দিবলৈ সুবিধা কৰি দিছে। তাৰ বাবে আন্তৰিকভাৱে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। মই সদৌ শেষত ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো, আল্লাৰ ওচৰত দোৱা মাগিছো যে আপোনাৰ তথা সকলো সন্মানীয় সদস্য সকলৰ ৰাজনৈতিক জীৱন দীৰ্ঘায়ু হোৱাৰ আৰু পুনৰ যাতে এই সদনলৈ ঘূৰি আহিব পাৰে তাৰ বাবে কামনা কৰিছো । সমাজৰ সমস্যা সমূহৰ বাবে যাতে আপোনালোকে ক'ব পাৰে তাৰ বাবে কামনা কৰিছো লগতে আমাৰ বি পি এফ দলৰ ১২ গৰাকী বিধায়ক আৰু বিধায়িকা সকল যাতে আমাৰ অসমৰ বিধান সভাত আকৌ উভটি আহিব পাৰে তাৰ বাবে মই নিজে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছো। মই উপাধ্যক্ষ মহোদয়ৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো, আল্লাৰ ওচৰত দোৱা মাগিছো। ধন্যবাদ।

**শ্ৰী বৃন্দাবন গোস্বামী (তেজপুৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়,আজি আমাৰ পাঁচটা কাৰ্য্যকালৰ অন্তিম দিন আৰু যোৱা পাঁচটা বছৰে এই বিধান সভাত বহুতো ঘটনা প্ৰবাহ ঘটিল আৰু ইতিহাস হ'ল। আপোনাক ধন্যবাদ জনাইছো। আপোনাৰ উদ্যোগত বহুতো যুগান্তকাৰী সিদ্ধান্তৰে আপুনি ৰাইজৰ কথাবিলাক দাঙি ধৰাৰ সুবিধা ৰাইজৰ জনপ্ৰতিনিধিক দিলে। আমাৰ দেশখন পৰিচালনাত, সংসদীয় ব্যৱস্থাত, আমাৰ Legislature, Parliament, Judiciary, Executive এই গোটেই ব্যৱস্থাটোৱে আজি ভাৰতবৰ্ষক পৃথিৱীৰ ভিতৰতে এখন আদৰ্শ দেশ হিচাপে গঢ়ি তুলিছে আৰু এইখন বিধান সভাইও বহুতো ইতিহাস সৃষ্টি কৰিছে। আপোনাৰ কাৰ্য্যকালত ইয়াত প্ৰত্যেকেই ৰাইজৰ কথাবিলাক দাঙি ধৰিবলৈ সুযোগ লাভ কৰিছে। এই ব্যৱস্থাটোক শক্তিশালী কৰাত আপুনি

যি অৰিহণা আগবঢ়ালে তাৰ বাবে আমাৰ বিধায়িনী দলৰ ফালৰ পৰা অভিনন্দন আৰু কৃতজ্ঞতা জনাইছো। মই পাঁচটা কাৰ্য্যকালত ইয়াত বহু ব্যক্তিক পালো। প্ৰাক্তন বিধায়ক হোৱাৰো মোৰ অভিজ্ঞতা আছে আৰু আমি সকলোৱে বহু অভিজ্ঞতা অৰ্জন কৰিলো। আজি আমি প্ৰত্যেকে বহুত অভিজ্ঞতা অৰ্জন কৰিলো।

আজি ৰাইজৰ স্বাৰ্থত আমাৰ মন্ত্ৰী বিধায়ক সকলে বহুত কথা ক'বলগীয়া হয়, বিৰোধীৰো ক'বলগীয়া হয় কিন্তু আমি ইয়ালৈ আহিছো ৰাইজৰ প্ৰতিনিধি হিচাপে, এইবিলাক ৰাইজৰ কাৰণে কোৱা কথা, কোনেও এইবিলাক কথা ধৰি থাকিবলগীয়া নাই। আমি সকলোৱে ৰাইজৰ এজন এজন জনপ্ৰতিনিধি আৰু ইয়াত যিবিলাক কথা কোৱা হয় বা আলোচনা কৰা হয়, এইবিলাক ৰাইজৰ স্বাৰ্থতে সকলোৱে কয়। গতিকে সেইবিলাকো একো একোটা ইতিহাস হ'ব। ইয়াত বিৰোধী পক্ষৰ এটা ডাঙৰ ভূমিকা থাকে আৰু চৰকাৰী পক্ষৰো ডাঙৰ ভূমিকা থাকে। এইখন legislature ত আমি দুয়ো পক্ষই ইয়াত গোট খাওঁ। সকলোৰে লক্ষ্য অহা দিনবিলাকত, ভৱিষ্যতৰ দিনবিলাকত, আমি কৰা কাম কাজ বিলাক। আমি যদি কেতিয়াবা আইন প্ৰণয়ন কাম ঠিক কৰা নাই, সেইবোৰ চাবৰ কাৰণে ন্যায়ালয়বিলাক আছে। গতিকে এই ব্যৱস্থাটো শক্তিশালী কৰাত আমি আকৌ বিজয়ী হৈ অহাটো সকলোৱে বিচাৰো। সকলোকে মই আগতীয়াকৈ অভিনন্দন জনাইছো। কিন্তু নাথাকিলেও যি ৫ টা বছৰত আপোনালোকে অভিজ্ঞতা অৰ্জন কৰিলে লক্ষ্য-লক্ষ্য অসমৰ নাগৰিকৰ যিখিনি সুবিধা হোৱা নাই আমি ১২৬ জনে সেই সুবিধা পাইছো। গতিকে আমাৰ দায়বদ্ধতা ৰাইজৰ ওচৰত নিশ্চয় থাকিব, বিধায়ক হওঁ বা নহওঁ। এটা কাৰ্য্যকালত ৫ টা বছৰৰ যি অভিজ্ঞতা প্ৰত্যেকৰে কিন্তু দায়বদ্ধতা ৰাইজৰ প্ৰতি থাকিবই। সেই অভিজ্ঞতাৰে ৰাইজক আমি সেৱা কৰিব লাগিব। মই আৰু বিশেষ নকওঁ। আমাৰ দলৰ পক্ষৰ পৰা আমাৰ কথা কোৱাত কেতিয়াবা কোনোবাই আঘাত পাইছে সেয়া ৰাইজৰ পক্ষত কোৱা কাৰণে কোনেও যাতে মনত নাৰাখে। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱালৰ নেতৃত্বত, আমাৰ বিত্ত মন্ত্ৰী লগতে পাটোৱাৰী ডাঙৰীয়াকে আদি কৰি যিসকল মন্ত্ৰী ইয়াত আছে আমি সকলোৱে একেলগে কাম কৰিছো আৰু প্ৰত্যেকেই কৰা কাম-কাজৰ নিৰ্ণয় কি হ'ব সেয়া ৰাইজে নিৰ্দ্ধাৰিণ কৰিব। কেনেধৰণে আমি কাম কৰিছো সেয়া ৰাইজে আমাক চাই আছে।

অধ্যক্ষ মহোদয়, আন এটা কথা নক'লে নহ'ব। আপোনাৰ Speaker's Initiative ত শিক্ষা, অনগ্ৰসৰ অঞ্চল, চাহ জনজাতিৰ পৰা আৰম্ভ কৰি পৰ্বতীয়া অঞ্চল, কলা সংস্কৃতিলৈ এনেকুৱা এটা দিশ আপুনি সামৰি নোলোৱাকৈ থকা নাই যিবিলাক কথা ৰাইজে আলোচনা হোৱাটো বিচাৰে। ৰাইজৰ মনৰ কথাবিলাক আপুনি Speaker's Initiative ত ক'বলৈ সুযোগ দিলে। গণতান্ত্ৰিক ব্যৱস্থাত ইয়াতকৈ ডাঙৰ কথা কি থাকিব পাৰে? আমাৰ গোটেই system টোত আপোনাৰ এই অৰিহণাৰ কথা অসমৰ বিধান সভাৰ ইতিহাসত লিপিবদ্ধ হৈ থাকিব।

শেষত বিধান সভাৰ এই নতুন ঘৰটো। মই আশা কৰিছিলো যে বিধান সভাৰ শেষ দিনটোত এই নতুন ভৱনটোত এবাৰ বহক। যোৱাকালি প্ৰথমে মনটো বেয়া লাগিছিল। ভাৰিছিলো চাহ কাপ খায়েই গুচি যাম বুলি। কিন্তু যেতিয়া গম পালো যে শেষ দিনটোত প্ৰথমবাৰৰ কাৰণে আমি ইয়াত বহিম। আজিৰ এই দিনটো হ'ব এটা যুগান্তকাৰী দিন। আমি সকলোবিলাক এদিন যামগৈ। কিন্তু আজি মই আনন্দিত আৰু এই আনন্দৰ কাৰণ হৈছে এই নতুন ভৱনটো। গতিকে তাৰবাবেও মই আপোনাক ধন্যবাদ জনালো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (তিতাবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি মোক ক'বলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। বহু কথা আছে, আপোনাক ভালদৰে ধন্যবাদ জনাবলৈ বহু সময় লাগিব। মই চুটিকৈ for being a good guardian হিচাপে মই আপোনাক পাইছিলো। অধ্যক্ষ মহোদয়, দুটা কথা ক'ব নোৱাৰা জীৱৰ বিষয়ে এক মিনিট সময় কৈ মোৰ বক্তব্য সামৰিম। প্ৰথমটো হ'ল-কামৰূপ জিলাৰ কলহী নদীত river dolphin আছে। আমাৰ ব্ৰহ্মপুত্ৰত পোৱা শিহু। ইয়াৰ breeding হয় কলহী নদীত। আমাৰ পৰিৱেশ মন্ত্ৰী ইয়াত আছে সেয়েহে মই এইটো কথা ক'ব বিচাৰিছো। ITC য়ে কলহী নদীত wall গাঁথি কিবা নিৰ্মাণ কৰিবলৈ লৈছে। river dolphin ৰ একমাত্ৰ কলহী নদীতেbreeding হয় ।গতিকে এইক্ষেত্ৰত মই চৰকাৰখনক অনুৰোধ জনাইছো সোনকালে আজিৰ ভিতৰতে ITC ক এই wall ভঙাৰ নিৰ্দেশ দি কলহী নদীত river dolphin breeding ৰ বিষয়টো গুৰুত্ব সহকাৰে চাবলৈ।

দ্বিতীয়তে, ইতিমধ্যে সংবাদ মাধ্যমত ওলাইছে যে আমাৰ চিৰিয়াখানাৰ পৰা black panther লৈ যাব বিচাৰিছে অসমৰ বাহিৰলৈ। বাহিৰত আম্বানী ডাঙৰীয়াৰ পুত্ৰই বোলে এটা zoo বনাইছে আৰু তাৰ সলনি বাহিৰৰ পৰা বোলে জিৰাফ আহিব। কিন্তু আমাৰ ইয়াত জিৰাফ আছেই। এই black panther species টো নোহোৱাই হৈ গৈছে। এইটো অসমৰ চিনাকি। গতিকে মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে আহ্বান জনাইছো অসমৰ এই চিনাকিটো টো সংৰক্ষণ কৰিবলৈ। ধন্যবাদ।

**শ্ৰী সত্যব্ৰত কলিতা, কমলপুৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ দিয়াৰ লগতে আজি আৰু এটা গুৰুত্বপূৰ্ণ দিন। আমাৰ বিধান সভাৰ সচিব শ্ৰী অমৰেন্দ্ৰ নাৰায়ণ ডেকাৰ আজি চাকৰিৰ শেষ দিন। তেখেতেও আমাক আগতে বহুখিনি সহায় আগবঢ়ালে, পূবৰ্ব প্ৰধান সচিব মৃগেন্দ্ৰ কুমাৰ ডেকা ডাঙৰীয়াও বহুখিনি সেৱা আগবঢ়ালে। গতিকে ডেকা সহিতে যিসকল আমাৰ বিষয়-ববীয়া বা কৰ্মচাৰীয়ে যোৱা ৫ বছৰত এটা পৰিয়ালৰ নিচিনাকৈ আমাক মৰম আৰু সহযোগ কৰিলে তাৰবাবে অসম গণ পৰিষদ দলৰ পৰা মই ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ, উপাধ্যক্ষৰ লগতে অসম বিধান সভাৰ সকলো কৰ্মচাৰীকে আমাৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। ইয়াৰ লগতে বিশেষকৈ আমাৰ Parliamentary Affairs Minister, পাটোৱাৰী ডাঙৰীয়াকো ধন্যবাদ জনাইছো কাৰণ তেওঁ যোৱা ৫ টা বছৰে বহু কেইজন মন্ত্ৰীৰ হৈ সকলো কথা উত্তৰ দি গৈছে। লগতে আমাৰ মুখ্যমন্ত্ৰী আৰু বিত্ত মন্ত্ৰী ডাঙৰীয়াই খুৱ সুন্দৰভাৱে পৰিচালনা কৰিছে গতিকে মই তেখেতসকলকো আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। আশা কৰিছো পৰবৰ্তী পৰ্য্যায়ত আপোনালোক সকলোকে পুনৰ ইয়াত লগ পাম। ইয়াকে কামনা কৰি মই মোৰ বক্তব্য সামৰিছো।

**হাফিজ বছিৰ আহমেদ (পশ্চিম বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'উমৰে-দৰাজ মাঙ্গকে লায়েথে চাৰ দিন দো আৰজু মে কট গয়ে দো ইন্তেজাৰ মে'। মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৰে এই পৃথিৱীত এটা নিৰ্দিষ্ট সময় লৈ আহিছো। আমিও ৫ বছৰ সময় লৈ ইয়াত আহিছো। কোনোবা হয়তো আগতেও আছিল কোনোবা হয়তো পাছতো আহিব। আজি আমি সকলোৰে ৰাইজৰ প্ৰতিনিধি হিচাপে সকলো ধৰণৰ প্ৰচেষ্টা লৈছিলো। আমাৰ দায়িত্ব পালনৰ ক্ষেত্ৰত আমাৰ মাননীয় অধ্যক্ষ মহোদয়ে যি নিৰপেক্ষতাৰে আমাক অনুপ্ৰেৰণা যোগালে তাৰবাবে মই তেখেতক কৃতজ্ঞতা জ্ঞাপন কৰিছো। আমি ইয়াত বিভিন্ন সমষ্টিৰ পৰা আহিছো। কিন্তু আমাৰ পৰিচয় এটাই যে আমি সকলোৰে বিধায়ক। আমি যাতে অহা সময়তো পুণৰবাৰ ইয়ালে ঘুৰি আহিব পাৰো

তাৰবাবে ঈশ্বৰ -আল্লাৰ ওচৰত প্ৰাৰ্থনা জনাইছো। মই এটা দলত প্ৰতিনিধিত্ব কৰা বাবে ইয়াত বিভিন্ন আলোচনা হৈছে, বিভিন্ন বিতৰ্কও হৈছে। কোনোৱাই যদি কিবা আঘাত পাইছে তাৰবাবে মই ক্ষমা প্ৰাৰ্থী। অহাদিনবোৰৰ বাবে মই সকলোকে শুভেচ্ছা যাঁচিছো, সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বি জে পি বিধায়িনী দলৰ তৰফৰ পৰা, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া যিহেতু এই দলৰ নেতা, তেখেতৰ তৰফৰ পৰা, লগতে আমাৰ সকলো সদস্যৰ তৰফৰ পৰা আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। আপোনাৰ যিটো নিৰপেক্ষ দৃষ্টিভংগী লগতে আপোনাৰ দিনতে Speaker's Initiative ৰ নিচিনা কিছুমান নতুন কাম আৰম্ভ হ'ল, লগতে ছাত্ৰ-ছাত্ৰী সকলক সংসদীয় পৰিক্ৰমাত অংশগ্ৰহন কৰিবলৈ আপুনি যিটো সুযোগ দিলে সেইটো অত্যন্ত গুৰুত্বপূৰ্ণ। ইয়াৰ পৰা ছাত্ৰ-ছাত্ৰী সকলে যথেষ্টখিনি শিকিবলৈ সুযোগ পাইছে।আমি কোনেও ভাবিব নালাগে যে কোনোবাই কিবা কোৱাৰ কাৰণে কোনোবাই বেয়া পাব বুলি। আমি ইয়াত ক'বৰ বাবেই ৰাইজে আমাক ইয়ালৈ পঠাইছে। ইয়াৰ পৰা বাহিৰত ওলাই আমি সকলোৰে বন্ধু। আজিৰ বিধান সভাত কোন কোন আছে আমি সকলোৰে দেখিছো। কিন্তু ১৯৮৫ চনৰ বিধান সভাত হিতেশ্বৰ শইকীয়া ডাঙৰীয়া বিৰোধী দলত অছিল, বিনয় খুঙ্গুৰ বসুমতাৰী ডাঙৰীয়া বিৰোধী দলত আছিল, চৰণ নাৰ্জাৰী ডাঙৰীয়া বিৰোধী দলত আছিল, শান্তিৰঞ্জন দাসগুপ্ত ডাঙৰীয়া বিৰোধী দলত আছিল, কাছাৰৰ পৰা আব্দুল মুহিব মজুমদাৰ ডাঙৰীয়া আছিল, গোলাম উচমানিৰ দৰে সাংঘাতিক মানুহ আছিল। আমি মন্ত্ৰী আছিলো। তেওঁলোক যথেষ্ঠ জনা মানুহ আছিল। এবাৰ no confidence motion আনিছিলে কংগ্ৰেছ (আই)ত। তেতিয়া আব্দুল মুহিব মজুমদাৰ ডাঙৰীয়াই the way he moved and the way he spoke, still I remember and I learned from him how to speak in the Assembly. গতিকে অধ্যক্ষ ডাঙৰীয়া, এনেকুৱা এখন বিধান সভাৰ পৰা আহি আজিৰ এই বিধান সভা পালো। আজি আমাৰ ইয়াত যিমান বিধায়ক আছে সকলোবোৰ learned বিধায়ক। ইয়াত আমি সকলোৰে নিজৰ নিজৰ বক্তব্য সমূহ দাঙি ধৰিলো। গতিকে আমাৰো কাৰো প্ৰতি কোনো আক্ষেপ নাই। অধ্যক্ষ মহোদয়, আপুনি আমাৰ এই বিধান সভাৰ custodian. অধ্যক্ষ ডাঙৰীয়াৰ লগত ১৯৭৮ চনৰে পৰাই আমি একেখন নাৱৰে যাত্ৰী। আজি মই বিৰোধী দলক এটা কথা কওঁ যে আপোনালোক ভাগ্যবান এটা কাৰণেই যে হিতেন গোস্বামী ডাঙৰীয়াৰ পৰা আপোনালোকে বিধান সভাৰ মজিয়াত ইমানখিনি liberally কথা ক'বলৈ সুবিধা পাইছে। এইটো এটা সুস্থ গণতন্ত্ৰৰ উদাহৰণ। তেওঁৰ straight forward, very honest and sincere.সেইকাৰণে আমি আগতে তেখেতক এটা বেলেগ নাম দি মাতিছিলো। তেওঁ আইনৰ ডাঙৰ উকীল আছিল। তেওঁ সেয়েহে সকলো বিলাক কথা ভালকৈ বুজে। গতিকে মই আজি আমাৰ তৰফৰ পৰা সকলোকে ধন্যবাদ জনাইছো আৰু আগন্তুক দিনত মই ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো যাতে সকলোকে দীৰ্ঘায়ু কৰক, সু-স্বাস্থ্যবান কৰক আৰু সকলোৰে নিজৰ নিজৰ স্থানত নিৰ্বাচিত হৈ জিকি আহক। লগতে অধ্যক্ষ, উপাধ্যক্ষ আৰু ডেকা ডাঙৰীয়া প্ৰমুখ্যে বিধান সভাৰ সকলো কৰ্মচাৰীকে আমি ধন্যবাদ জনাইছো। আমাৰ সকলোৰে প্ৰতি বিধান সভাৰ প্ৰতিজন কৰ্মচাৰীৰ মাজত যিটো আন্তৰিকতা আছে সেইটো বহু ডাঙৰ কথা। গতিকে সকলোকে ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** শাসক দলৰ সদিচ্ছা আৰু বিৰোধী দলৰ সমৰ্থন এই দুয়োটা লৈ মই এই

আসনখনত বহিছিলো। মই এটা কথা সদায়ে মানো যে কিবা এটা achieve কৰিবলৈ ভগৱানৰ আশীৰ্বাদৰ লগতে পিতৃ-মাতৃৰো আশীৰ্বাদ লাগিব। তিনিওজনে আমাৰ মাজত নাই কিন্তু তেওঁলোকৰ আশীৰ্বাদৰ কাৰণেহে আজি মই ইয়াত বহিব পাৰিছো। সেয়েহে কামবিলাক কৰোতে মই খুব সাৱধানতাৰে কৰিবলৈ চেষ্টা কৰো। মোৰ দায়িত্ব এটাই -মই আপোনালোকক opportunity দিয়া আৰু চৰকাৰখন বচোৱা। As a Speaker, আমি destabilize কৰিবলৈ ইয়াত নবহো because this is my duty to stabilize the Government but at the same time you can also criticize them. মই সেইকাৰণে কেতিয়াবা কওঁ যে আজি আৰু নক'ব। Criticizationটো লাগে। সেইকাৰণে নিজকে শুধৰাবৰ কাৰণে কেতিয়াবা কোনোবাই আমাক criticize কৰিলে বেয়া পাব নালাগে। আপোনালোকে মোৰ কথা যিমান ভালকৈ কৈছে মই ইমানৰ পাত্ৰ নহয়। মই সকলোকে ধন্যবাদ জনাইছো। মই মোৰ কাৰ্য্যকালত সকলো সন্মানীয় মন্ত্ৰী আৰু বিধায়ক সকলক সদায় সমান জ্ঞান কৰিছিলো। মন্ত্ৰী সকলৰ সদায় added responsibility থাকে কিন্তু তেওঁলোকো একো একোজন বিধায়ক। মই যদিও অধ্যক্ষ, ময়ো এজন বিধায়ক। সেয়েহে মই প্ৰতিজন বিধায়ককে ক'বলৈ বেছিকৈ সুবিধা দিওঁ। মই ভাৱো এইটো দিয়াটো ভাল কাৰণ এনে কৰিলে আমাৰ transparency টো বহু বাঢ়ি যায়। সেইকাৰণে মই কেতিয়াবা কাৰ্য্যসূচী পৰিচালনা কৰোতে কঠোৰ পদক্ষেপ ল'বলগীয়া হয় আৰু তাৰবাবে মই কেতিয়াবা টান শব্দও ব্যৱহাৰ কৰিছিলো। গতিকে সকলোৰে যেন এয়া পাহৰি যায় আৰু মোক কোনেও যাতে তাৰবাবে বেয়া নাপায়। মই যি কামেই কৰো সেয়া নিষ্ঠাৰে কৰিবলৈ চেষ্টা কৰো। মোক আগতে 'মিলিটেৰী' বুলি মাতিছিল। মই এটা নিৰপেক্ষ role play কৰিছো বুলি মানুহে মনতে ভাৰিব পাৰে। আমাৰ বিধান সভাৰ যিসকল কৰ্মচাৰীৰ কথা আপোনালোকে কৈছেই, তেওঁলোক নহ'লে আমি এনেকৈ সদনখন চলাব নোৱাৰিলোহয়। প্ৰতিজন কৰ্মচাৰী, ছুইপাৰৰ পৰা প্ৰধান সচিবলৈকে সকলোকে ধন্যবাদ জনাইছো। মই তেওঁলোকক সকলোকে সমান জ্ঞান কৰো। সেইকাৰণে মই সকলোৰে পৰা এটা ভাল cooperation পাইছিলো যিটোৰ কাৰণে আজি আপোনালোকে ইয়াত বহিব পাইছে।

এই নতুন ভৱনটোৰ কেচটো ৬ বছৰ কোৰ্টত পৰি আছিলে। অধ্যক্ষ হোৱাৰ পিছত যেতিয়া মই এই কেচটোৰ বিষয়ে গম পালো তেতিয়া মই গোটেইবিলাক ফাইল ভালদৰে চালো আৰু বুজিলো যে ইয়াত অলপ আমাৰো ভুল আছে। এই ভুল সমূহ আমি আতঁৰালো আৰু কাম আৰম্ভ হ'ল। ক'ৰোণা নহ'লে আমি আগতেই এই ভৱনটো পালোহয়। এতিয়া এই ঘৰটোৰ নিৰ্মাণত বহুত বেছিকৈ টকা পৰিব। ইয়াত তিনিটা ঘৰ আছিল কিন্তু সেইকাৰণে মই এটাহে ল'লো। সেইকাৰণে আমি সিদ্ধান্ত লৈছিলো যে প্ৰথমতে আমি এইটো ভৱনে সম্পূৰ্ণ কৰিম আৰু প্ৰয়োজন হ'লেহে বাকীকেইটা ঠিক কৰিম নহ'লে আমি চৰকাৰক আন কামৰ কাৰণে দি দিব পাৰিম। কাৰণ আমি ইমান টকা খৰছ কৰাটো উচিত নহ'ব। আমাৰ লাইব্ৰেৰীটো ভঙাৰ প্ৰয়োজন নাই। এই ঘৰটো কৰোতে PWD ৰ engineer সকলে যথেষ্ঠ কষ্ট কৰিছে। মই তেওঁলোকৰ লগত ঘুৰি ফুৰো। Commissioner, Chief Engineer সকলো আহে, Finance Commissioner ৰেও আমাক যথেষ্ঠ সহায় কৰিছে। ইয়াত কাকলি বৰকাকতি নামৰ মহিলা গৰাকীয়ে বৃন্দাবনী বস্ত্ৰকে আদি কৰি কামখিনি কৰিছে আৰু লাইটৰ কামখিনি কৰিছে যিজন আমাৰ interior designer আছে তেওঁ। তেখেতসকলে আমাক এদিন হ'লেও ইয়াত বহিবৰ কাৰণে কৈছিল আৰু কামখিনি সম্পূৰ্ণ কৰি দিয়াৰ আশ্বাস দিছিল। আপোনালোকে যে এই কথাখিনি

আজি স্বীকাৰ কৰিলে তাৰবাবে ধন্যবাদ। কাৰণ মই নিজে এইখিনি কথা ক'বলৈ সাহস কৰা নাছিলো। এতিয়াও বহুখিনি কাম বাকী আছে। মই ভাৱো আহিবলগীয়া দিনবিলাকত এইখিনি খুৱ ধুনীয়াকৈ সম্পূৰ্ণ হ'ব কাৰণ a good team is here. মই Coffee Table Book এখন ৰাতিপুৱাই উদ্ধোধনী কৰিলো। আমাৰ ৫ বছৰীয়া কাৰ্য্যকালত যিকেইটা major কাম আছিল আমাৰ বন্ধু সমুদ্ৰ গুপ্ত কাশ্যপ, Information Commissioner তেখেতে অলপ আগভাগ ল'লে। তেখেতে আগতে Indian Express কাকতৰ Associate Editor আছিল। মই তেখেতক ক'লো যে পাৰিলে এই কামটো কৰা ভাল যে ৫ বছৰৰ এটা Coffee Table Book থাকি লে it will become a history. এইবাৰৰ Coffee Table Book ত অসমৰ বিধান সভাৰ history টো সন্নিবিষ্ট আছে। অপোনালোক সকলোৰে ইয়াৰ এটা কপি পাব।

আজি আমাৰ বাবে এইটো আন এটা ভাল দিন। গধূলি আমাৰ বিধায়ক সকলৰ বাবে ১০ টা নতুন ফ্লেট উদ্ধোধন কৰিম। ঘৰকেইটা খুৱ ভাল। তাত দুটা পাৰ্ট কৰা হৈছে। এটা হৈছে অফিচ পাৰ্ট আৰু আনটো হৈছে ৰেচিডেঞ্চ। আমাৰ Electricity ৰ বহুত অপচয় হয়। সেইকাৰণে আমি এইটো design কৰিলো যাতে Electricity ৰ অপচয় নহয়। এতিয়া যিখিনি আচাম টাইপৰ ঘৰ আছে পাছলৈ সেইখিনি Green Lawn হ'ব। মই আশা কৰিছো বিধান সভাই সেইখিনি কাম কৰিব বুলি আশা কৰিলো। এই মূহুৰ্তত যিসকলে এই বিধান সভা খন চলোৱাত সহায় কৰিছে চৰকাৰী বিষয়া, পুলিচ, সংবাদ মাধ্যমৰ কৰ্মী সকল সকলোকে ধন্যবাদ জনাইছো। এতিয়া মই সদন অনিৰ্দ্দিষ্ট কাললৈ স্থগিত ৰখাৰ ঘোষণা কৰিলো। শেষত সকলোকে মোৰ ওপৰত ৰখা আস্থাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলো।

(সদন বিয়লি ৩ঃ৪৫ বজাত স্থগিত হ'ল)।